www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সকলো বস্তু কিনিছা কিনা। পৰাপক্ষত মাহেকত একোখন ভাল কিতাপ কিনিবা। – যতীন্দ্ৰ নাথ দুৱৰা

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ষষ্ঠ বছৰ ❑সংখ্যা - ২৬২ ❑ শনিবাৰ ❑২০ ডিচেম্বৰ, ২০২৫ চন ❑৫ পুহ, ১৯৪৭ শক ❑VOL - 6 ❑NO.- 262 ❑Saturday ❑20th December, 2025 ❑মূল্য ঃ ১০.০০ টকা ❑মুঠ পৃষ্ঠা ঃ ৮

### ❑ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন ❑

# দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ মোদী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২০ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰেৰ পৰা অসমত দুদিনীয়া ভ্ৰমণ আৰম্ভ কৰিব। এই ভ্ৰমণৰ সময়ত তেওঁ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ লগতে ৰাজহুৱা সভাত অসমৰ ৰাইজক সম্বোধন কৰিব। অসমৰ আন্তঃগাঁথনি আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত এই ভ্ৰমণ এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব। শনিবাৰে দুপুৰীয়া গুৱাহাটীত উপস্থিত হোৱাৰ পিছতে প্ৰধানমন্ত্ৰীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন সংহত টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। প্ৰায় ৪ হাজাৰ কোটি টকাৰ এই প্ৰকল্পই অসমৰ বিমান পৰিবহণ ব্যৱস্থাত বৈপ্লৱিক পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে। উদ্বোধনৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে এক্সত পোষ্ট কৰি কয়, "কাইলৈ ২০ ডিচেম্বৰত ⏩৬ পৃষ্ঠাত



বিশেষ কলম

## প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াৰ 'অসমৰ বাবে 'এ'



সৰ্বানন্দ সোণোৱাল

২০১৪ চনৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী জীৰ গতিশীল নেতৃত্বত অসম আৰু এন ই আৰৰ ⏩৬ পৃষ্ঠাত

DCP আৰু জিলা আয়ুক্তৰ সংবাদমেল

## প্ৰধানমন্ত্ৰীৰ গুৱাহাটী আগমনক লৈ যান-বাহনৰ বিশেষ নিৰ্দেশনা জাৰি

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শনিবাৰে বিয়লি গুৱাহাটীলৈ অহাৰ কাৰ্যসূচীক লৈ যান-বাহন শাখাৰ উপ-আয়ুক্ত (DCP Traffic) আৰু কামৰূপ মহানগৰ জিলা আয়ুক্তই যুটীয়াভাৱে ⏩৭ পৃষ্ঠাত



■ ১২খন জিলাৰ ২৫ গৰাকী শিক্ষাৰ্থীৰ সৈতে মত বিনিময় ■

# ব্ৰহ্মপুত্ৰৰ বুকুত অনুষ্ঠিত হ'ব 'পৰীক্ষা পে চৰ্চা'ৰ অষ্টম সংস্কৰণ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে অহা ২১ ডিচেম্বৰত অসমলৈ অহাৰ কাৰ্যসূচী চূড়ান্ত হৈছে। এই ভ্ৰমণৰ মুখ্য আকৰ্ষণ হ'ব 'পৰীক্ষা পে চৰ্চা' কাৰ্যসূচীৰ অষ্টম সংস্কৰণ, যি অসমত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলৈ গৈ আছে। ব্ৰহ্মপুত্ৰ নদীৰ বুকুত অভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ 'চৰাইদেউ' নামৰ জাহাজত এই বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে এই কাৰ্যসূচীৰ জৰিয়তে ৰাজ্যৰ ১২খন জিলাৰ পৰা বাছনি কৰা ২৫ গৰাকী শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰিব। ⏩৬ পৃষ্ঠাত

'ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ' নামৰ জনকেন্দ্ৰিক অভিযান


## আজিৰে পৰা ৰাজ্যজুৰি কংগ্ৰেছৰ গণসংযোগ যাত্ৰা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২০ ডিচেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটী (APCC)য়ে আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ২০ ডিচেম্বৰৰ পৰা ৰাজ্যজুৰি এক বৃহৎ গণসংযোগ যাত্ৰা আৰম্ভ কৰিবলৈ সাজু হৈছে। এই যাত্ৰা 'ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ' নামৰ জনকেন্দ্ৰিক অভিযানৰ এক গুৰুত্বপূৰ্ণ অংশ। ইয়াৰ মূল উদ্দেশ্য হৈছে ৰাজ্যৰ সকলো অঞ্চলত নাগৰিক, অংশীদাৰ আৰু দলীয় কৰ্মীসকলৰ সৈতে প্ৰত্যক্ষ ⏩৭ পৃষ্ঠাত




উৎপাদনশীলতা ১১১ শতাংশ; সৰ্বদলীয় বৈঠক

## অনিৰ্দিষ্টকাললৈ স্থগিত ঘোষণা সংসদৰ শীতকালীন অধিৱেশন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২০ ডিচেম্বৰ ঃ** ভাৰতীয় সংসদৰ শীতকালীন অধিৱেশন শুকুৰবাৰে অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে। অধিৱেশনৰ অন্তিম দিনটোত লোকসভা আৰু ⏩৬ পৃষ্ঠাত

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তক লৈ বিধায়ক অখিল গগৈৰ তীব্ৰ সমালোচনা

## চৰকাৰে জুবিন দাক প্ৰতাৰণা কৰিছে!

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২০ ডিচেম্বৰ ঃ** প্ৰখ্যাত অসমীয়া সংগীতশিল্পী তথা মহানায়ক জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা ৰহস্যজনক মৃত্যুৰ তদন্তক ⏩৭ পৃষ্ঠাত



## মণিপুৰত নিৰাপত্তা বাহিনীৰ অভিযানত UNLF (P)ৰ ৪ বিদ্ৰোহীসহ বাহন চালক-হেণ্ডিমেনক গ্ৰেপ্তাৰ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২০ ডিচেম্বৰ ঃ** মণিপুৰত নিৰাপত্তা বাহিনীয়ে সক্ৰিয় অভিযান চলাই ইম্ফল পশ্চিম জিলাৰ বিভিন্ন ঠাইৰ পৰা ইউনাইটেড নেচনেল লিবাৰেচন ফ্ৰণ্ট (পামেই গ্ৰুপ)ৰ চাৰিজন সক্ৰিয় সদস্যক গ্ৰেপ্তাৰ কৰিছে। ধৃত ⏩৭ পৃষ্ঠাত

মৌলবাদী গোটৰ পৰা অসমলৈ ভাবুকিৰ আশংকা

## ধুবুৰীৰ টাকিমাৰীৰ পলাতক যুৱকক লৈ উত্তৰ প্ৰদেশ ATSৰ তদন্ত

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২০ ডিচেম্বৰ ঃ** বাংলাদেশৰ ৰাজনৈতিক পৰিস্থিতি ক্ৰমাৎ উত্তপ্ত হৈ উঠাৰ মাজতে দেশখনৰ কট্টৰ মৌলবাদী সংগঠনসমূহৰ কিছু সদস্যই অসমকে ধৰি উত্তৰ-পূবৰ ৰাজ্যসমূহক অস্থিৰ কৰি তোলাৰ বাবে এটা ভয়াবহ পৰিকল্পনা ⏩৬ পৃষ্ঠাত

## শ্বৰীফ ওছমান হাদীৰ মৃত্যু; ৰাষ্ট্ৰীয় শোক দিৱস ঘোষণা

নিৰ্বাচনী প্ৰচাৰৰ সময়ত অজ্ঞাত বন্দুকধাৰীয়ে কৰিছিল গুলীচালনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ ডিচেম্বৰ ঃ** বাংলাদেশৰ ২০২৪ চনৰ জুলাই-আগষ্টৰ গণ-অভ্যুত্থানৰ অন্যতম প্ৰধান নেতা তথা ইনকিলাব মঞ্চৰ মুখপাত্ৰ শ্বৰীফ ওছমান ⏩৬ পৃষ্ঠাত

■ পুনৰ হিংসাৰ জুইত উত্তাল বাংলাদেশ ■

## ধৰ্ম অৱমাননাৰ অভিযোগত হিন্দু যুৱকক নৃশংসভাৱে হত্যা

**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ২০ ডিচেম্বৰ ঃ** বাংলাদেশত সম্প্ৰতি হিংসাৰ জুই জ্বলি উঠিছে। ২০২৪ চনৰ জুলাই অভ্যুত্থানৰ অন্যতম নেতা শ্বৰীফ ওছমান হাদিৰ মৃত্যুৰ পিছত সমগ্ৰ দেশতে অগ্নিসংযোগ আৰু প্ৰতিবাদৰ ঘটনা সংঘটিত হৈছে। হাদিৰ মৃত্যুৰ খবৰে ৰাইজে ৰাজপথত নামি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তুলিছে। এই অস্থিৰ পৰিস্থিতিৰ মাজতে ময়মনসিংহ জিলাৰ ভালুকা উপজিলাত এটা ⏩৬ পৃষ্ঠাত



## প্ৰটিয়াছ বাহিনীক ৰোধ কৰি টি-২০ শৃংখলা দখল ভাৰতৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৯ ডিচেম্বৰ ঃ** শুকুৰবাৰে ভাৰতীয় ক্ৰিকেট দলে লাভ কৰিলে বিশেষ সাফল্য। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলে কালি শক্তিশালী প্ৰদৰ্শন আগবঢ়াই ভ্ৰমণকাৰী দক্ষিণ আফ্ৰিকাক পাঁচখনীয়া মেচৰ ⏩৬ পৃষ্ঠাত

দ্বিতীয়বাৰলৈ অপৰাধৰ কোনো আভাস নথকাৰ স্পষ্টীকৰণ ছিংগাপুৰ আৰক্ষীৰ

## জুবিনৰ মৃত্যুৰ তদন্তত দুই দেশৰ আৰক্ষীৰ বিপৰীতমুখী সিদ্ধান্ত



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২০ ডিচেম্বৰ ঃ** অসমৰ প্ৰিয় শিল্পী তথা সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা ৰহস্যজনক মৃত্যুৰ তদন্তই নতুন মোৰ লৈছে। অসম আৰক্ষীৰ ⏩৭ পৃষ্ঠাত

জয়ানগৰ তৃণমূল কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত দুলু আহমেদৰ সংবাদমেল

## ছিংগাপুৰৰ ১১ গৰাকী প্ৰৱাসী অসমীয়াক ৰক্ষণা-বেক্ষণ দিছে চৰকাৰে




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২০ ডিচেম্বৰ ঃ** প্ৰখ্যাত অসমীয়া সংগীতশিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা ৰহস্যজনক মৃত্যুৰ ঘটনাই এতিয়াও ৰাজনৈতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰি আছে। এই প্ৰেক্ষাপটত তৃণমূল কংগ্ৰেছৰ অসম ইউনিটৰ অন্যতম নেতা দুলু আহমেদে জয়নগৰস্থিত দলৰ ⏩৬ পৃষ্ঠাত

কামপুৰৰ চাংজুৰাইত ভয়ংকৰ দুৰ্ঘটনা, আহত এটা পোৱালি

## তীব্ৰবেগী ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত নিহত ৭ বন্যহস্তী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** কামপুৰ জিলাৰ চাংজুৰাই অঞ্চলত এটা কৰুণ দুৰ্ঘটনা সংঘটিত হৈছে। নিশাৰ ভাগত ৰেললাইন পাৰ হৈ যোৱাৰ সময়তে নামনিমুৱা দিল্লী-ডিব্ৰুগড় ৰাজধানী এ'প্ৰেছ নামৰ তীব্ৰবেগী যাত্ৰীবাহী ৰে'লে এটা বন্যহস্তীৰ ⏩৭ পৃষ্ঠাত



আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক




আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক ।

অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

# অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰত "সামূহিক উৎসৱ" উদ্‌যাপন




**অসম বাৰ্তা, অভয়াপুৰী, ১৯ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা, বঙাইগাঁৱৰ উদ্যোগত আৰু সৃজনগ্ৰাম শিক্ষাখণ্ডৰ সহযোগত অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰই আজি ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয়ত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে সামূহিক উৎসৱ উদ্‌যাপন কৰে। এই উৎসৱৰ জৰিয়তে বিদ্যালয়খনত অধ্যয়নৰত বিভিন্ন সম্প্ৰদায় আৰু জনজাতীয় পটভূমিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত একতা, সহাৱস্থান আৰু ভাতৃত্ববোধ গঢ়ি তোলাই মূল উদ্দেশ্য হিচাপে গ্ৰহণ কৰা উৎসৱটোত বিদ্যালয়খনৰ চৌহদত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰীৰ বিভিন্ন জনজাতীয় পৰম্পৰাগত পোছাক প্ৰদৰ্শন, লোকসংস্কৃতি আৰু বিভিন্ন জনজাতীয় নৃত্য-গীতৰ পৰিৱেশন কৰে। পৰম্পৰাগত সাজ-পোছাকত সজ্জিত ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰী সকলে নিজৰ নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ড° ছিৰখাত হুছেইনে আঁত ধৰা "সামূহিক উৎসৱ" শুভাৰম্ভ অনুষ্ঠানত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে উত্তৰ শালমাৰাৰ বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক দেৱান আব্দুৰ ৰহমানে। এই অনুষ্ঠানত প্ৰতিযোগিতামূলক নৃত্য প্ৰতিযোগিতা, বিভিন্ন খেল-ধেমালি আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণে অনুষ্ঠানটোক অধিক সজীৱ কৰি তোলে। প্ৰতিযোগিতাসমূহৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ লুকাই থকা প্ৰতিভা প্ৰকাশ পোৱাৰ লগতে আত্মবিশ্বাস বৃদ্ধিত সহায়ক হয় বুলি শিক্ষকসকলে মত প্ৰকাশ কৰে। উৎসৱৰ লগত সংগতি ৰাখি এক সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি দেৱান আব্দুৰ ৰহমান, ভাৰপ্ৰাপ্ত বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক উত্তৰ শালমাৰা, নৰজিৎ বায়ন খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সৃজনগ্ৰাম, ড° মৰমী বৰঠাকুৰ তালুকদাৰ, পূৰ্ণিমা বৰকাকতি, মঞ্জু দাস অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয়, পূৰ্ণ কলিতা অভয়াপুৰী, হাৰাধন সূত্ৰধৰ গাণনিক সৃজনগ্ৰাম শিক্ষাখণ্ড, ড° বন্দনা কলিতা সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, মহাত্মা গান্ধী মহাবিদ্যালয়, চলন্তাপাৰা। এই সকলো অতিথিক মানপত্ৰ আৰু বৰ অসমৰ বিভিন্ন সংস্কৃতিৰ উপহাৰেৰে সম্বৰ্ধনা জনোৱা হয়। অতিথিসকলে অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ এই উদ্যোগক ভূয়সী প্ৰশংসা কৰাৰ লগতে এইধৰণৰ অনুষ্ঠানৰ জৰিয়তে সৰু বয়সৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক একতা আৰু সাংস্কৃতিক চেতনাবোধ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ লগতে সমাজৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত একতা স্থাপন কৰে। বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজৰ সহযোগিতাৰে অনুষ্ঠিত এই সামূহিক উৎসৱটি এক সফল আৰু স্মৰণীয় অনুষ্ঠান হিচাপে পৰিগণিত হয়। আজিৰ "সামূহিক উৎসৱ"ৰ লগত ৰজিতা খুৱাই বিভিন্ন জাতি জনগোষ্ঠীৰ বস্ত্ৰ, খাদ্য, আ-অলংকাৰৰ ওপৰত এখনি প্ৰদৰ্শনীও অনুষ্ঠিত হয়। আজিৰ "সামূহিক উৎসৱ" প্ৰথম স্থান লাভ কৰে ২৩৪ নং ধৰ্মপুৰ প্ৰাথমিক বিদ্যালয়ে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে ৭৫৬ নং অভয়াপুৰী ২নং প্ৰাথমিক বিদ্যালয়ে আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ৪৪৫ নং পাছদুৱাৰ প্ৰাথমিক বিদ্যালয়ে।

লক্ষ্মীমপুৰত 'আটছা'ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস

# লেখক, শিক্ষক নকুল কুৰ্মিলৈ 'চাইমন সিংহ'ৰ'- সন্তোষ কুমাৰ টপ্ন বঁটা'




**অসম বাৰ্তা, লীলাবাৰী, ১৯ ডিচেম্বৰ ঃ** চাইমন সিং হ'ৰ', সন্তোষ কুমাৰ টপ্ন, ৰাখাল নাগ, খ্ৰীষ্ট প্ৰসাদ চাংগা, নাথানিয়েল হ'ৰ', আনন্দ মাছি বাৰ্ল্লা, ভেলেণ্টাইন কেৰকেট্টা, বিমল নাগ, এবেঞ্জাৰ হেৰেঞ্জ, স্নেহমাছি বাৰ্ল্লা, আৰদান নাগ আদি মহাবিদ্যালয়ত অধ্যয়নৰত বিদ্যা-উৎসাহী, সমাজ সচেতকৰ প্ৰচেষ্টাত 'অসম ছোটনাগপুৰী ছাত্ৰ সন্মিলন'য়ে আত্মপ্ৰকাশ কৰিছিল। ১৯৪৭ বৰ্ষত প্ৰতিষ্ঠা লাভ কৰা অসম ছোটনাগপুৰী ছাত্ৰ সন্মিলনে পাছলৈ 'অসম চাহ জনজাতি ছাত্ৰ সন্থা' চমুকৈ 'আটছা' হিচাপে অসমৰ চাহ বাগিচা অধ্যুষিত অঞ্চল তথা বস্তি-গাঁৱত বসবাস কৰা লোকসকলক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিকভাৱে সচেতন কৰাৰ লগতে জাতিগত অধিকাৰ সন্দৰ্ভত সজোৰে মাত মাতি আহিছে। 'আটছা' সাম্প্ৰতিক অসমৰ চাহ জনগোষ্ঠী তথা আদিবাসী লোকসকলৰ এক শক্তিশালী আৱাজ। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ 'আটছা'ই চলিত বৰ্ষত আঠসত্তৰটা বছৰ অতিক্ৰম কৰিব। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত ২৮ ডিচেম্বৰত লক্ষ্মীমপুৰ জিলাৰ চুকুলীভৰীয়া খেলপথাৰত ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসটি দিনজোৰা বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হ'ব। ২৮ ডিচেম্বৰৰ পুৱা ৬ বজাত বৃক্ষ ৰোপণ কাৰ্যসূচীৰে আৰম্ভণি হ'বলগা অনুষ্ঠানটিত লক্ষ্মীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকাই মুখ্য দুৱাৰ মুকলি কৰিব। 'আটছা'ৰ সভাপতি জগদীশ বড়াইকে পুৱা দহ বজাত সংগঠনটোৰ পতাকা উত্তোলন কৰাৰ লগতে সাধাৰণ সম্পাদক সুনীল তিৰ্কীয়ে স্মৃতি তৰ্পণ কৰিব। 'ঝুমইৰ সন্মিলনী, অসম'ৰ সভাপতি তথা বিশিষ্ট ঝুমইৰ সাধক, ঝুমইৰ গুৰু ভদ্ৰ ৰাজোৱাৰে সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰিবলগীয়া অনুষ্ঠানটিত লক্ষ্মীমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ ভূঞাই মঞ্চ মুকলি কৰিব। আবেলি দুই বজাত 'আটছা'ৰ সভাপতি জগদীশ বড়াইকৰ সভাপতিত্বত মুকলি সভাৰ আদৰণি ভাষণ উদযাপন সমিতিৰ সভাপতি তথা উত্তৰ লক্ষ্মীমপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিমান চন্দ্ৰ চেতিয়া আৰু সংগঠনটোৰ সাধাৰণ সম্পাদক সুনীল তিৰ্কীয়ে উদ্বোধনী ভাষণ প্ৰদান কৰিব। মুকলি সভাতে আটছাৰ প্ৰতিষ্ঠাপক সভাপতি-সম্পাদকৰ নামত প্ৰৱৰ্তন কৰা 'চাইমন সিং হ'ৰ'- সন্তোষ কুমাৰ টপ্ন বঁটা' শোণিতপুৰ জিলাৰ বিশিষ্ট লেখক, ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক নকুল কুৰ্মিক প্ৰদান কৰিব 'আটছা'ৰ নেতৃবৃন্দই। লক্ষ্মীমপুৰ জিলা চাহ জনজাতি ছাত্ৰ সন্থা, লক্ষ্মীমপুৰ জিলা চাহ জনজাতি মহিলা সন্থা, 'আটছা'ৰ শাখা সমিতি সমূহৰ লগতে লক্ষ্মীমপুৰবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথি ৰূপে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰীত্ৰয় পিযুষ হাজৰিকা, অতুল বৰা, ৰূপেশ গোৱালা, উত্তৰ লক্ষ্মীমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মুকুল চন্দ্ৰ বৰা, এনডি ২৪ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱা বিশেষ আমন্ত্ৰিত অতিথি আৰু লক্ষ্মীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, অসম বিধানসভাৰ বিধায়কত্ৰয় মানব ডেকা, দিগন্ত ঘাটোৱাল, কৃষ্ণ কমল তাঁতীয়ে আমন্ত্ৰিত অতিথি ৰূপে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে, অসমৰ বিভিন্ন দল-সংগঠনৰ নেতৃবৰ্গই অতিথি ৰূপে অংশগ্ৰহণ কৰিবলগীয়া 'আটছা'ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সন্ধিয়া সংগীতানুষ্ঠান উদ্বোধন কৰিব অসম চৰকাৰৰ যুৱ আয়োগৰ সদস্য ঋষিৰাজ হাজৰিকাই।

জিলা আয়ুক্ত আয়ুষ গৰ্গৰ দ্বাৰা উন্মোচন

# জ্ঞানকোষ নামকৰণেৰে এক নতুন ৰূপত শিৱসাগৰ জিলা পুথিভঁৰাল



**অসম বাৰ্তা, জয়সাগৰ, ১৯ ডিচেম্বৰ ঃ** কিতাপ পঢ়াৰ প্ৰতি ৰুচি আমাৰ প্ৰায় সকলোৰে আছে, আৰু সেই বাবেই পুথিভঁৰাল আমাৰ সকলোৰে বাবে এক পৰিচিত নাম। শিৱসাগৰ জিলা পুথিভঁৰালক এক আকৰ্ষণীয় আৰু নব্য ৰূপ দিয়াৰ প্ৰয়াস স্বৰূপে জিলা আয়ুষ গৰ্গৰ ঐকান্তিক প্ৰয়াসৰ ফলশ্ৰুতিত আজি শিৱসাগৰ জিলা পুথিভঁৰালে পালে এক আটকধুনীয়া আৰু আধুনিক স্বৰূপ "জ্ঞানকোষ" নামকৰণেৰে। নতুন ৰূপত প্ৰাণ লাভ কৰা জিলা পুথিভঁৰালৰ দ্বাৰ উন্মোচন কৰি জিলা আয়ুক্ত গৰাকীয়ে নিজ বক্তব্যত তেখেতৰ এই প্ৰচেষ্টাত সহযোগিতা কৰা সকলোকে আন্তৰিকতাৰে শলাগ লৈ ধন্যবাদ জ্ঞাপন কৰে। নুমলীগড় শোধনাগাৰ আৰু জিলা খনিজ কোষৰ আৰ্থিক সাহায্যৰে সম্পূৰ্ণ কৰা এই প্ৰকল্পত অতি কম সময়ৰ ভিতৰত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ ১৫০খন পুথিভঁৰাল ডিজিটেল মাধ্যমেৰে সংযোজিত হোৱাৰ লগতে প্ৰতিযোগিতামূলক পৰীক্ষাত অংশগ্ৰহণৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰ বাবেও পুথিভঁৰালখনক প্ৰস্তুত কৰি তোলা হৈছে বুলি জিলা আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে। ইয়াৰ লগতে পুথিভঁৰালটিত পঢুৱৈ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত এক সামূহিক ৰেডিঅ' (Community Radio) স্থাপনৰ পৰিকল্পনাৰ বিষয়েও তেওঁ উল্লেখ কৰে। "অত্যাধুনিক আন্তঃগাঁথনি সৃষ্টি ডাঙৰ কথা নহয়, ইয়াৰ সদব্যৱহাৰেহে ইয়াৰ সৰ্থকতাক মূল্যায়ন কৰিব", অনুষ্ঠানত জিলা আয়ুক্ত গৰাকীয়ে এনেদৰে বক্তব্য ৰাখে। প্ৰকল্পটোৰ নিৰ্মাণ সমিতিৰ সভাপতি তথা অতিৰিক্ত জিলা আয়ুক্ত গীতালি দুৱৰাই জিলা আয়ুক্তৰ লগতে লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা দুলাল বৰ্মন, জিলা গ্ৰন্থাগাৰিক নয়ন দাসৰ লগতে প্ৰকল্পটোত জড়িত প্ৰতিজন ব্যক্তিকে ধন্যবাদ জনায় আৰু এইক্ষেত্ৰত আৰ্কিটেক্ট পল্লৱ কুমাৰ চুতীয়া আৰু জ্যেষ্ঠ জিলা প্ৰশাসনীয় সহায়ক ভাস্কৰজ্যোতি দাসৰ নাম ধন্যবাদ সহকাৰে উল্লেখ কৰে। অনুষ্ঠানটোৰ আঁত ধৰে ড° লিপি ফুকনে। আজিৰ অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্তদ্বয় গীতালি দুৱৰা আৰু গৌৰীপ্ৰিয়া দেউৰী, সহকাৰী আয়ুক্তদ্বয় নিমাশ্ৰী ডাউকা আৰু কংকনা শইকীয়া, শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নেকিব চাঈদ বৰুৱা, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ সৌমাৰ জ্যোতি মহন্ত প্ৰমুখ্যে বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# বকোৰ ৰাজীৱ ভৱনত বকো ব্লক কংগ্ৰেছৰ গুৰুত্বপূৰ্ণ বৈঠক



**অসম বাৰ্তা, বকো, ১৯ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বকো ছয়গাঁও বিধানসভা সমষ্টিৰ বকোৰ ৰাজীৱ ভৱনত বকো ব্লক কংগ্ৰেছৰ আজি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰা হয়। কামৰূপ জিলা কংগ্ৰেছৰ নিৰ্দেশ মৰ্মে আজি বকোৰ ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত অনুষ্ঠিত হয় এই সভা খন। বকো ব্লক কংগ্ৰেছৰ সভাপতি অৰবিন্দ ৰাভাৰ তৎপৰতাত ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলে কি দৰে আগবাঢ়িব তাকে লৈ অনুষ্ঠিত হয় এই সভাখন। ইফালে সভাত বকো ছয়গাঁও বিধানসভা সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব প্ৰত্যাশী ক্ৰমে জনছন জে চাংমা, ৰমেনছিং ৰাভা, লাবন্য বড়ো, জি বি চাংমা উপস্থিত থাকে। মূলতঃ কংগ্ৰেছৰ নিচান পুনৰবাৰ বকো সমষ্টিত প্ৰতিষ্ঠা কৰাই লক্ষ্য আগত ৰাখি এনেদৰে অধিক তৎপৰ হোৱা গৈছে। উল্লেখ্য যে বিধানসভা নিৰ্বাচনলৈ আছে কেইটামান মাহ বাকী। কিন্তু তাৰ পূৰ্বে কংগ্ৰেছে বকো ছয়গাঁও সমষ্টি দখলৰ উদ্দেশ্যে উঠিপৰি লগা পৰিলক্ষিত হৈছে। সভাত জিলা গোৰ্খা কোষৰ সভাপতি কামাখ্যা চেত্ৰী, বকো ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদকদ্বয় ৰাম ডেকাৰ লগতে বকো ব্লক কংগ্ৰেছৰ অন্তৰ্গত বিভিন্ন মণ্ডল, বুথৰ পৰা কংগ্ৰেছ কৰ্মীসকল উপস্থিত থাকে।

# নামতি দ'ল মণ্ডলত সামূহিক উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, গেলেকী, ১৯ ডিচেম্বৰ ঃ** নাজিৰা শিক্ষাখণ্ডৰ অধীনৰ পি এম শ্ৰী ৮০৬ নং কৰুণাসাগৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগনত মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক লোহিত গগৈৰ তত্ত্বাৱধানত আজি নামতিদ'ল মণ্ডলৰ 'সামূহিক উৎসৱ' অনুষ্ঠানটি উদ্‌যাপন কৰা হয়। পুৱা এটি গছপুলি ৰোপণেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে যুৱ সমাজকৰ্মী অভিনৱ বৰপূজাৰীয়ে। ইয়াৰ পিছতেই বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে সমাজকৰ্মী অশোক ভট্টাচাৰ্যই। মণ্ডলৰ লগতে সমূহ সহযোগী বিদ্যালয়ৰ পতাকা উত্তোলনৰ পিছতেই অৱসৰী শিক্ষয়িত্ৰী ৰূপনৱালা হাজৰিকাই উদ্বোধন কৰে এটি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ। শোভাযাত্ৰাৰ পিছতেই মণ্ডলটোৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পিছতেই সহকাৰী শিক্ষক মহেন্দ্ৰ নাথে আঁত ধৰা আৰু প্ৰধান শিক্ষয়িত্ৰী ৰুমী তামোলীয়ে আদৰণী ভাষণ আগবঢ়োৱা মুকলি সভাত অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ আদেশানুসৰি আয়োজন কৰা সামূহিক উৎসৱৰ গুৰুত্বতা সম্পৰ্কত বক্তব্য প্ৰদান কৰে নাজিৰা শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি ব্ৰজবল্লভ দত্ত, নামতি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মৃদুস্মিতা চুতীয়া, অৱসৰী শিক্ষক অজিত শইকীয়াই। সহকাৰী শিক্ষক বিজয় হাজৰিকাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানটিত নামতিদ'ল মণ্ডলৰ বিদ্যালয় সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা, ছাত্ৰ-ছাত্ৰী সমন্বিতে প্ৰায় দুই শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে।

# ভাৰতীয় দলিত সাহিত্য অকাডেমীৰ ৰাষ্ট্ৰীয় অধিৱেশনত উপেন বৰুৱা সন্মানিত

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ১৯ ডিচেম্বৰ ঃ** নতুন দিল্লীত যোৱা ১২ ডিচেম্বৰত ভাৰতীয় দলিত সাহিত্য অকাডেমীৰ ৪১ তম ৰাষ্ট্ৰীয় অধিৱেশন উপলক্ষে অভয়াপুৰীৰ বিশিষ্ট সাহিত্যিক উপেন বৰুৱাক ড° আম্বেদকাৰ নেচলেন ফেলোস্বিপ এৱাৰ্ড, ২০২৫ ( ড° আম্বেদকাৰ ফেল্লোচিপ এৱাৰ্ড, ২০২৫) সন্মান বটাৰে সন্মানিত কৰে। উল্লেখযোগ্য যে উপেন বৰুৱাই চৰকাৰী কামত অতি ব্যস্ততাৰ মাজতো তেওঁ ইতিমধ্যেই ৯খন গ্ৰন্থ প্ৰকাশ কৰিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল- অভয়াপুৰীঃ অতীত আৰু বৰ্তমান, কোচ ৰাজবংশীসকল আৰু কিমান দিন উপেক্ষিত হৈ ৰ'ব, অতীতলৈ মনত পৰে, অভয়াপুৰীৰ কুইজ, মহৎ লোকৰ ৱাণী, কৌতুক, অসমৰ বিদেশী সমস্যাঃ এক অৱলোকন, দেৱদাৰু নগৰী অভয়াপুৰী (কাব্যগ্ৰন্থ) আৰু মহাযোদ্ধা চিলাৰায় আৰু সমকালীন ইতিহাস। এই গ্ৰন্থসমূহত স্থানীয় ইতিহাস, সংস্কৃতি, সামাজিক সমস্যা, সাহিত্য আৰু লোকজীৱনৰ নানান দিশ সুচাৰুৰূপে প্ৰকাশ পাইছে। বিশেষকৈ অভয়াপুৰীঃ অতীত আৰু বৰ্তমান গ্ৰন্থখন অঞ্চলটোৰ ঐতিহাসিক আৰু সাংস্কৃতিক বৈশিষ্ট্য উন্মোচন কৰি ইতিমধ্যেই পাঠকসমাজৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিছে। তেওঁ এই সন্মান লাভ কৰি কৃতজ্ঞতা প্ৰকাশ কৰি কয়, "এই সন্মান মোৰ ব্যক্তিগত নহয়, সমগ্ৰ অভয়াপুৰী তথা বঙাইগাঁও জিলাবাসীৰ।" তেওঁ এনেদৰে নিৰবিচিন্নভাৱে লিখি থাকক তাৰে কামনা কৰিছে এই অঞ্চলৰ সাহিত্যনুৰাগী ৰাইজে।

# সদৌ তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা

**অসম বাৰ্তা, গোৰেশ্বৰ, ১৯ ডিচেম্বৰ ঃ** তামোলপুৰ জিলাৰ অন্তৰ্গত নাগ্ৰীজুলিস্থিত গোৰ্খা ভৱনত আজি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা তামোলপুৰ জিলা সমিতিৰ প্ৰথম কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। জানিব পৰা মতে, সংগঠনটোৰ তামোলপুৰ জিলা সমিতিৰ সভাপতি টংক ভট্টৰাইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক বিপ্লৱ চিমৰীয়াই। উক্ত সভাত নৱগঠিত জিলা সমিতিখনৰ আগন্তুক কাৰ্যপন্থা আৰু সাংগঠনিক দিশ শক্তিশালী কৰাৰ সম্পৰ্কত বিষদভাৱে আলোচনা কৰা হয়। ইয়াৰোপৰি সভাত শৈক্ষিক দিশৰ ওপৰতো আলোকপাত কৰা হয়। ইফালে সভাখনতে সংগঠনটোৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ উপলক্ষে ডিব্ৰুগড় জিলাৰ দুলিয়াজানত অহা ২৬ আৰু ২৭ ডিচেম্বৰত অনুষ্ঠিতব্য সোণালী জয়ন্তী বৰ্ষ শুভাৰম্ভ সমাৰোহক সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত জিলা সমিতিখনৰ সহযোগিতা সম্পৰ্কেও আলোচনা কৰা হয়। উক্ত সভাত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আৰু সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাক ক্ষুৰদাৰ সমালোচনা আমিনুল ইছলামৰ

**অসম বাৰ্তা, ৰূপহীহাট, ১৯ ডিচেম্বৰ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই ৰূপহীহাটত আৰম্ভ হৈছে বোকা ছটিওৱাৰ ৰাজনীতি। ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাই ধিংৰ বিধায়ক আমিনুল ইছলামক সন্ত্ৰাসবাদীক সমৰ্থন জনাই জেলত গৈছিল বুলি এটা ৰাজহুৱা সভাত মন্তব্য কৰিছিল। ইয়াৰ পিছৰ পৰাই আৰম্ভ হয় দুই বিধায়কৰ বাকযুদ্ধ। ধিংৰ বিধায়ক আমিনুল ইছলামে অহা বিধান সভা নিৰ্বাচনত ৰূপহীহাটৰ পৰা নিৰ্বাচন খেলিব। যাৰ বাবে আমিনুল ইছলামে ৰূপহীহাট সমষ্টিৰ চুকে-কোণে চলাইছে ব্যাপক প্ৰচাৰ। ৰূপহীহাটত আমিনুল ইছলামৰ জনপ্ৰিয়তা দেখা পাই নুৰুল হুদা শংকিত হৈ পৰিছে আৰু মতিভ্ৰম ঘটিছে। নুৰুল হুদাৰ মতিভ্ৰম হোৱাৰ কাৰণে আমিনুল ইছলামৰ বিৰুদ্ধে সভাই সমিতিয়ে আবোল তাবোল প্ৰলাপ বকিব আৰম্ভ কৰিছে বুলি সংবাদ মাধ্যমৰ আগত আমিনুল ইছলামে মত প্ৰকাশ কৰে। বিধায়ক আমিনুল ইছলামে সংবাদ মাধ্যমৰ আগত কয় যে মই এতিয়ালৈকে চাৰিবাৰ জেলত গৈছো। মই সন্ত্ৰাসবাদীক সমৰ্থন কৰি জেলত যোৱা নাই। ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাই মিয়া জাতিৰ কাৰণে কি কৰিছে আৰু কি অৰিহণা আছে। ৰূপহী সমষ্টিৰ ৰাইজে অহা ২৬ ৰ বিধানসভা নিৰ্বাচনত নুৰুল হুদাক উচিত প্ৰত্যুত্তৰ দিব বুলি মন্তব্য কৰে আমিনুল ইছলামে।

# ধিঙৰ গেৰেকণি বিলত উচ্ছেদ অভিযান



**অসম বাৰ্তা, টুকটুকী, ১৯ ডিচেম্বৰ ঃ** ধিঙত আজি পুৱাৰে পৰাইনগাঁও জিলা প্ৰশাসনে আৰম্ভ কৰিলে বৃহৎ উচ্ছেদ অভিযান। প্ৰায় ৮০ বিঘা জলভূমি উচ্ছেদ কৰি বেদখল মুক্ত কৰিব গেৰেকণি বিল। ২০ ডিচেম্বৰ তাৰিখলৈ চলিব এই বৃহৎ উচ্ছেদ অভিযান। উচ্ছেদ অভিযানৰ বাবে ধিঙৰ তিনি খনকৈ স্থানত বাহৰ পাতিছে আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ বৃহৎ দলে। ধিঙৰ চালনাবৰী, ৰৌমাৰী বিলৰ সমান্তৰালকৈ আজি চলিছে গেৰেকণি বিলত এই উচ্ছেদ অভিযান। নগাঁও জিলা প্ৰশাসনে আজি পুৱা ৯ বজাৰ পৰা ধিঙৰ গেৰেকণিৰ জল ভূমিত উচ্ছেদ অভিযান আৰম্ভ কৰিছে। এফালে বৃহৎ আৰক্ষী বাহিনী আৰু আনফালে জেচিপি, শ্ৰমিকৰ হাতেৰে আৰম্ভ কৰিছে উচ্ছেদ অভিযান। উল্লেখ্য যে, বিগত বহু দিনৰ পৰাই একাংশ লোকে বোৱতি জলধাৰা বন্ধ কৰি বৃহৎ বৃহৎ পুখুৰী খান্দি মৎস্য পালন কৰাৰ ফলত বাৰিষাৰ সময়ত কৃত্ৰিম বানৰ সৃষ্টি হৈ আহিছিল। দীৰ্ঘদিনীয়া এনে এটা জটিল সমস্যা সমাধান হ'ব বুলি স্থানীয় লোকে চৰকাৰ তথা প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰে।

'পুথি হৈছে সভ্যতা-সংস্কৃতিৰ সোপান' - ড° দেৱজিৎ শইকীয়া

# মাজুলী মহাবিদ্যালয়ত 'গ্ৰন্থদান সপ্তাহ' আৰম্ভ




**অসম বাৰ্তা, উজনী মাজুলী, ১৯ ডিচেম্বৰ ঃ** অসম চৰকাৰে ২০২৫ বৰ্ষটো 'গ্ৰন্থবৰ্ষ' হিচাপে পালন কৰিবলৈ লোৱা সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত মাজুলীৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ে আজিৰে পৰা ২৫ ডিচেম্বৰলৈকে সপ্তাহজোৰা কাৰ্যসূচীৰে 'গ্ৰন্থদান সপ্তাহ' শীৰ্ষক এক গ্ৰন্থ সংগ্ৰহৰ কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই উপলক্ষে আজি দিনৰ ১১.০৫ বজাৰ পৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত আয়োজিত আৰম্ভণি অনুষ্ঠানত গ্ৰন্থাগাৰৰ পিতৃপুৰুষ ড° চিয়ালী ৰামামৃত ৰংগনাথনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই উক্ত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে গ্ৰন্থাগাৰত থকা সভাকক্ষত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত এখনি গ্ৰন্থদান সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে ৰাজ্যক চৰকাৰে এই বৰ্ষটো গ্ৰন্থবৰ্ষ হিচাপে ঘোষণা কৰি শিক্ষাৰ্থীসকলক কিতাপৰ প্ৰতি আকৃষ্ট কৰিবলৈ লোৱা পদক্ষেপ অতি আদৰণীয় বুলি কয়। সভাত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া আৰু অৰ্থনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰাই বিগত সময়ছোৱাত গ্ৰন্থ সংগ্ৰহৰ কাৰ্যসূচী গ্ৰহণৰ জৰিয়তে মাজুলী মহাবিদ্যালয়ে গ্ৰহণ কৰি অহা মহৎ প্ৰচেষ্টাৰ শলাগ লয় আৰু এই সংগ্ৰহ আন্দোলনে সমগ্ৰ মাজুলীৰ বৌদ্ধিক পৰিমণ্ডলত ইতিবাচক প্ৰভাৱ পেলাইছে বুলি কয়। সভাপতিৰ মন্তব্যত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়- 'পুথি হৈছে সভ্যতা-সংস্কৃতিৰ সোপান। পুথি-জখলাৰে বগাই এটা জাতি বহুদূৰ আগুৱাব পাৰে। এই পুথি দান অথবা সংগ্ৰহৰ সৈতে সম্পৃক্ত হোৱাটো বৰ মহৎ কৰ্ম। 'আজিৰ সভাত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, অধ্যাপক গীতাৰাণী গোস্বামী, প্ৰণীতা ৰাজখোৱা, অপূৰ্বজ্যোতি হাজৰিকা, দেৱজ্যোতি ভট্টাচাৰ্য, ড° ৰূপজ্যোতি বৰা, ড° দুলাল হাজৰিকা, ড° অৰূপ বুঢ়াগোহাঁই, ড° দেৱজ্যোতি ভট্টাচাৰ্য, আচাৰ্য মোহন দাস, বিজয় টিমুং, ড° বিশাল ভূঞা, বিশাল শইকীয়া, ড° শ্বাহনাজ আহমেদ, কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক পদ্মধৰ বৰুৱা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অধ্যক্ষৰ হাতত নিজাববীয়াকৈ গ্ৰন্থৰ টোপোলা আগ বঢ়ায়। সপ্তাহজোৰাকৈ অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থীসকলক পৰ্যায়ক্ৰেমে অংশ গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষৰ তৰফৰ পৰা অনুৰোধ জনোৱা হৈছে। আজিৰ সভাতে প্ৰতি বছৰে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজৰ পৰা নিয়মীয়াকৈ গ্ৰন্থাগাৰত উপস্থিত থাকি কিতাপ পঢ়োঁতাজনক নিৰ্বাচন কৰি 'বছৰৰ শ্ৰেষ্ঠ পঢুৱৈ' বঁটাৰে পুৰস্কৃত কৰা হ'ব কথা ঘোষণা কৰে।

# ৫৫ নং ধিং বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ ব্যাপক নিৰ্বাচনী তৎপৰতা

**অসম বাৰ্তা, টুকটুকী, ১৭ ডিচেম্বৰ ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনৰ বিভিন্ন সমষ্টিত আৰম্ভ হৈছে নিৰ্বাচনী কুচ- কাৱাজ। পিছ পৰি থকা নাই ৫৫ নং ধিং বিধানসভা সমষ্টি। সমষ্টিটোত এ আই ইউ ডি এফ, ৰাইজৰ দল আৰু বিজেপিৰ লগতে কংগ্ৰেছ দলেও চলাই গৈছে নিৰ্বাচনী কুছ-কাৱাজ। সমষ্টিটোত দেখা যায় কংগ্ৰেছ দলৰ তৎপৰতা। সংখ্যালঘু ভোটেৰে ভৰপূৰ সমষ্টিটোত কংগ্ৰেছ দলৰ দাবীদাৰ কুৰি জনতকৈ অধিক যদিও এইবাৰ সমষ্টিটোত সবল ভাবে উচ্চাৰিত হৈছে লাহৰিঘাট সমষ্টিৰ তিনিবাৰৰ প্ৰাক্তন বিধায়ক প্ৰয়াত আবুল কাচেমৰ সুযোগ্য সন্তান তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইনৰ নাম। হুছেইনে এক মাহ ধৰি সমষ্টিটোৰ হাটে-বজাৰে আৰু গাঁৱে-ভুঞে ঘূৰি ফুৰি কংগ্ৰেছৰ সক্ৰীয় কৰ্মীৰ লগতে সাধাৰণ ভোটাৰক সাক্ষাৎ কৰা পৰিলক্ষিত হয়। আনোৱাৰ হুছেইনে আজি ধিং সমষ্টিৰ এটা বৃহৎ কংগ্ৰেছী বাহিনী লগত লৈ সমষ্টিটোৰ অন্তৰ্গত ৰামপুৰ সত্ৰ পঞ্চায়তৰ হাইডুবি, ৰামপুৰ সত্ৰ আৰু কদমণি গাঁৱৰ কংগ্ৰেছৰ কৰ্মীৰ লগতে ভোটাৰৰ লগত মত-বিনিময় কৰা দেখা যায়। হুছেইনৰ এই কাৰ্য্যত আজি সংগ দিয়ে বটদ্ৰৱা ব্লক কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সম্পাদক আব্দুল বাৰিক আহমেদ, ধনীয়াভেটি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি মাইনুল হক চৌধুৰী, নগাঁও জিলা কংগ্ৰেছৰ সম্পাদক ফাইজ উদ্দিন আহমেদ, মুছাৰ প্ৰাক্তন সভাপতি আব্দুল মালেক আৰু ৰাজীৱ গান্ধী পঞ্চায়ত ৰাজ সংগঠনৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক ইক্ৰামুল হুছেইন চৌধুৰীয়ে।

# ৰংদৈ হাইস্কুলত এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ সজাগতা সভা

**অসম বাৰ্তা, যোৰহাট, ১৮ ডিচেম্বৰ ঃ** ১৭ ডিচেম্বৰ তাৰিখে ৰংদৈ উচ্চ ইংৰাজী বিদ্যালয়ত “এক্সপাৰ্ট টকচ”ৰ লগত সংগতি ৰাখি “এক ভাৰত শ্ৰেষ্ঠ ভাৰত”ৰ বিষয় সম্পৰ্কত এখনি সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক শান্তনু হাজৰিকাৰ পুৰুহিত্বত অনুষ্ঠিত সজাগতা সভাখনিত বৰ্তমান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখনে গ্ৰহণ কৰা এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ তাৎপৰ্য আৰু প্ৰাসংগিকতা ছাত্ৰ-ছাত্ৰী সকলক বুজায় কয়। তেখেতে ভাষণ প্ৰশংগত ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰীয়া ইতিহাস সামৰি বৰ্তমান চৰকাৰে বিশ্বৰ প্ৰথম শ্ৰেণীৰ ৰাষ্ট্ৰ হিচাপে ভাৰতক প্ৰতিষ্ঠা কৰাৰ দিশ সমূহৰ বহল ব্যাখ্যা আগবঢ়ায়। আভ্যন্তৰীণ সীমা সমস্যাৰ সমাধান, সামৰিক প্ৰতিৰক্ষা অধিক শক্তিশালী কৰা, জলপথ, স্থলপথ আৰু আকাশী পথৰ উন্নয়ন, ডিজিটেল ইণ্ডিয়া, মেক ইন ইণ্ডিয়া, স্কিল ইণ্ডিয়া, শিক্ষা, স্বাস্থ্য আৰু বিশুদ্ধ খোৱা পানীৰ সৰ্বাধিক উন্নয়ন, শিশুৰ অধিকাৰ আৰু জীৱন সুৰক্ষা, স্বচ্ছভাৰত অভিযান, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা উন্নয়ন, কৃষি অৰ্থনিতি, নিচামুক্তি ভাৰত, যক্ষ্মা মুক্ত ভাৰত, মহিলা সবলীকৰণ আদিৰ বিষয়ত সাৱলীল ভাৱে ছাত্ৰ-ছাত্ৰী সকলক বুজায় কয়। বিষয় শিক্ষক মানস জ্যোতি হাজৰিকাই আতধৰা সজাগতা সভাত চি আৰ চি চি উজ্জ্বল দত্ত, জ্যেষ্ঠ শিক্ষক অঞ্জন বৰা, টংকেশ্বৰ বৰাকে মুখ্য কৰি অন্যান্য শিক্ষক কৰ্মচাৰী সকলো উপস্থিত থাকে।

# খোৰাগাঁৱত বৃহৎ পৰিমাণৰ চোৰাং মূল্যবান কাঠৰ কুণ্ডা জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ১৮ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত খোৰাগাঁৱত আজি বন বিভাগে অভিযান চলাই বৃহৎ পৰিমাণৰ চোৰাং কাঠৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে খোৰাগাঁৱৰ দুঠাইত কোনো চোৰাং কাঠ ব্যৱসায়ীয়ে বৃহৎ পৰিমাণৰ মেহেগনি, চেগুন, গমাৰি আদি মুল্যবান গছৰ কুণ্ডা মজুত ৰখা বুলি অভয়াপুৰীৰ বন বিভাগে জানিব পাৰি ইয়াৰ বিৰুদ্ধে অভিযান চলাবলৈ মালেগড় উপবন খণ্ডৰ বনকৰ্মীক নিৰ্দেশ দিয়ে। পাছত আজি দুপৰীয়াৰ ভাগত অভিযান চলাই কাঠখিনি জব্দ কৰে। জব্দকৃত ৬০টা ৰো অধিক মেহেগনি চেগুন, গমাৰি কাঠৰ কুণ্ডা পাছত অভয়াপুৰীৰ বন বিভাগৰ কাৰ্যালয়লৈ অনা হয়। উল্লেখ্য যে কালিও বন বিভাগে ইয়াৰ নিকটবৰ্তী পাচনীয়াৰ পৰা ৫০ টাৰো অধিক মূল্যবান কাঠৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হৈছিল।

# জাগীৰোড নখোলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অহা ২৩, ২৪ আৰু ২৫ ডিচেম্বৰত অনুষ্ঠিত হ'ব সাংসদ খেল মহোৎসৱ ২০২৫

**অসম বাৰ্তা, ধৰমতুল, ১৮ ডিচেম্বৰ ঃ** জাগীৰোড সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী পীযূষ হাজৰিকা দেৱৰ পৃষ্ঠপোষকতাত অহা ২৩, ২৪ আৰু ২৫ ডিচেম্বৰ তিনিদিনীয়াকৈ জাগীৰোডত আয়োজন কৰা হৈছে সাংসদ খেল মহোৎসৱ ২০২৫। সদৌ নখোলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া উক্ত খেল মহোৎসৱত কাবাডী, খো-খোৰ লগতে আয়োজন কৰা হৈছে আন্তঃজিলা দিবা-নৈশ ক্ৰিকেট খেল প্ৰতিযোগিতা। ক্ৰিকেট খেল প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব নগদ এক লাখ টকা আৰু ট্ৰফী। আনহাতে দ্বিতীয় পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব নগদ ৬০ হাজাৰ টকাৰ লগতে ট্ৰফী। আনহাতে মেন অব দ্য ছিৰিজ হিচাপে শ্ৰেষ্ঠ খেলুৱৈৰ গৰাকীক প্ৰদান কৰা হ'ব হোণ্ডা চাইন ১২৫ এখন মটৰচাইকেল। ইতিমধ্যে উক্ত সাংসদ খেল মহোৎসৱ ২০২৫ ৰ প্ৰস্তুতি আৰম্ভ কৰিছে উদ্যোক্তা সমিতিয়ে। আজি খেলপথাৰ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয় জাগীৰোড গাঁও পঞ্চায়তৰ সভাপতি সোণজ্যোতি নাথ, নখোলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়া নবীন দেউৰী, সমাজকৰ্মী মনিদত্ত ডেকা, তৰুণ গোহাঁই, আজীৱ দে, ৰূপজ্যোতি কোঁৱৰ, নীল মুকুন্দ ডেকা আদিৰ লগতে ইস্থানীয় কেইবাজনো গৈন্যমান্য ব্যক্তি।

# ৰঙাচাহী মহাবিদ্যালয়ত একক প্ৰাইজমানি আধুনিক নৃত্য প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ডিচেম্বৰ ঃ** মাজুলীৰ উচ্চ শিক্ষানুষ্ঠান ৰঙাচাহী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সৌজন্যত মহাবিদ্যালয়ৰ সহযোগত সমাজকৰ্মী প্ৰয়াত মাখন চন্দ্ৰ নাথ আৰু সাবিত্ৰী দেৱীৰ সোঁৱৰণত অহা ইংৰাজী ৩০ জানুৱাৰী ২০২৬ ত আন্তঃমাজুলী ভিত্তিত এখনি একক প্ৰাইজমানি আধুনিক নৃত্য প্ৰতিযোগিতা আয়োজন কৰিছে। উক্ত নৃত্য প্ৰতিযোগিতাত ইচ্ছুক ১০ বছৰৰ প্ৰতিযোগী সকলে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিজোগিতাৰ প্ৰথম পুৰস্কাৰ ৫ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ৪ হাজাৰ টকা, তৃতীয় পুৰস্কাৰ ৩ হাজাৰ টকা, চতুৰ্থ পুৰস্কাৰ ২ হাজাৰ টকা, পঞ্চম পুৰস্কাৰ ২ হাজাৰ টকা, ষষ্ঠ পুৰস্কাৰ ২ হাজাৰ টকা, নিচুকনি পুৰস্কাৰ ১ হাজাৰ টকা আৰু উদগনি পুৰস্কাৰ ১ হাজাৰ টকা লাভ কৰিব। প্ৰতিযোগিতাৰ ভৰ্ত্তী মাচুল ২০০ টকা। প্ৰতিযোগীসকলে প্ৰতিযোগিতাৰ বিষয়ে জানিবলৈ ৭০৮৬৮৫৮৬৬৭ আৰু ৮০১১৫৩৮৫২৬ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোগতা সকলে জনাইছে।

# মাজুলীত অসম গণ পৰিষদ দলৰ সাংগঠনিক সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ডিচেম্বৰ ঃ** মাজুলী ৰতনপুৰ গায়ন আঞ্চলিক সমিতিৰ আজি এখন দলীয় সাংগঠনিক সভা সম্পন্ন হয়। সভাত সভাপতিত্ব কৰে ৰতনপুৰ গায়ন আঞ্চলিক সমিতিৰ সভাপতি অমৰ জ্যোতি মহন্তই। সভাত আঞ্চলিকৰ পুৰুষ মহিলা উপস্থিত থকাৰ উপৰিও জিলাৰ পৰা অহা জিলা উপ সভাপতি ৰূপজ্যোতি মহন্ত, জিলা সদস্য দুলাল তামূলী, উপেন্দ্ৰ দত্ত, বিশ্ব টায়ে, দক্ষিণ পুব মণ্ডল ৰ বিজয় বৰা, কেন্দ্ৰীয় অসম যুৱ পৰিষদৰ প্ৰশাসনিক সম্পাদক অনিৰুদ্ধ দত্ত, কাৰ্য্যালয় সম্পাদক প্ৰদীপ বৰুৱা, কৃষক পৰিষদৰ সম্পাদক ভুৱন বৰা আদি উপস্থিত থাকে। সভাত মাজুলী জিলা অগপ ৰ সভাপতি ব্ৰজেন গাম উপস্থিত থাকি দলীয় দিহা পৰামৰ্শ আগবঢ়ায়। উপস্থিত গণ্যমান্য ব্যক্তি সকলে আগন্তুক বিধান সভাত দলীয় প্ৰাৰ্থী প্ৰক্ষেপ ৰ বিষয়ে আলোচনা কৰে।

চাহ ফেক্টৰীৰ টিঙৰ পৰা পৰি শ্ৰমিকৰ মৃত্যু

# দেৰগাঁৱৰ ৰঙামাটিত কৰুণ ঘটনা

**অসম বাৰ্তা, দেৰগাঁও, ১৮ ডিচেম্বৰ ঃ** দেৰগাঁৱৰ ৰঙামাটিত কালি এক কৰুণ ঘটনা সংঘটিত হয়। প্ৰাপ্ত তথ্য মতে, কালি পুৱা ৰঙামাটিৰ বি এল টি নামৰ এটা চাহ ফেক্টৰীত কৰ্মৰত অৱস্থাত দেৰগাঁও গণকপুখুৰী হালোৱা গাঁৱৰ সূৰ্য কমল বৰা (২৫) নামৰ এগৰাকী যুৱ শ্ৰমিক টিঙৰ ওপৰৰ পৰা সৰি পৰে। ফলত ঘটনাস্থলীতে মৃত্যু হয় যুৱকজনৰ। দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে ফেক্টৰীৰ কৰ্তৃপক্ষই যুৱকজনক দেৰগাঁও সামূহিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ফেক্টৰীটোত কোনোধৰণৰ সুৰক্ষা ব্যৱস্থা অৱলম্বন নকৰা বুলি সহযোগী শ্ৰমিকসকলে অভিযোগ কৰিছে। এই বি এল টি নামৰ চাহ ফেক্টৰীটোত পূৰ্বতেও এনেধৰণৰ সাৱধানতা অৱলম্বন নকৰাৰ বাবে দুৰ্ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত দেৰগাঁও থানাৰ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে আৰু মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# গোহাঁইবাৰী খেলপথাৰত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত টিফুক ফুটবল একাদশ আৰু গেলেকী স্প'ৰ্টছ একাডেমী

**অসম বাৰ্তা, গেলেকী, ১৮ ডিচেম্বৰ ঃ** বৃহত্তৰ মিছাজান সন্মিলিত যুৱ সমাজৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত প্ৰয়াত ভাগ্যজ্যোতি বড়া সোঁৱৰণি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে টি, টি, এফ, চি, চি, জুনিয়ৰ ফুটবল একাদশ টিফুক আৰু গেলেকী স্প'ৰ্টছ একাডেমী ফুটবল একাদশ। যোৱা ১৭ ডিচেম্বৰত অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত টিফুক ফুটবল একাদশে লোণপূৰীয়া ফুটবল একাদশক ট্ৰাইবেকাৰৰ যোগেদি ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আজি অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত গেলেকী স্প'ৰ্টছ একাডেমী ফুটবল একাদশে ট্ৰাইবেকাৰৰ যোগেদি মেথনচোৱা বিহুৱৰ ফুটবল একাদশ দলক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অহা ইংৰাজী ২১ ডিচেম্বৰত প্ৰতিযোগিতাৰ চূড়ান্ত মেচখন খেলোৱা হ্ব বুলি উদ্‌যাপন সমিতিয়ে জানিবলৈ দিছে।

# বিদ্যালয় প্ৰাদেশিকীকৰণক লৈ গুৰুত্বপূৰ্ণ মন্তব্য বটিচিৰ শিক্ষা বিভাগৰ ইএম ৰবিৰাম নাৰ্জাৰীৰ

**অসম বাৰ্তা, দোতমা, ১৮ ডিচেম্বৰ ঃ** বিটিচি অঞ্চলৰ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণক লৈ এক গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে বটিচিৰ শিক্ষা বিভাগৰ ইএম ৰবিৰাম নাৰ্জাৰীয়ে। তেখেতে জনিবলৈ দিয়ে যে বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ উদ্দেশ্যে নতুন বিদ্যালয় প্ৰাদেশিকীকৰণ আইন প্ৰস্তুতৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। এই প্ৰক্ৰিয়াটো সুচাৰুভাৱে আগবঢ়াবলৈ বিটিচি চৰকাৰে ইতিমধ্যে এখন সমিতি গঠন কৰি দিছে। সমিতিখনে আইনখন প্ৰস্তুত কৰাৰ লগতে প্ৰাদেশিকীকৰণ সম্পৰ্কীয় সকলো দিশ পুংখানুপুংখভাৱে অধ্যয়ন কৰি আছে। আগন্তুক ডিচেম্বৰৰ ১০-১২ দিনৰ ভিতৰতে বিদ্যালয় প্ৰাদেশিকীকৰণ আইনখন সম্পূৰ্ণ হৈ উঠিব। তাৰ পাছতে বিধানসভাত আইনখন পাছ কৰাই বিটিচি অঞ্চলৰ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰা হ'ব।

# জুইত ভস্মীভূত ১৭০০টা ব্ৰইলাৰ মুৰ্গী, ৮ লক্ষাধিক টকাৰ ক্ষতি
# ৰূপহীহাটৰ ভাটিয়াখালিত ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, ৰূপহীহাট, ১৭ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ ১ নং ভাটিয়াখালিত আজি পুৱতি নিশা এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। ১ নং ভাটিয়াখালিৰ হবিবুৰ ৰহমানৰ ব্ৰইলাৰ ফাৰ্মত সংঘটিত হয় এই অগ্নিকাণ্ডৰ ঘটনা। উক্ত অগ্নিকাণ্ডৰ ফলত ব্ৰইলাৰ ফাৰ্মত থকা ১৭০০ ব্ৰইলাৰ মুৰ্গী জুইত জ্বলি ভস্মীভূত হয় যদিও আমবাগান অগ্নি নিৰ্বাপক বাহিনী আহি ফাৰ্মখনৰ টিনপাতখিনি জুইৰ পৰা ৰক্ষা কৰে। উক্ত অগ্নিকাণ্ডৰ ফলৰ ব্ৰইলাৰ ফাৰ্মখনৰ প্ৰায় ৮ লক্ষাধিক টকাৰ ক্ষতি হয়। বিদ্যুৎতৰ শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱাৰ সন্দেহ। হবিবুৰ ৰহমান নামৰ য়ুৱকজনে বেংকৰ পৰা ঋণ লৈ ব্ৰইলাৰ ফাৰ্মৰ ব্যৱসায় আৰম্ভ কৰিছিল। অগ্নিকাণ্ডৰ ফলত ফাৰ্মখন জুইত জ্বলি ভস্মীভূত হোৱাত এতিয়া য়ুৱকজনে চকুৰে সৰিয়হৰ ফুল দেখিছে। ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

# ইত্যাদিৰ উদ্যোগত “প্ৰতিধ্বনি-২০২৫”ৰ শুভ উদ্বোধন

**অসম বাৰ্তা, জাঁজী, ১৯ ডিচেম্বৰ ঃ** গুৱাহাটীত ইত্যাদি উত্তৰ-পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চৰ উদ্যগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব শাস্ত্ৰীয় বাঁহীৰ কৰ্মশালা। উজানবজাৰস্থিত বিবেকানন্দ কেন্দ্ৰ সাংস্কৃতিক প্ৰকল্পত দিল্লীৰ বিখ্যাত আৰ্ন্তৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন বাঁহীবাদক পণ্ডিত ৰাজেন্দ্ৰ প্ৰসন্নৰ তত্ত্বাৱধানত ২০ আৰু ২১ ডিচেম্বৰত পুৱা ১১ বজাৰ পৰা বিয়লি ৪ বজালৈ বাঁহীৰ ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ কৰ্মশালা অনুষ্ঠিত হ'ব। ইতিমধ্য ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে পশ্চিমবংগৰ পৰাও প্ৰায় অৰ্ধ শতাধিক প্ৰশিক্ষাৰ্থীয়ে অনলাইন ৰেজিষ্ট্ৰেচন কৰি অংশগ্ৰহণ নিশ্চিত কৰিছে। আৰ্ন্তৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মাৰ নামত উৎসৰ্গিত দুদিনীয়া কৰ্মশালাৰ দ্বিতীয় দিনা অৰ্থাৎ ২১ ডিচেম্বৰ তাৰিখে সন্ধিয়া ৫ঃ৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব গুৰুজীৰ বাঁহী বিশেষ সাংস্কৃতিক সন্ধিয়া। আনহাতে তেখেতৰ লগত তবলা সংগত কৰিব খ্যাতনামা তবলাবাদত কৌশিক কোঁৱৰে।

# কামৰূপ জিলাৰ উন্নয়ন সমিতিৰ বৈঠকত সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ ডিচেম্বৰ মাহৰ উন্নয়ন সমিতিৰ বৈঠকখন আজি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত পুৰগুৱাহাটী বন সংমণ্ডলৰ গড়ভঙ্গা বনাঞ্চলিক কাৰ্যালয়ৰ নাহৰ পাম বনাঞ্চলত অনুষ্ঠিত হয়। বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ, অমৃত সৰোবৰ, মহাত্মা গান্ধী এনেৰেগা, এ পি ডি চিএল, শিক্ষা, লোক নিৰ্মাণ পথ আৰু গৃহ, লোকনিৰ্মাণ ৰাষ্ট্ৰীয় ঘাই পথ, জনস্বাস্থ কাৰিকৰী বিভাগৰ জল জীৱন মিছন, স্বাস্থ্য, কৃষি কাৰিকৰী, কৃষি বিভাগৰ- পি এম কিষাণ, কৃষকৰ পঞ্জীয়ন, ৰবি শস্যৰ বীমা, সমাজ কল্যাণ, পৌৰ সভা, খাদ্য বিতাৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, ভূমি সংৰক্ষণ, মীন, পশুপালন আৰু পশু চিকিৎসা, হস্ততাঁত আৰু বস্ত্ৰ শিল্প, জলসিঞ্চন, উদ্যোগ আৰু বাণিজ্য, জলসম্পদ, বন, কৰ্মচাৰী নিয়োগ আদি বিভাগৰ অধীনত চলি থকা আঁচনি সমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজিৰ বৈঠকতে বিভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ মূৰব্বী বিষয়াসকলক তেওঁলোকৰ বিভাগৰ অধীনত চলি থকা বিভিন্ন উন্নয়নমূলক আঁচনি তথা প্ৰকল্পৰ কামসমূহ সময়মতে ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট বিভাগ সমূহক নিৰ্দেশ দিয়ে। বৈঠকত আয়ুক্ত গৰাকীয়ে লোকনিৰ্মাণ (গৃহ) বিভাগক ফৰেনচিক মহাবিদ্যালয়ৰ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ খণ্ড উন্নয়ন বিষয়া সকলক নিৰ্দেশ প্ৰদান কৰে। বৈঠকৰ আৰম্ভণিতে আন্তঃবিভাগীয় আৰু যোৱা মাহৰ বৈঠকত প্ৰদান কৰা নিৰ্দেশনা সমূহৰ খতিয়ান গ্ৰহণ কৰে। আজিৰ বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে আদিত্য গগৈ আৰু গীতাশ্ৰী লাচিত, ৰঙিয়া সম-জিলা আয়ুক্ত দেবাশীষ গোস্বামী আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# লক্ষ্মীমপুৰৰ চাহ শ্ৰমিকৰ সন্তান কেশৱ চাওৰ সফলতা



**অসম বাৰ্তা, লীলাবাৰী, ১৯ ডিচেম্বৰ ঃ** ৰাজীৱ গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ স্নাতকোত্তৰ মহলাৰ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰিছে লখিমপুৰ জিলাৰ চিয়াজুলি চাহ বাগিচাৰ শ্ৰমিকৰ সন্তানে। বিশ্ববিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগত চলিত বৰ্ষৰ শ্ৰেষ্ঠ ছাত্ৰ কেশৱ চাওৱে লাভ কৰিছে সোণৰ পদক। চিয়াজুলি চাহ বাগিচাৰ শ্ৰমিক কুন্তী চাও আৰু গোপাল চাওৰ পুত্ৰ কেশৱ চাওৱে স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল নৱজ্যোতি মাধ্যমিক বিদ্যালয়ৰ পৰা। পৰৱৰ্তী সময়ত তেখেতে ২ নং লালপানী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা নৱম আৰু দশম শ্ৰেণী অধ্যয়ন কৰে। ২০১৮ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কেশৱে প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ২০২০ বৰ্ষত দীৰ্ঘা মাজগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হয়। ৰাজনীতি বিজ্ঞান বিষয়টোক গুৰু-বিষয় হিচাপে বাছনি কৰি কেশৱে উত্তৰ লক্ষ্মীমপুৰ মহাবিদ্যালয়ত নামভৰ্তি কৰে। মহাবিদ্যালয়খনত অধ্যয়নৰত সময়চোৱাত তেখেতে সাহিত্য চৰ্চাত ব্ৰতী হৈ ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত অনুষ্ঠিত কবিতা আৰু প্ৰবন্ধ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ কবিতা, প্ৰবন্ধ অসমৰ দৈনিক বাতৰি কাকত- অসম বাৰ্তা, দৈনিক অসম, নিয়মীয়া বাৰ্তা, আমাৰ অসম, দৈনিক গণ অধিকাৰ, দৈনিক জনমভূমি, প্ৰতিদিন আৰু প্ৰান্তিক, গৰীয়সী, সাতসৰী, প্ৰকাশ, অন্যযুগ আদি মাহেকীয়া আলোচনীত প্ৰকাশ হৈ আহিছে। ২০২২ বৰ্ষত তেখেতে ‘টিপচাকি’ শীৰ্ষক কবিতাৰ পাণ্ডুলিপিৰ বাবে ‘লক্ষেশ্বৰ হাজৰিকা স্পন্দন বঁটা’ লাভ কৰাৰ লগতে ২০২৩ বৰ্ষত ‘কবি টিকেন্দ্ৰজিৎ গগৈ বঁটা’ লাভ কৰে। উত্তৰ লক্ষ্মীমপুৰ মহাবিদ্যালয়ৰ পৰা ২০২৩ বৰ্ষত ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা সসন্মানে সোণৰ পদক লাভ কৰে। তেখেত বৰ্তমান গৱেষণামূলক কামকাজৰ সৈতে জড়িত হৈ আছে।

# অভয়াপুৰীত চেতনা দিৱস উদ্‌যাপন




**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ১৯ ডিচেম্বৰ ঃ** অভয়াপুৰী সাহিত্য ভৱনত বঙাইগাঁও জিলা কবি সন্মিলনৰ উদ্যোগত কালি অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ ১৪০ সংখ্যক জন্মদিন “চেতনা দিৱস”টি উদ্‌যাপিত হয় বুলি সভাৰ কাৰ্যকৰী সভাপতি পুলক দাসে জানিবলৈ দিয়ে। অনুষ্ঠানটিত অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট কবি, সুলেখিকা ড° মৰমী বৰঠাকুৰ তালুকদাৰে। তাৰ পিছতেই শিৱেন ৰায় আৰু ৰাজেন ৰায়ৰ যৌথ তত্ত্বাবধানত স্থানীয় কণ কণ ল'ৰা-ছোৱালীৰ এটি দলে “বন্দো কি ছন্দেৰে” শীৰ্ষক সমবেত গীত পৰিৱেশনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে। অনুষ্ঠানটিলৈ সমল ব্যক্তি হিচাপে নিমন্ত্ৰিত হৈ ৰায়চৌধুৰীদেৱৰ জীৱন আৰু কৃতিৰ ওপৰত সাৰগৰ্ভ ভাষণ প্ৰদান কৰে অভয়াপুৰী শতদল শাখা সাহিত্য সভাৰ সভাপতি ৰমেশ নাথে। তাৰ পিছতেই বঙাইগাঁও জিলা কবি সন্মিলনৰ সভাপতি নুৰুল ইছলামৰ সঞ্চালনাত অনুষ্ঠিত কবিতা পাঠ অনুষ্ঠানত কবিতা পাঠ কৰে ডঃ মৰমী বৰঠাকুৰ তালুকদাৰ, শ্বাহ আলম, উপেন বৰুৱা, ইক্ৰামূল ইছলাম, সীমান্ত কলিতা, মীনা কুমাৰী মণ্ডল, অনুস্মিতা ফুকন, প্ৰভাৱতী মজুমদাৰ, পুলক দাস, অলক চন্দ্ৰ ৰায়, অংকুৰ দাস, কিমিমনি ডেকা, ৰজত কুমাৰ ঘোষ, মাণিক মেধিকে ধৰি কেইবাগৰাকী ন-পুৰণি কবিয়ে। কণ্ঠশিল্পী তনুপ্ৰিয়া কলিতাই অম্বিকাগিৰী ৰায়চৌধুৰীদেৱে ৰচনা কৰা গীত পৰিৱেশনেৰে অনুষ্ঠানটিক জীপাল কৰি তোলে। অনুষ্ঠানত উপস্থিত থাকি চমু অথচ তাৎপৰ্যপূৰ্ণ ভাষণ প্ৰদান কৰে কৰ্মসূত্ৰে অভয়াপুৰীত থকা গুৱাহাটীৰ সুলেখক দিগন্ত বৰুৱাই। অনুষ্ঠানটিত আদিৰ পৰা অন্তলৈ উপস্থিত থাকি সহযোগ কৰা বঙাইগাঁও জিলা সাহিত্য সভাৰ সভাপতি কালীন্দ্ৰ দেৱশৰ্মাই এটি শুভেচ্ছাজ্ঞাপক বক্তব্য প্ৰদান কৰাৰ উপৰিও এটি কবিতা পাঠ কৰে। সদৌ শেষত বঙাইগাঁও জিলা কবি সন্মিলনৰ সম্পাদক অংকুৰ দাসে শলাগৰ শৰাই আগবঢ়ায় আৰু জাতীয় সংগীতেৰে কাৰ্যসূচীৰ ওৰ পৰে।

# ৰংপুৰ যুৱ মৰ্চাৰ উদ্যোগত দিখৌমুখত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৯ ডিচেম্বৰ ঃ** ভাৰতীয় জনতা যুৱ মৰ্চাৰ শিৱসাগৰ জিলাৰ ৰংপুৰ মণ্ডল সমিতিৰ উদ্যোগত দিখৌমুখৰ তেলীয়াদোঙাত কালি শিৱসাগৰ ই.আৰ.চি. আই কেয়াৰ হস্পিতেলৰ সহযোগত এক বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। শিবিৰটি আনুষ্ঠানিকভাৱে মুকলি কৰে শিৱসাগৰ জিলা যুৱ মৰ্চাৰ সভাপতি সমীৰণ বৰদলৈয়ে। শিবিৰ মুকলি কৰি বৰদলৈয়ে ভাষণ প্ৰসংগত ৰংপুৰ মণ্ডল যুৱ মৰ্চাৰ সভাপতি নিৰঞ্জন হাজৰিকাৰ লগতে প্ৰতিগৰাকী বিষয়ববীয়াৰ উদ্যোগক প্ৰশংসা কৰি চকু পৰীক্ষা শিবিৰৰ জৰিয়তে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ৰোগী সকল লাভান্বিত হব বুলি উল্লেখ কৰে। এই শিবিৰৰ যোগেদি ৰোগী সকলে চকুৰ কেটৰেক্ট অপাৰেচন সম্পূৰ্ণ বিনামূলীয়াকৈ কৰিব পাৰে। এই সুবিধা প্ৰদান কৰাৰ বাবে বৰদলৈয়ে ই.আৰ.চি. আই কেয়াৰ হস্পিতেলৰ পৰিচালক-চিকিৎসকক কৃতজ্ঞতা জ্ঞাপন কৰে। বহু সংখ্যক লোকে অংশগ্ৰহণ কৰা শিবিৰটি মুকলি অনুষ্ঠানত ৰংপুৰ মণ্ডল যুৱ মৰ্চাৰ সভাপতি নিৰঞ্জন হাজৰিকা, দিখৌমুখ পঞ্চায়তৰ সভানেত্ৰী প্ৰণীমা সাউদ, সমাজকৰ্মী বিপ্লৱ বৰুৱা, জিলা যুৱ মৰ্চাৰ চন্দন বৰা, ঋতুপৰ্ন্ন শইকীয়া, ৰংপুৰ মণ্ডল যুৱ মৰ্চাৰ সাধাৰণ সম্পাদকদ্বয় মানস বড়া আৰু সমৰ দত্ত, বুথ সভাপতি মহেশ ভৰালীৰ লগতে মণ্ডল সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকে। শিবিৰটিত ই.আৰ.চি আই কেয়াৰ হস্পিতেলৰ চিকিৎসক পংকজ সন্দিকৈ, চিকিৎসালয়ৰ শিবিৰ আয়োজক অভিজিত বড়া আৰু কাৰিকৰী সহায়ক ৰাজকমল দত্তই সেৱা আগবঢ়ায়।

পিতৃয়ে হত্যা কৰিলে দুই সন্তান আৰু পত্নীক

# ধিঙৰ কাছকাটিত চাঞ্চল্যকৰ হত্যাকাণ্ড

**অসম বাৰ্তা, বটদ্ৰৱা, ১৯ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ ধিঙৰ কাছকাটিত আজি নিশা দুই বজাত সংঘটিত হয় এক গাৰ নোম শিয়ঁৰি উঠা চাঞ্চল্যকৰ হত্যাকাণ্ড। কাছকাটিৰ এমদাদুল ইছলামে পাৰিবাৰিক কন্দলৰ বাবেই সংঘটিত কৰিলে এই হত্যাকাণ্ডটো। শুই থকা অৱস্থাত নিশা ২ বজাত কোঠাৰেৰে ঘপিয়াই হত্যা কৰে নিজ পত্নী আৰু দুই জীয়ৰীক এমদাদুল ইছলামে। পত্নীৰ নাম তাজমিনা খাতুন আৰু দুই জীয়ৰী কন্যাৰ নাম ক্ৰমে দিল হান হাছান, আৰহান হাছান। ধিং আৰক্ষীয়ে ঘটনা সন্দৰ্ভত এমদাদুল ইছলামক পুৱাই গ্ৰপ্তাৰ কৰিছে বুলি জানিব পৰা গৈছে। ইফালে, মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে প্ৰশাসনে। ঘটনা সন্দৰ্ভত ধিং আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## সম্পাদকীয়

# বিলম্বিত সাহিত্য অকাডেমী বঁটা ঃ অপেক্ষা, অস্বস্তি আৰু কেইটামান প্ৰশ্ন

ভাৰতীয় সাহিত্য জগতৰ বাবে ডিচেম্বৰ মাহটো সদায়ে এক উত্তেজনাপূৰ্ণ সময়। সাহিত্য অকাডেমীৰ বাৰ্ষিক বঁটাৰ ঘোষণাৰ এই উত্তেজনাই চূড়ান্ত ৰূপ পায়। কিন্তু এইবাৰৰ ঘটনাপ্ৰবাহে অৱস্থাটোক উত্তেজনাপূৰ্ণতকৈ অধিক অস্বস্তিদায়ক কৰি তুলিছে। ১৮ ডিচেম্বৰত বিয়লি ৩ বজাত ধাৰ্য্য কৰা সংবাদ সন্মিলনখন হঠাতে বাতিল হোৱা আৰু ২০২৫ বৰ্ষৰ বঁটা বিজয়ীসকলৰ নাম ঘোষণাত হোৱা এই অনিৰ্দিষ্ট বিলম্বে সাহিত্যিক সমাজকে ধৰি সাধাৰণ পাঠক-সমাজৰ মনত বহুতো প্ৰশ্নৰ উদয় কৰিছে। নিৰ্ধাৰিত তাৰিখত বঁটা ঘোষণা নোহোৱাটোৱে এটা সুস্থ প্ৰতিষ্ঠানৰ কাৰ্যকৰী শৃংখলাত হোৱা বিচ্ছিন্নতাৰ ইংগিত দিয়ে। বিভিন্ন ভাষাৰ নিখুঁত সদস্যসকলে চূড়ান্ত সিদ্ধান্তত উপনীত হ'ব পৰা নাই। এটা ফালৰ পৰা চালে, এইটো জুৰীৰ দায়িত্বশীলতা আৰু সততাৰেই প্ৰমাণ। সোনকালে সিদ্ধান্ত ল'বলৈ হেঁচা প্ৰয়োগ কৰাতকৈ গুণগত মানদণ্ড ৰক্ষা কৰি যুক্তিসংগত সিদ্ধান্তলৈ উপনীত হোৱাটোৱেই যে শ্ৰেয়, সেই কথাত দ্বিমত নাই। কিন্তু আনফালে, ইয়াৰ দ্বাৰা সাহিত্য অকাডেমীৰ অভ্যন্তৰীণ নিষ্পত্তি প্ৰক্ৰিয়াৰ সম্ভৱতঃ জটিলতা আৰু অদক্ষতাই ওলাই পৰিছে। সাধাৰণ মানুহে ভাবিব পাৰে- ইমানদিনলৈকে নিষ্পত্তি সমিতিবোৰে কাম কৰিলে নেকি? প্ৰক্ৰিয়াটোতনো ক'ত ৰোধ আছিল? এই বিলম্বই কেৱল এটা প্ৰশাসনিক বিলম্ব নহয়; ইয়াৰ প্ৰভাৱ সাহিত্যিক পৰিৱেশ আৰু ব্যক্তি জীৱনলৈকে পৰিছে। যিসকল লেখক-সাহিত্যিকসকল সম্ভাব্য প্ৰাপক হ'ব পাৰে, তেওঁলোকৰ মানসিক অস্থিৰতা, অপেক্ষাৰ চাপ বুজিব পৰা যায়। লগতে, সাহিত্যৰ চৰ্চা কৰা অন্যান্যসকলৰ মনতো স্বাভাৱিকতে কৌতূহল আৰু উৎসুকতাৰ সলনি হতাশাহে বাঢ়িছে। সাহিত্যিক সন্মান এনেদৰে অনিৰ্ধাৰিত সময়লৈ ঠেলি ৰখাটোৱে সন্মানৰ গুৰুত্ব কমাই দিয়াৰ দৰে অনুভৱ হয়। আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল ইয়াৰ দ্বাৰা সাহিত্য অকাডেমীৰ স্বচ্ছতা আৰু বিশ্বাসযোগ্যতালৈ সৃষ্টি হোৱা চিন্তা। দেশৰ অন্যতম সন্মানীয় সাহিত্য বঁটাৰ এই অনিশ্চয়তাই প্ৰতিষ্ঠানটোৰ ওপৰত থকা বিশ্বাসত কুঠাৰাঘাত হানিছে। সাধাৰণ লোকসকলৰ মনত উদ্ভৱ হোৱা প্ৰশ্নবোৰ সহজ - এই বিলম্বৰ প্ৰকৃত কাৰণটো কি? নে কিবা মতবিৰোধ বা বাহ্যিক চাপ ইয়াৰ কাৰণ? প্ৰক্ৰিয়াটোত সঁচাকৈয়ে নিৰপেক্ষতা ৰক্ষা হৈছেনে? বিলম্বৰ বাবে দায়ীসকলৰ ওপৰত জবাবদিহিতাৰ ব্যৱস্থা আছে নে? সাহিত্য অকাডেমীয়ে ভাৰতৰ বহুভাষিক সাহিত্যৰ প্ৰাণকেন্দ্ৰ হিচাপে কাম কৰে। ইয়াৰ কাৰ্যকাল সম্পূৰ্ণ স্বচ্ছ আৰু সময়ানুৱৰ্তী হোৱাটো জৰুৰী। এই অনাকাংক্ষিত পৰিস্থিতিৰ পৰা সোনকালে ওলাই আহি শীঘ্ৰে নতুন আৰু চূড়ান্ত তাৰিখটো নিৰ্দ্ধাৰণ কৰাটো প্ৰতিষ্ঠানটোৰ দায়িত্ব। লগতে, ভৱিষ্যতত এনে অৱস্থাৰ পুনৰাবৃত্তি নহয়, তাৰ বাবে অভ্যন্তৰীণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণও আৱশ্যক। অপেক্ষা আৰু অনিশ্চয়তাৰ মাজতো আমাৰ বিশ্বাস ৰাখিবলগীয়া হৈছে যে সাহিত্যৰ মানদণ্ড ৰক্ষাৰ নামত নিৰ্বাচকসকলে সতৰ্ক হৈছে। আশা কৰোঁ, এই অচল অৱস্থাৰ অন্ত পেলাই সাহিত্য অকাডেমীয়ে অতি সোনকালে দেশৰ সাহিত্যক ক্ষণিকৰ বাবে নহয়, শাশ্বতভাৱে উজ্জ্বল কৰি তোলা সৃষ্টিকৰ্তাসকলক সন্মানিত কৰাৰ মহান দায়িত্ব সম্পন্ন কৰিব।

◀◀ বৰ্তমান সময়ত দেখা দিয়া গ্ৰন্থকেন্দ্ৰিক তৎপৰতা আৰু উৎসাহ নিশ্চিতভাৱে আদৰণীয়। অসমৰ দৰে এখন ৰাজ্যত, য'ত ভাষা-সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম চলি থাকে, তাত গ্ৰন্থমেলাসমূহৰ জনপ্ৰিয়তাই জাতিটোৰ জীৱনীশক্তিৰ প্ৰমাণ দিয়ে। কিন্তু এই উৎসাহক কেৱল বাৰ্ষিক উৎসৱৰ মাজতে আৱদ্ধ নাৰাখি তাক এক নিৰন্তৰ সাধলৈ ৰূপান্তৰ কৰাৰ সময় আহিছে। লেখক, প্ৰকাশক, পাঠক আৰু সমালোচক, এই চাৰিওটা স্তম্ভৰ মাজত এক সুস্থ আৰু গঠনমূলক সম্পৰ্ক গঢ়ি উঠিলেহে এই বিপ্লৱে পূৰ্ণতা পাব। আমি কিতাপ কিনিব লাগিব, পঢ়িব লাগিব আৰু আটাইতকৈ ডাঙৰ কথা পঢ়া কথাখিনি জীৱনত প্ৰয়োগ কৰিব লাগিব। ডিজিটেল ধুমুহাৰ মাজতো ছপা কিতাপৰ গোন্ধ আৰু স্পৰ্শই মানুহক যি তৃপ্তি দিয়ে, সেয়া চিৰকাল অমলিন হৈ থাকিব। ▶▶

# বৌদ্ধিক জাগৰণ নে বাণিজ্যিক সমীকৰণ?

**চন্দন কুমাৰ নাথ**


মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ইতিহাসত চকাৰ আৱিষ্কাৰৰ পাছতেই যদি কোনোবাটো আৱিষ্কাৰে মানুহৰ চিন্তাধাৰাক আমূল পৰিৱৰ্তন কৰিছিল, তেন্তে সেয়া হ'ল লিপি আৰু ছপাশালৰ আৱিষ্কাৰ। জ্ঞানৰ অন্বেষণ আৰু সংৰক্ষণৰ বাবে মানুহে গুহাচিত্ৰৰ পৰা আৰম্ভ কৰি সাঁচিপাতলৈ আৰু তাৰ পৰা আধুনিক কাগজলৈ যি যাত্ৰা অতিক্ৰম কৰিছে, সেয়া এক ৰোমাঞ্চকৰ ইতিহাস। বৰ্তমান সময়ত আমি সঘনে 'গ্ৰন্থ বিপ্লৱ' বা 'গ্ৰন্থ আন্দোলন' শব্দকেইটি ব্যৱহাৰ কৰা দেখিবলৈ পাওঁ। বিশেষকৈ শীতৰ আগমনৰ লগে লগে অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা গ্ৰন্থমেলাসমূহৰ জনসমাগম আৰু কিতাপ বিক্ৰীৰ পৰিসংখ্যালৈ চাই বহুতে ইয়াক এক বিপ্লৱ বুলি অভিহিত কৰে। কিন্তু এজন সমাজ সচেতন পাঠক বা পৰ্যবেক্ষক হিচাপে এই তথাকথিত বিপ্লৱৰ আন্তঃস্ৰোত ফঁহিয়াই চোৱাটো অতি প্ৰয়োজনীয়। গ্ৰন্থ কেৱল চপা আখৰৰ সমষ্টি নহয়, ই একোটা জাতিৰ বৌদ্ধিক মানদণ্ডৰ পৰিচায়ক। সেয়েহে, এই গ্ৰন্থ বিপ্লৱৰ স্বৰূপ, ইয়াৰ প্ৰভাৱ আৰু ভৱিষ্যত সম্পৰ্কে এক নিৰ্মোহ বিশ্লেষণৰ প্ৰয়োজন আহি পৰিছে।

ঐতিহাসিক দিশৰ পৰা চালে দেখা যায় যে অসমীয়া সমাজত গ্ৰন্থৰ আদৰ শতিকাজুৰি বিৰাজমান। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ হাতত গঢ় লৈ উঠা নৱবৈষ্ণৱ ধৰ্ম আছিল মূলতঃ গ্ৰন্থকেন্দ্ৰিক। সাঁচিপাতত লিখা একোখন পুথি সংৰক্ষণ কৰিবলৈ তেতিয়াৰ সমাজে যি ত্যাগ আৰু ভক্তি প্ৰদৰ্শন কৰিছিল, সেয়া আছিল জ্ঞানৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধা। উনবিংশ শতিকাত মিছনাৰীসকলৰ ছপাশাল আৰু 'অৰুণোদয়'ৰ জৰিয়তে অসমত মুদ্ৰিত গ্ৰন্থৰ যি প্ৰথমটো জোৱাৰ আহিছিল, সি অসমীয়া জাতীয়তাবাদ আৰু সাহিত্যক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। সেই ধাৰা আজিও প্ৰৱহমান। কিন্তু বৰ্তমান সময়ৰ 'গ্ৰন্থ বিপ্লৱ' সেই ঐতিহাসিক ধাৰাৰ পৰা কিছু পৃথক। আজিকালি গ্ৰন্থ কেৱল জ্ঞানৰ বাহক হৈ থকা নাই, ই এক বিৰাট অৰ্থনৈতিক বজাৰ আৰু সামাজিক মৰ্যাদাৰ প্ৰতীকৰূপেও থিয় দিছে। প্ৰতিবছৰে গ্ৰন্থমেলাত কোটি কোটি টকাৰ কিতাপ বিক্ৰী হয়, হেজাৰ হেজাৰ নতুন কিতাপ উন্মোচন হয়। সংখ্যাৰ ফালৰ পৰা চালে ই নিশ্চিতভাৱে এক বিপ্লৱ। কিন্তু গুণগত মানৰ ফালৰ পৰা আমি কিমান আগুৱাই গৈছোঁ, সেই প্ৰশ্নটোৱে সচেতন মহলক মাজে মাজে আমনি কৰে।

গ্ৰন্থ বিপ্লৱৰ এই সময়ছোৱাত আটাইতকৈ চৰ্চিত বিষয়টো হ'ল— পঠন অভ্যাসৰ পৰিৱৰ্তন। এটা ধাৰণা প্ৰচলিত আছে যে ডিজিটেল মাধ্যমৰ আগ্ৰাসনৰ ফলত মানুহৰ কিতাপ পঢ়াৰ অভ্যাস কমি গৈছে। কিন্তু গৱেষণা আৰু গ্ৰন্থমেলাৰ ভিৰলৈ লক্ষ্য কৰিলে দেখা যায় যে পঢ়ুৱৈৰ সংখ্যা কমা নাই, বৰঞ্চ পঢ়াৰ মাধ্যম আৰু বিষয়বস্তুৰ সলনি হৈছে। আজিৰ নতুন প্ৰজন্মই কেৱল ছপা কিতাপতে আৱদ্ধ নাথাকি ই-বুক, কিণ্ডল (Kindle) বা পিডিএফৰ জৰিয়তেও বিশ্ব সাহিত্যৰ ৰস পান কৰিছে। এই ডিজিটেল বিপ্লৱক গ্ৰন্থ বিপ্লৱৰ পৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি। বিশ্বৰ যিকোনো প্ৰান্তত প্ৰকাশিত হোৱা এখন কিতাপ আজি নিমিষতে এজন অসমীয়া পাঠকৰ হাতত আহি পৰে। ই নিশ্চিতভাৱে জ্ঞানৰ গণতান্ত্ৰিকীকৰণ। কিন্তু ইয়াৰ এটা নেতিবাচক দিশো নথকা নহয়। ছচিয়েল মিডিয়াৰ চুটি লিখনি আৰু ক্ষিপ্ৰ বিনোদনে মানুহৰ ধৈৰ্য শক্তি কিছু পৰিমাণে হ্ৰাস কৰিছে। ফলস্বৰূপে, গভীৰ চিন্তা, দৰ্শন বা গৱেষণাধৰ্মী গ্ৰন্থৰ পৰিৱৰ্তে লঘু বিনোদনধৰ্মী বা পপ-ফিকচনৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। গ্ৰন্থ বিপ্লৱ সঁচাকৈ সাৰ্থক হ'বলৈ হ'লে পাঠকৰ আগ্ৰহ লঘু সাহিত্যৰ পৰা গধুৰ চিন্তাশীল সাহিত্যলৈ ধাৱমান হোৱাটো জৰুৰী। আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল প্ৰকাশন উদ্যোগৰ ব্যৱসায়িকীকৰণ আৰু মানদণ্ডৰ প্ৰশ্ন। বৰ্তমান প্ৰযুক্তিৰ সহজলভ্যতাৰ বাবে কিতাপ প্ৰকাশ কৰাটো আগৰ তুলনাত বহুত সহজ হৈ পৰিছে। ইয়াৰ ফলত বহুতো প্ৰতিভাশালী নতুন লেখকে আত্মপ্ৰকাশৰ সুযোগ পাইছে, যিটো সাহিত্যৰ বাবে শুভলক্ষণ। কিন্তু একে সময়তে, সঠিক সম্পাদনা আৰু মান নিৰ্ণয় নোহোৱাকৈয়ে বজাৰত অজস্ৰ কিতাপৰ ভিৰ হোৱা দেখা গৈছে। গ্ৰন্থমেলাত হাজাৰ হাজাৰ কিতাপৰ মাজত প্ৰকৃত মূল্যৱান কিতাপখন বিচাৰি উলিওৱাটো পাঠকৰ বাবে এক প্ৰত্যাহ্বান হৈ পৰিছে। এই পৰিঘটনাটোৱে প্ৰশ্ন তোলে, আমি বিপ্লৱৰ নামত কেৱল আৱৰ্জনা সৃষ্টি কৰিছোঁ নেকি? গ্ৰন্থ এখন কেৱল কাগজ আৰু চিঞাহীৰ সমষ্টি নহয়, ই লেখকৰ চিন্তা আৰু দৰ্শনৰ প্ৰতিফলন। যেতিয়া প্ৰকাশকসকলে কেৱল ব্যৱসায়িক স্বাৰ্থত মানদণ্ডহীন পাণ্ডুলিপি গ্ৰন্থ আকাৰে প্ৰকাশ কৰে, তেতিয়া ই পাঠকৰ ৰুচিবোধক অপমান কৰাৰ লগতে সাহিত্যৰ মানদণ্ডও অৱনমিত কৰে। প্ৰকৃত গ্ৰন্থ বিপ্লৱ তেতিয়াহে সম্ভৱ হ'ব, যেতিয়া সংখ্যাৰ লগতে গুণগত মানৰ ওপৰতো সমানেই গুৰুত্ব দিয়া হ'ব।

গ্ৰন্থ বিপ্লৱৰ কথা পাতিলে আমি লাইব্ৰেৰী বা পুথিভঁৰাল আন্দোলনৰ কথা পাহৰিব নোৱাৰো। কেৱল গ্ৰন্থ ক্ৰয় কৰা বা গ্ৰন্থমেলাত ঘূৰি ফুৰাটোৱেই গ্ৰন্থ সংস্কৃতি নহয়। গ্ৰন্থ সংস্কৃতিৰ প্ৰকৃত ভেটি হ'ল গ্ৰাম্য আৰু চহৰাঞ্চলত গঢ়ি উঠা পুথিভঁৰালসমূহ। পৰিতাপৰ বিষয় যে, অসমত ব্যক্তিগতভাৱে কিতাপ সংগ্ৰহ কৰাৰ প্ৰৱণতা বাঢ়িছে যদিও, সৰ্বজনীন পুথিভঁৰালসমূহৰ অৱস্থা বৰ্তমান তেনেই শোচনীয়। একালত যিবোৰ গ্ৰাম্য পুথিভঁৰালে একোটা অঞ্চলৰ বৌদ্ধিক চৰ্চাৰ কেন্দ্ৰবিন্দু হিচাপে কাম কৰিছিল, সেইবোৰ আজি ধূলিৰ তৰপৰ তলত পোত গৈছে অথবা জৰাজীৰ্ণ অৱস্থাত পৰি ৰৈছে। গ্ৰন্থমেলাৰ জিলমিলনিয়ে আমাক বাৰে বাৰে চহৰমুখী কৰি তুলিছে, কিন্তু গ্ৰন্থৰ পোহৰ যদি সমাজৰ একেবাৰে তৃণমূল পৰ্যায়লৈ যাব লগা হয়, তেন্তে পুথিভঁৰাল আন্দোলনক পুনৰুজ্জীৱিত কৰাৰ কোনো বিকল্প নাই। চৰকাৰী অনুদানৰ ওপৰত নিৰ্ভৰশীল নাথাকি ৰাইজে স্বতঃস্ফূৰ্তভাৱে কিতাপ পঢ়াৰ আৰু সংৰক্ষণ কৰাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। এখন সমৃদ্ধ সমাজৰ চিন কেৱল শ্বপিং মল বা কোঠাই নহয়, সেই সমাজৰ পুথিভঁৰালৰ অৱস্থাইহে প্ৰকৃত পৰিচয় দিয়ে। সামাজিক আৰু মানসিক উত্তৰণত গ্ৰন্থৰ ভূমিকা অপৰিসীম। বৰ্তমানৰ যান্ত্ৰিক আৰু তীব্ৰ প্ৰতিযোগিতামূলক যুগত মানুহ ক্ৰমান্বয়ে অকলশৰীয়া হৈ পৰিছে। মানসিক চাপ, অৱসাদ আৰু একাকিত্বই নতুন প্ৰজন্মক গ্ৰাস কৰিছে। এই সন্ধিক্ষণত গ্ৰন্থই এজন বিশ্বস্ত বন্ধুৰ দৰে কাম কৰিব পাৰে। মনোবিজ্ঞানীসকলৰ মতে, কিতাপ পঢ়াৰ অভ্যাসে মগজুৰ সক্ৰিয়তা বঢ়ায়, সহানুভূতিশীলতা বৃদ্ধি কৰে আৰু মানসিক প্ৰশান্তি দিয়ে। সেয়েহে, গ্ৰন্থ বিপ্লৱক কেৱল সাহিত্যিক দৃষ্টিকোণৰ পৰাই নহয়, এক সামাজিক চিকিৎসা বা 'Bibliotherapy'ৰ দৃষ্টিকোণৰ পৰাও চোৱা উচিত। পিতৃ-মাতৃসকলে সন্তানৰ হাতত কেৱল পাঠ্যপুথি বা গেজেট তুলি নিদি, গল্পৰ কিতাপ বা জীৱনী গ্ৰন্থ তুলি দিয়াটো জৰুৰী। যিটো শিশুৱে সৰুৰে পৰা কিতাপৰ লগত বন্ধুত্ব গঢ়ি তোলে, সি ডাঙৰ হৈ কেতিয়াও সমাজৰ বাবে বোজা হৈ নপৰে। কিতাপে মানুহক সহনশীল হ'বলৈ শিকায়, আনৰ দৃষ্টিভংগী বুজিবলৈ সহায় কৰে আৰু সংকীৰ্ণতাৰ পৰা মুক্ত কৰি এক বিশ্বজনীন দৰ্শনৰ অধিকাৰী কৰে।

সামৰণিত ইমানেই ক'ব পাৰি যে, বৰ্তমান সময়ত দেখা দিয়া গ্ৰন্থকেন্দ্ৰিক তৎপৰতা আৰু উৎসাহ নিশ্চিতভাৱে আদৰণীয়। অসমৰ দৰে এখন ৰাজ্যত, য'ত ভাষা-সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম চলি থাকে, তাত গ্ৰন্থমেলাসমূহৰ জনপ্ৰিয়তাই জাতিটোৰ জীৱনীশক্তিৰ প্ৰমাণ দিয়ে। কিন্তু এই উৎসাহক কেৱল বাৰ্ষিক উৎসৱৰ মাজতে আৱদ্ধ নাৰাখি তাক এক নিৰন্তৰ সাধলৈ ৰূপান্তৰ কৰাৰ সময় আহিছে। লেখক, প্ৰকাশক, পাঠক আৰু সমালোচক, এই চাৰিওটা স্তম্ভৰ মাজত এক সুস্থ আৰু গঠনমূলক সম্পৰ্ক গঢ়ি উঠিলেহে এই বিপ্লৱে পূৰ্ণতা পাব। আমি কিতাপ কিনিব লাগিব, পঢ়িব লাগিব আৰু আটাইতকৈ ডাঙৰ কথা পঢ়া কথাখিনি জীৱনত প্ৰয়োগ কৰিব লাগিব। ডিজিটেল ধুমুহাৰ মাজতো ছপা কিতাপৰ গোন্ধ আৰু স্পৰ্শই মানুহক যি তৃপ্তি দিয়ে, সেয়া চিৰকাল অমলিন হৈ থাকিব। গ্ৰন্থ বিপ্লৱ সফল হওক, কিন্তু সেয়া কেৱল সংখ্যাৰ বিপ্লৱ নহৈ, চিন্তা আৰু চেতনাৰ বিপ্লৱ হওক। কাৰণ, এখন পঢ়ুৱৈ সমাজহে এখন প্ৰগতিশীল সমাজৰ আধাৰশিলা।



# এখন সুস্থ সমাজ গঠনত যুৱ শক্তিয়ে গঠনমূলক চিন্তা কৰক

**বেণুৰাম ৰাভা**

যুৱ শক্তি হৈছে এনেকুৱা এক শক্তি, যি শক্তিয়ে ভাঙিবও পাৰে গঢ়িবও পাৰে। যুৱ শক্তিক প্ৰতিৰোধ কৰিব পৰা বিশ্বৰ কোনো এখন ৰাষ্ট্ৰৰে ক্ষমতা নাই। যুৱ শক্তি হৈছে আমাৰ দেশৰ মুল চালিকা শক্তি। এখন দেশৰ প্ৰগতিত যুৱ শক্তিৰ শক্তি আৰু অৱদান কিমান সেই কথা কাকো বুজায় কোৱাৰ দৰকাৰ নাথাকে। সমগ্ৰ বিশ্বই আজি উঠিপৰি লাগিছে যুৱ শক্তিৰ শক্তি আৰু সম্ভাৱনাক কেনেদৰে বৃদ্ধি কৰিব পাৰি আৰু সেই শক্তি আৰু সম্ভাৱনাক ব্যৱহাৰ কৰি নিজ নিজ দেশক কেনেদৰে প্ৰগতিৰ পথলৈ আগুৱাই নিব পাৰি। শিক্ষাৰ পৰা প্ৰযুক্তিবিজ্ঞানলৈকে সকলো ক্ষেত্ৰতে যুৱ শক্তিক সামৰি এই প্ৰতিযোগিতামূলক পৃথিৱীৰ সৈতে ফেৰ মাৰিব পৰাকৈ যুৱ শক্তিক সঠিক ভাৱে ব্যৱহাৰ কৰাৰ। আমি গৌৰৱেৰে ক'ব পাৰোঁ যে আমাৰ দেশৰ গণতান্ত্ৰিক ব্যৱস্থা পৃথিৱীৰ সবাতোকৈ ডাঙৰ গণতান্ত্ৰিক ব্যৱস্থা। সেয়েহে, আমাৰ দেশৰ যুৱ শক্তিৰ ক্ষমতা পৃথিৱীৰ সবাতোকৈ আগত বুলি কলেও চাগে বঢ়াই কোৱা নহ'ব।

কোনো এখন দেশক উন্নতিৰ পথলৈ আগুৱাই নিয়াৰ মুল চালিকা শক্তি হৈছে - যুৱ সমাজৰ শক্তি। আজিকালি এই যুৱ শক্তিক বিপথে পৰিচালিত কৰাৰ বাবে নানা ধৰণৰ সমস্যাই দেখা দিছে- যুৱ- উশৃংলতা, ধৰ্ষণ, অসামাজিক, অনৈতিক আদি কাৰ্যৰে ভৰি পৰিছে। এইধৰণৰ কাৰ্য সংঘটিত কৰে সাধাৰণতে ১৫ ৰ পৰা ৩০ বছৰ বয়সৰ অবিবাহিত লোক সকলে। এই ধৰণৰ যুৱ উশৃংল বা যুৱ প্ৰৱণতাই সমাজ, সংস্কৃত, ৰাজনীতি আদি সকলো ক্ষেত্ৰতে নেতিবাচক প্ৰভাৱ পেলাই সামাজিক ব্যাধিৰূপে গা কৰি উঠে। এই যুৱ প্ৰৱণতাক সঠিক পথেৰে আগুৱাই নিয়াবলৈ সমাজৰ প্ৰতিজন সচেতন ব্যক্তিৰে দায়িত্ব আৰু কৰ্তব্য হ'ব লাগে আৰু যুৱ সমাজক গঠনমূলক চিন্তাৰে দেশৰ উন্নতিৰ সাৰ্থত অৰিহণা যোগাৰ বাবে প্ৰেৰণা যোগাব লাগে।

সাম্প্ৰতিক সময়ত আমাৰ সমাজত যুৱ প্ৰৱণতা ইমানেই গা কৰি উঠিছে যে মাক-দেউতাকৰ হাগ বচন মানি লোৱাটো বাদেই ওচৰ- চুবুৰীয়াৰ সচেতন ব্যক্তিৰ কথাও অলপো গুৰুত্ব নিদিয়ে। যাৰ ফলত এই অপৰাধ প্ৰৱণতা নিয়ন্ত্ৰণ কৰাৰো কঠিন হৈ পৰিছে। সন্ধিয়া পঢ়া টেবুলৰ পৰিবৰ্তে চ'কৰ দোকানত আড্ডা দি, ঘূৰি আহোঁতেও চিধাই ঘৰলৈ নগৈ, অন্য এঠাই লৈ যায় বিড়ি-চিগাৰেটৰ ধোঁৱা সহি, বিয়েৰ, অ'চি ব্লু'ৰ এপেক দুপেক মান নাখালে চাগে মনে শান্তি নাপায়। এই সকলো দ্ৰব্য খোৱাৰ পিছত মদৰ নিচাত লটং পটং কৈ দুপৰ নিশা ঘৰলৈ গৈ ৰাতিপুৱা সূৰ্য্য মূৰৰ ওপৰ পোৱাকৈ শুই উঠি, গা-পা ধুই স্কুল বা কলেজ লৈ বুলি যায়। বৰ্তমান সময়ত সমাজত চলি থকা এয়া বাস্তৱ চৰি। মাক-দেউতাকে যেতিয়া এই সকলোবিলাক কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ ক'ব তেতিয়াই সন্তানে মাক-দেউতাকৰ ওপৰত আক্ৰমণ কৰিবলৈ অলপো কুণ্ঠাবোধ নকৰে। এনে সন্তানে সময় বুজি চুৰ, ডকাইত, ধৰ্ষণৰ দৰে অসামাজিক কাৰ্য কৰিবলৈও উদ্যয় হয়। নৱপ্ৰজন্মক এই সকলোবিলাক অনৈতিক, অসামাজিক কাৰ্যকলাপৰ পৰা আঁতৰাই আনি যুৱ সমাজৰ শক্তিক কেনেদৰে সমাজৰ স্বাৰ্থ, দেশৰ স্বাৰ্থৰ হকে অৰিহ্ণা যোগাব পাৰে তাৰে এখন সুস্থ বাতাবৰণ পৰিৱেশ সৃষ্টি কৰি, য'ত নিজকে সম্পূৰ্ণ আশ্বস্ত অনুভৱ কৰিব পাৰি আৰু গঠনমূলক চিন্তাৰে যুৱ সমাজে সমাজৰ হকে, দেশৰ হকে নিজকে উছৰ্গা কৰিব পাৰে। ইয়াৰ ওপৰত চোকা নজৰ ৰখাটো সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰে দায়িত্ব ও কৰ্তব্য।

যুৱ শক্তিয়ে হৈছে আজিৰ বিশ্বৰ মুল চালিকাশক্তি সমাজ তথা দেশখনক আগুৱাই নিয়াৰ। এখন সুস্থ গণতান্ত্ৰিক ৰাষ্ট্ৰ গঠনত যুৱ শক্তিৰ ভূমিকা অপৰিহাৰ্য্য আৰু যুৱ সমাজে দেশৰ ভৱিষ্যত। দেশৰ শিক্ষা ব্যৱস্থাই ইয়াৰ গুৰুত্বপূৰ্ণ আহিলা, ইয়াৰ জৰিয়তে যুৱ শক্তিয়ে দেশৰ প্ৰগতিত অৰিহণা যোগাব আৰু অৰ্থনৈতিক পৰিৱৰ্তন, সামাজিক বিকাশ, সাংস্কৃতিক বিকাশ আৰু ৰাজনৈতিক সজাগতাৰ সৃষ্টি কৰি সমাজৰ হকে, দেশৰ হকে এখন সুস্থ গণতান্ত্ৰিক ৰাষ্ট্ৰ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। যুৱ শক্তিৰ শক্তি আৰু সম্ভাৱনাক একত্ৰিত কৰি এখন সুস্থ সমাজ গঠন কৰি দেশৰ প্ৰগতিৰ হকে সঠিক ব্যৱহাৰৰ উপযোগী কৰি তুলিব লাগিব। আমাৰ যুৱ সমাজক দেশৰ ভৱিষ্যত আৰু মানৱ সম্পদ হিচাপে গঢ় দি তোলাত সমাজৰ প্ৰতিগৰাকী সচেতন ব্যক্তিয়ে গুৰুত্ব আৰোপ কৰিব লাগিব। এখন সুস্থ সমাজ গঠনত যুৱশক্তিয়ে সদায় এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু এই দৰেই যুৱ শক্তিৰ একত্ৰিত শক্তি আৰু সম্ভাৱনাই এখন সমাজ, দেশক শক্তিশালী ভৱিষ্যত নিৰ্মাণ কৰাত সাৰ্থক হ'ব।

# বিজ্ঞানমনস্কতা আৰু শিশুৰ উদ্ভাৱনী দক্ষতা

**দ্বীপেন শৰ্মা**

বিজ্ঞানমনস্কতা শিশুৰ স্বাভাৱিক প্ৰবৃত্তি। ভাষাৰে বুজিব আৰু বুজাব পৰা হোৱাৰ আগৰে পৰাই শিশুৰ মনত চৌপাশৰ জগত সম্বন্ধে নানা কৌতূহল জাগে। জ্ঞান-বুদ্ধিয়ে পোখা মেলাৰ জৈৱিক প্ৰক্ৰিয়াৰ অংশৰূপে মন আৰু মগজুত নানা প্ৰশ্নই উকমুকাবলৈ ধৰে। নিজৰ লগতে পৰিয়াল, সমাজ আৰু প্ৰকৃতি আদি দৃশ্যমান জগতখনৰ পৰা নিজে নিজে আহৰণ কৰা আৰু আনে যোগান ধৰা তথ্যৰ পৰা এহাতে শিশুৱে ভুলে শুদ্ধই কেতবোৰ উত্তৰ লাভ কৰে, আনহাতে কেতবোৰ প্ৰশ্ন উত্তৰবিহীনভাৱে থাকি যায় আৰু লগতে আন কেতবোৰ নতুন প্ৰশ্নই মূৰ দাঙি উঠে। সেয়েহে আমি সততেই শিশুৰ মুখত আকস্মিকভাৱে নতুন নতুন প্ৰশ্ন শুনিবলৈ পাওঁ।

কি, কিয়, কেনেকৈৰে আৰম্ভ হোৱা এই প্ৰশ্নমালাই হৈছে বিজ্ঞানমনস্কতাৰ আদি পাঠ আৰু ইয়াৰ আঁত ধৰিয়েই বাট মেলিছে মানৱ সভ্যতা বিকাশৰ খলা-বমা পথ। নতুন নতুন চিন্তাৰ আধাৰতেই সমাজত নতুন নতুন উদ্ভাৱনে বিকাশ লাভ কৰে। এই খিনিতে স্পষ্ট কৰা ভাল যে বিজ্ঞানমনস্কতা মানে কেৱল গৱেষণাগাৰৰ বৈজ্ঞানিক সূত্ৰ, যন্ত্ৰ-পাতি বা অত্যাধুনিক প্ৰযুক্তি নহয়, ই হৈছে স্বাধীন চিন্তাৰ আধাৰত গঢ়ি তোলা এটা জীৱন পদ্ধতি। জীৱনৰ প্ৰতিটো দিশতেই আৰু প্ৰতিটো খোজতেই বিজ্ঞানমনস্কতা জড়িত হৈ আছে। এখন আধুনিক আৰু প্ৰগতিশীল পৃথিৱী গঢ়িবলৈ বিজ্ঞান, অৰ্থনীতি, সমাজনীতি, সংস্কৃতি আদি সকলো দিশতেই উদ্ভাৱনী দক্ষতাৰ প্ৰয়োজন আছে আৰু আৰু ইয়াৰ সম্ভাৱনা নিহিত আছে একোজাক নিৰ্মল শিশুৰ বিজ্ঞানমনস্ক স্বাধীন চিন্তাৰ মাজতেই।

"ধেৎ, কি পেকপেকাই থাকে এইডালে!", "ছোৱালী হৈ ল'ৰাৰ দৰে মুখে মুখে মাত নামাতিবিচোন" বা "খুলি মেলি চাওঁতে যদি বস্তুটো বেয়া হয় বাপেৰৰ পিঠিৰ কোব খাবি" আদি কথাৰে যদি শিশুৰ জনাৰ আগ্ৰহক গাপ দি ৰখা হয়, ভয় খুওৱা হয়, তেন্তে তেনে সমাজত উদ্ভাৱনী দক্ষতাৰ কথা বহু আঁতৰৰ। বিজ্ঞান পঢ়া মানুহৰো বহুসংখ্যকেই অবৈজ্ঞানিক কথা-কাণ্ডৰ প্ৰমাণ নিবিচৰাকৈ বিশ্বাসকেই বিজ্ঞান বুলি শিশুৰ মনত জাপি দি আহিছে। আনহাতে বিজ্ঞান নপঢ়া মানুহৰো একাংশই নিজা চিন্তা আৰু বিশ্লেষণেৰে জীৱনৰ বিভিন্ন বিষয় অধ্যয়ন কৰি সত্যৰ সন্ধান কৰি আহিছে। শিশুৰ উদ্ভাৱনী দক্ষতাৰ বিকাশ ঘটাবলৈ হ'লে সমাজৰ প্ৰতিজন অভিভাৱকৰ মনত বিশ্বাসতকৈ বিজ্ঞানে আগস্থান পাব লাগিব। মনকৰিবলগীয়া কথা, বিজ্ঞানৰ জগতত চূড়ান্ত বা পৰম সত্য বুলি কোনো কথা নাই - লাভ কৰা সমাধানবোৰতো সন্দেহৰ চকু ৰাখি আৰু আগুৱাই যোৱাটোহে বিজ্ঞানৰ গতিপথ। উন্নত দেশসমূহৰ আধুনিক শিক্ষা আৰু মৌলিক চিন্তাধাৰাৰ মূল লক্ষ্যই হৈছে জীৱন আৰু জগতৰ একো একোটা সমস্যাৰ সমাধান উদ্ভাৱন কৰা।

বিজ্ঞানমনস্কতাৰ মূল উপাদানসমূহ হ'ল - অনুসন্ধিৎসা আৰু প্ৰশ্ন উত্থাপন, জটিল চিন্তা, যুক্তি আৰু নিৰপেক্ষতা, পৰ্যবেক্ষণ-পৰীক্ষণ-পুনৰীক্ষণ, প্ৰত্যাহ্বান সমাধানৰ উদ্দীপনা আদি। অনুসন্ধিৎসাৰ ফলত মনত জাগি উঠা প্ৰশ্নই নতুন ধাৰণা আৰু সমাধানৰ অন্বেষণ কৰে। বিজ্ঞানীৰ দৰে বাৰে বাৰে বিফল হোৱাৰ পাছতো নজনা কথা জানিবলৈ শিশুৰ একাগ্ৰতা থাকে। এটি বিজ্ঞানমনস্ক শিশুৱে নিউটন আৰু আপেলটোৰ দৰে বিজ্ঞানৰ বাহ্যিক কাহিনীতেই সন্তুষ্ট নাথাকি কথাটো আচলতে কি সেয়া জানিবলৈ বাঞ্ছা কৰে। "জানিবই লাগিব" বা "পাৰিবই লাগিব" জাতীয় যুঁজাৰু মনোভাৱ আৰু একাণপতীয়া পৰিশ্ৰমৰ বলতহে উদ্ভাৱন সম্ভৱ হ'ব পাৰে। ইয়াৰ বাবে শিশুক বিজ্ঞানমনস্কতাৰে আত্ম-বিশ্বাসী কৰি তুলিব লাগিব, চিকিৎসক-অভিযন্তা-চৰকাৰী চাকৰি জাতীয় নিৰাপদ ক্ষেত্ৰৰ সলনি বিজ্ঞানৰ মৌলিক গৱেষণালৈ উৎসাহিত কৰিব লাগিব। নম্বৰ, ডিগ্ৰী, চাকৰি আদিৰে নিৰাপদ জীৱন কটাব পাৰি, কিন্তু উদ্ভাৱনৰ বাটত ঘাম পেলাবলৈ হ'লে গৱেষণাৰ প্ৰত্যাহ্বান জয় কৰিব লাগিব।

> জীৱনৰ প্ৰতিটো খোজতে আৰু আমাৰ চৌপাশৰ প্ৰকৃতিৰ সৰু সৰু কথাৰ মাজতে বিজ্ঞান লুকাই আছে। গছৰ পাতত বিভিন্ন বিন্যাস আছে, জ্যামিতিৰ আকাৰ আছে। তেনেদৰে বিভিন্ন ফুলৰ বিভিন্ন আকাৰ আৰু বিচিত্ৰ বৰণ আছে।

পিছে আমাৰ সমাজত প্ৰতিটো শিশুকেই জন্মৰ আগৰে পৰাই (মৃত্যুপৰ্যন্ত) বিজ্ঞানৰ সলনি বিশ্বাসৰ বহুতৰপীয়া দেৱালে আগুৰি থাকে। ভাগ্যৰ লিখন, পূৰ্বজন্ম পৰজন্ম, গ্ৰহ-ৰত্ন, বেজ-তাবিজ, ভূত-প্ৰেত, জৰা-ফুকা, কুমন্ত্ৰ আদিৰ বিশ্বাসৰ মাজেৰে বিজ্ঞানমনস্কতা গঢ় লৈ উঠে কেনেকৈ? প্ৰমাণ নাপালে দেখা কথাটোও সত্য নহৈ আচলতে ভ্ৰম হ'ব পাৰে। আনহাতে নেদেখা বা নহয় যেন লগা কথাৰ আঁৰতো সত্য লুকাই থাকিব পাৰে। কাকতালীয় ঘটনাত কোনো অলৌকিক ৰহন সানি ৰসাল প্ৰচাৰ নকৰি সত্যটো বিচাৰিবলৈ শিশুক যুক্তিবাদী কৰিব লাগে। গণেশে গাখীৰ খোৱাজাতীয় কাহিনীয়ে শিশুক বিভ্ৰান্ত কৰে। ধৰ্মীয় কাহিনীয়ে পেলোৱা প্ৰভাৱ সৰ্বব্যাপী। অপৈণত বয়সত সাধুকথাই সানি দিয়া বিশ্বাসৰ মায়াজাল কেৱল উচ্চস্তৰৰ সাহিত্যহে। আনহাতে যাদুবিদ্যাৰ যোগেদি শিশুক সহজে বিজ্ঞানৰ ভাষা বুজাব পাৰি।

জীৱনৰ প্ৰতিটো খোজতে আৰু আমাৰ চৌপাশৰ প্ৰকৃতিৰ সৰু সৰু কথাৰ মাজতে বিজ্ঞান লুকাই আছে। গছৰ পাতত বিভিন্ন বিন্যাস আছে, জ্যামিতিৰ আকাৰ আছে। তেনেদৰে বিভিন্ন ফুলৰ বিভিন্ন আকাৰ আৰু বিচিত্ৰ বৰণ আছে। ভূমিকম্পৰো কাৰণ আছে, ই আৰু হাতীয়ে পিঠি লৰোৱা সাধুকথা নহয়। ধুমুহাৰ গতি বা সাগৰৰ সোঁতৰো একোটা ধৰণ আছে। চৰাইৰ উৰণত বিভিন্ন গতি আছে। চন্দ্ৰ গ্ৰহণ, সূৰ্য গ্ৰহণ এতিয়া আৰু ৰাহু-কেতুৰ লীলা নহয়। ল'ৰালিত জোনবাইৰ সাধু শুনোৱা শিশুটি ডাঙৰ হ'লে টেলিস্কোপৰ মাজেৰে নীল আকাশৰ ৰহস্য বুজিবলৈ দিব লাগে। আমি নিজেতো বাদেই, আমাৰ পৃথিৱীখন এই মহাবিশ্বৰ মাজত কিমান নগণ্য, সেই লঘিমা উপলব্ধি হ'লেহে প্ৰকৃত অৰ্থত নিঃস্বাৰ্থ গৱেষণা আগবাঢ়ে।

উদ্ভাৱনী দক্ষতাৰ বাবে সৰুৰে পৰাই প্ৰকৃতিৰ বিচিত্ৰ ৰহস্যৰ ওৰ বিচাৰি মন মগজু উদ্বাউল হ'ব লাগে। তেনে এটা সৃষ্টিশীল পৰিৱেশ গঢ়িবলৈ অভিভাৱক, শিক্ষকৰ লগতে পাঠ্যপুথিও বিজ্ঞানসন্মত হোৱা দৰকাৰ। পায় বা নাপায় বুলি, অতীজৰ নিয়ম বুলি মানি লোৱাতকৈ ফলাফল আৰু কাৰণৰ মাজৰ সম্পৰ্ক বুজাৰ আগ্ৰহ শিশু অৱস্থাতেই মগজুত সোমাব লাগে। প্ৰতিটো কথাৰে কাৰণ আছে। মানুহে যিমানেই জ্ঞান লভিছে সিমানেই মানুহৰ প্ৰশ্নও বাঢ়ি গৈছে, আৰু আমি যে বহুতো কথা নাজানো সেয়াও বিজ্ঞানৰে কথা। কিন্তু নজনা কথাৰো কাৰণ আছে- সেই কথাও শিশু অৱস্থাতে বুজোৱা ভাল। জুৱাখেলৰ ছয়গুটিৰ নিচিনা আচৰিত মিল থকা ঘটনা যিদৰে একোটা সম্ভাৱনা, তেনেদৰে লটাৰী খেলো এক সম্ভাৱনা। ইয়াত কোনো অলৌকিক ঘটনা বা ভাগ্য বুলি কোনো কথা নাই। এনে বিজ্ঞানসন্মত দৃষ্টিৰে চাব জানিলে শিশুৱে মৌলিক বিজ্ঞানৰ উপৰিও অৰ্থনীতি, সমাজনীতি আদি বিভিন্ন ক্ষেত্ৰত দক্ষতা দেখুৱাব পাৰিব। ইহুদীৰ দৰে সৰু জনগোষ্ঠী এটাৰ বিজ্ঞানৰ সফলতা, পশ্চিমীয়া আধুনিক জীৱন পদ্ধতিৰ স্বতন্ত্ৰতা, জাপানী কৰ্মোদ্যম আদিৰ দৰে আমাৰ বিশাল ভাৰততো ভৱিষ্যত নিৰ্ভৰ কৰিছে একোজাক শিশুৰ উদ্ভাৱনী দক্ষতাত।

# শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, দেৰগাঁও, ১৯ ডিচেম্বৰ ঃ** দেৰগাঁৱৰ ঐতিহ্যমণ্ডিত জেলেঙ্গুৱা গাঁওবাসীয়ে উদ্‌যাপন কৰি অহা শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাব মহোৎসৱে সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ পদাৰ্পণ কৰিলে। এই উপলক্ষে এবছৰীয়া বিভিন্ন কাৰ্যসূচীৰ অন্তত ২৫ ডিচেম্বৰৰ পৰা ২৮ ডিচেম্বৰলৈকে জেলেঙ্গুৱা গাঁও নামঘৰত শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱৰ সোণালী জয়ন্তী বৰ্ষ উদ্যাপনৰ পূৰ্ণ প্ৰস্তুতি চলাইছে। গাঁওবাসী সাজু হৈছে অতিথিক আদৰিবলৈ। আটকধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে নামঘৰৰ চৌপাশ। নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছেনামঘৰৰ এখন স্থায়ী তোৰণ। ইতিমধ্যে গোপাল চন্দ্ৰ বৰাক সভাপতি, বাপিৰাম বৰাক সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰাৰ লগতে খাদ্য আৰু যোগান বিভাগ, স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি, সাংস্কৃতিক সমিতি, বিত্ত বিভাগ, প্ৰচাৰ বিভাগ আৰু সেৱা বাহিনী গঠন কৰি কাম-কাজ পূৰ্ণ উদ্যমেৰে অব্যাহত ৰাখিছে। গাঁও পৰিচালনা সমিতি, অগ্ৰগামী যুৱ সমাজ, জোনাকী মইনা পাৰিজাত, গাঁৱৰক্ষী বাহিনী আৰু মহিলা সমিতিয়েও পূৰ্ণ সহযোগিতা আগবঢ়াইছে। আই-মাতৃসকলে চাৰিদিনীয়া কাৰ্যসূচীত অতিথিক আপ্যায়ন কৰিবলৈ ইতিমধ্যে ঘৰে-ঘৰে পিঠা-পনা বনোৱা কাম আৰম্ভ কৰিছে। কাৰ্যসূচী অনুসৰি, প্ৰথমদিনা পুৱা জাগৰণ কাৰ্যসূচীৰ পাছতে প্ৰাতঃ প্ৰসংগ, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, স্মৃতি তৰ্পণ, ধৰ্মধ্বজা উত্তোলন, সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি পঞ্চাছগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা পতাকা উত্তোলন, মূল তোৰণ উন্মোচন, প্ৰেক্ষাগৃহ উন্মোচন, ভাগৱত পাঠ, ভোজনালয় আৰু মূল মঞ্চ উদ্বোধন কৰা হ'ব। বিয়লি সদৌ অসম ভিত্তিক দিহানাম প্ৰতিযোগিতাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'ব প্ৰাৰ্থনা, সংলাপ আৰু বৰগীত প্ৰতিযোগিতা। দ্বিতীয় দিনা পুৱা। ধৰ্মীয় বিভিন্ন কাৰ্যসূচীৰ পিছত বিয়লি অনুষ্ঠিত কৰা হ'ব গাঁৱৰ প্ৰৱাসী ব্যক্তিসকল আৰু গাঁৱৰ বিবাহিতা জীয়ৰীসকলক লৈ অন্তৰংগ আলাপ অনুষ্ঠান। নিশালৈ পৰিৱেশন কৰা হ'ব অংকীয়া ভাওনা পাৰিজাত হৰণ। তৃতীয় দিনা দুপৰীয়া মাজুলী আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগীয়া মুকলি সভাখন উদ্বোধন কৰিব নুমলীগড় তেল শোধনাগাৰৰ মুখ্য প্ৰবন্ধক দেবাঞ্জন বৰাই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড° কৰবী ডেকা হাজৰিকা আৰু যুৱ সাংবাদিক এঞ্জেলা চাংমাই নিৰ্দিষ্ট বক্তা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ গোলাপ বৰবৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গৱেষণা পৰিষদৰ সভাপতি পৱিত্ৰ প্ৰাণ বৰা, আছুৰ উপ-সভাপতি অভিবৰ্তন গোস্বামীসহ কেইবাগৰাকীও আমন্ত্ৰিত বিশিষ্ট ব্যক্তি উপস্থিত থাকিব লগীয়া সভাতে সোণালী জয়ন্তী বৰ্ষ উদ্যাপনৰ লগত সংগতি ৰাখি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ বৰাৰ সম্পাদনাৰে প্ৰস্তুত কৰা স্মৃতিগ্ৰন্থ উন্মোচন কৰিব সাহিত্য অকাদেমি বঁটা প্ৰাপক, সাহিত্যিক জয়ন্ত মাধৱ বৰাই। নিশালৈ অনুষ্ঠিত হ'ব লগীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব লোক সংস্কৃতিৰ সাধক বীৰেন্দ্ৰ কুমাৰ বৰাই চতুৰ্থ দিনা পুৱা নামঘৰৰ চৌহদৰ পৰা উলিওৱা হ'ব ভাগৱতসহ সাংস্কৃতিক শোভাযাত্ৰা। বিশিষ্ট সমাজকৰ্মী ড° ৰাজু মণি হুছেইনে উদ্বোধন কৰিবলগীয়া শোভাযাত্ৰা কাৰ্যসূচীৰ পাছতেই বিয়লি ধৰ্মধ্বজা অৱনমন আৰু নিশালৈ এটা বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ পাছতেই স্থানীয় শিল্পীসকলে পৰিৱেশন কৰিব মহাপুৰুষীয়া আৰ্হিৰে ভাওনা মুৰাৰি কৃষ্ণ, বৰ্বৰিকৰ শিৰ দান। উল্লেখযোগ্য যে প্ৰতি দিনে বিভিন্ন কাৰ্যসূচীৰ মাজে মাজে বৰগীত, লোক গীত, দেহবিচাৰ গীত, নাগাৰা নাম, থিয় নাম, দশাৱতাৰ নৃত্য, কৃষ্ণ নৃত্য আদি বিভিন্ন ভক্তিৰসসমৃদ্ধ সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰা হ'ব। চাৰিদিনীয়া কাৰ্যসূচীত সকলো ভক্ত প্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

# বৰক্ষেত্ৰীৰ শংকৰ মাধৱ হাইস্কুলত ৩০ সংখ্যক বাৰ্ষিক অধিৱেশন তথা বঁটা বিতৰণী সভাত বিভিন্ন প্ৰান্তৰ শিক্ষাবিদৰ সমাহাৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৯ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জয়সাগৰস্থিত শংকৰ মাধৱ হাইস্কুলত ৩০ সংখ্যক বাৰ্ষিক অধিৱেশন তথা বঁটা বিতৰণী সভা উপলক্ষে তিনিদিয়াকৈ বৰ্ণাঢ্য শৈক্ষিক-সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়। উল্লেখ্য যে ১৯ ৮৭ চনতেই স্থানীয় লোকৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত প্ৰতিষ্ঠা হোৱা জয়সাগৰস্থিত শংকৰ মাধৱ হাইস্কুলখন ২০১৩ বৰ্ষত প্ৰাদেশীকৃত হয় যদিও বিদ্যালয়খনৰ তিনিগৰাকী শিক্ষক আজিও অপ্ৰাদেশীকৃত হৈ আছে। অৱশ্যে বিদ্যালয়খনৰ প্ৰধান শিক্ষক তথা নলবাৰী জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক কৃষ্ণকান্ত মহন্তৰ সু-নিপুণ পৰিচালনাত বিদ্যালয়খন ঠন ধৰি উঠিছে। বিদ্যালয়খনৰ বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভা উপলক্ষে প্ৰতি বছৰে অঞ্চলটোত এক উখল-মাখল পৰিৱেশৰ সূচনা হয়। শিক্ষাৰ্থীসকলৰ শাৰীৰিক মানসিক আৰু বৌদ্ধিক বিকাশৰ প্ৰচেষ্টাৰে প্ৰতি বছৰে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ অশেষ কষ্ট আৰু শ্ৰমেৰে প্ৰায় এসপ্তাহজোৰা অনুশীলনৰ আজি অন্ত পৰে। বিদ্যালয়খনৰ বাৰ্ষিক অধিৱেশন উপলক্ষে বিদ্যালয়খনত বিভিন্ন খেল-ধেমালিৰো আয়োজন কৰা হয়। আনহাতে, এক বিশাল বাৰেৰহনীয়া সাংস্কৃতিক সমদলেৰে অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰো সূচনা হয়। আৰম্ভণি গীতেৰে অনুষ্ঠিত হয় আজি তৃতীয় তথা অন্তিম দিনৰ কাৰ্যসূচীৰ। যোৱা দুদিনৰ কাৰ্যসূচীত বিভিন্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে গীত, নাট, কবিতা আবৃত্তি, তৰ্ক প্ৰতিযোগিতা, নৃত্য পৰিৱেশন, কুইজকে ধৰি বিভিন্ন বিষয়ত নিজৰ-নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। আজি অন্তিম দিনৰ কাৰ্যসূচীত আধুনিক গীত পৰিৱেশন কৰে জুমন দাসে, জ্যোতি সংগীত পৰিৱেশন কৰে প্ৰীতিৰেখা হালৈয়ে, লোকগীত পৰিৱেশন কৰে চাহনাজ পাৰবিনে, ৰাভা সংগীত পৰিৱেশন কৰে লিপিকা হালৈয়ে, ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে নৱনীতা হালৈয়ে। ইয়াৰ পিছতেই বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা সমবেত সংগীত পৰিৱেশন কৰা হয়। মেঘজানাৰ দলে জিকিৰ পৰিৱেশন কৰাৰ পিছতে আৰিফা অঞ্জুমা আখতাৰে নৃত্য পৰিৱেশন কৰে। সমজুৱাৰ ভাষণৰ পিছতে বঁটা বিতৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ পিছত শলাগৰ শৰাইৰে কাৰ্যসূচীৰ অন্ত পৰে। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক আজিজুল হক আহমেদে, বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে জাগাৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহঃপ্ৰধান শিক্ষক কমলাকান্ত ডেকাই, নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে কামৰূপ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ধ্ৰুৱজ্যোতি নাথে। শংকৰ মাধৱ হাইস্কুলৰ প্ৰাক্তন শিক্ষক তথা বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি গুনেন্দ্ৰ ৰায় চৌধুৰী, জয়সাগৰ চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰাক্তন সহ শিক্ষক তথা বৰক্ষেত্ৰী কবি সন্মিলনৰ সভাপতি দ্বিজেন চন্দ্ৰ ডেকা, খালিহাপাৰাস্থিত শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য বাবন চন্দ্ৰ হালৈ প্ৰমুখ্যে ভালেমান বিশিষ্ট লোকৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা বিষয়ক বহুতো পৰামৰ্শমূলক বক্তব্য আগবঢ়োৱা হয়।

# ৰাজ্যিক নিচাযুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ সজাগতা সভা




**অসম বাৰ্তা, ধনশিৰি, ১৯ ডিচেম্বৰ ঃ** শুক্ৰবাৰে সৰুপথাৰ সমজিলাৰ বিলগাঁও ধোন্দাচাম উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ অন্তৰ্গত ৰাজ্যিক নিচাযুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদ সৰুপথাৰ সমজিলাৰ উদ্যোগত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এখনি সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ অধ্যক্ষ অসীম দাসে আঁত ধৰা সভাখনত নিচাদূৰীকৰণ আৰু গোলাঘাট পুনৰসংস্থাপন কেন্দ্ৰৰ কাউন্সিলৰ অন্তৰীক্ষা শইকীয়া, সমাজ সেৱিকা জ্যোতিমা পাঠক আৰু নিবাৰণী সংগঠক উমেশ ঘাটোৱাৰ মূল অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি সাম্প্ৰতিক সময়ত যুৱ সমাজক নিচাজাতীয় দ্ৰব্যৰ প্ৰভাৱে কিদৰে ধ্বংসৰ গৰাহলৈ ঠেলি নিছে তথা সমাজত যুৱ উচ্ছৃঙ্খলতাই কিদৰে বিৰাজ কৰিছে এই সকলোবোৰ বিষয়ৰ ওপৰত প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত বিস্তাৰিতভাৱে আলোকপাত কৰা হয় আৰু এইসমূহক নিবাৰণ কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে কেনেধৰণে পদক্ষেপ হাতত লব লাগিব তাৰ ওপৰত অতিথি সকলে সাৱলীল মন্তব্য আগবঢ়াই। সজাগতামূলক সভাখনিত ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰা দুজনমানে অতিথি সকলৰ ভাষণৰ ওপৰত তেওঁলোকৰ মনৰ কথা প্ৰকাশ কৰে। ৰাজ্যিক নিচাযুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদে বিগত বহুবছৰ ধৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত তথা বিদ্যালয়ে বিদ্যালয়ে এনেদৰে নিচাযুক্ত আৰু মাদক দ্ৰব্যৰ ওপৰত সজাগতা সভা অনুষ্ঠিত কৰি উঠি অহা প্ৰজন্মক এইসমূহৰ পৰা ৰক্ষা কৰাৰ লগতে সমাজখনৰ পৰা এই সমূহ নিবাৰণ কৰাৰ বাবে প্ৰচেষ্টা চলাই আহিছে। নিবাৰণী পৰিষদৰ এই প্ৰচেষ্টাত ধোন্দাচাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অসীম দাসৰ লগতে শিক্ষক সমাজ যথেষ্ট পৰিমাণে আপ্লুত হয় আৰু তেওঁলোকৰ প্ৰচেষ্টাক শলাগ জনাই। সভাৰ শেষত হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াবিনী গীত পৰিৱেশনেৰে সভাখনিৰ সামৰণি মাৰে।

## মুখপত্ৰ প্ৰকাশৰ প্ৰস্তুতি

# 'অসমীয়া সাহিত্য সন্মিলনী'ৰ নগাঁও সদৰ সমিতি (স্বতন্ত্ৰ)ৰ গুৰুত্বপূৰ্ণ সভা সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ ডিচেম্বৰ ঃ** "অসমীয়া সাহিত্য সন্মিলনী"ৰ নগাঁও সদৰ সমিতি (স্বতন্ত্ৰ)ৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা যোৱা ১১ ডিচেম্বৰৰ বিয়লি নগাঁও ছয়আলিৰ নেওগ ভৱনত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে সমিতিৰ স্থায়ী সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক, লেখক ভবেন বৰাই। অসমীয়া সাহিত্য সন্মিলনীৰ নগাঁও সদৰ সমিতি (স্বতন্ত্ৰ)ৰ সম্পাদক, কবি হৰেন চন্দ্ৰ কলিতাই আঁত ধৰা সভাখনত বিশিষ্ট শিক্ষাবিদ, সন্মিলনীৰ মুখ্য সচেতক ৰাতুল নেওগ, সন্মিলনীৰ সচেতক, সাহিত্যিক খগেন শইকীয়া, অসমীয়া সাহিত্য সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন উপ- সভাপতি গোপাল ভূঞা, নগাঁও অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰাক্তন সম্পাদক, লেখক চন্দ্ৰ মুদৈ, উপ-সভাপতি হীৰেন ডেকা প্ৰমুখ্যে বিষয়ববীয়াসকলে তেওঁলোকৰ বক্তব্যত সংগঠনৰ উত্তৰণৰ বাবে বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায় আৰু আগন্তুক সময়ত সেয়া কাৰ্যকৰীকৰণৰ চিন্তা-চৰ্চা কৰা হয়। সভাত অসমীয়া সাহিত্য জগতৰ উত্তৰোত্তৰ উন্নতিৰ লক্ষ্যৰে কেইবাটাও কাৰ্যসূচী গ্ৰহণৰ সিদ্ধান্ত লোৱাৰ উপৰি এখনি মুখপত্ৰ প্ৰকাশৰ চিন্তা-চৰ্চা কৰা হয়। সভাত চন্দ্ৰ মুদৈ, জ্যেষ্ঠ নাগৰিক হৰিদেৱ মহন্তই স্ব-ৰচিত কবিতা পাঠ, বিশিষ্ট সমাজকৰ্মী দেৱেন মুক্তিয়াৰে স্বনামধন্য গীতিকাৰ ৰুদ্ৰ বৰুৱা ৰচিত গীত "হালধীয়া চৰায়ে বাওধান খায়" শীৰ্ষক গীতটি পৰিবেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত সমিতিৰ সদস্য তথা নগাঁও চহৰৰ বিশিষ্ট নাগৰিক কমলেশ্বৰ বৰুৱা, ঘনশ্যাম জেইচি, মধু চৌধুৰী, জ্যেষ্ঠ সাংবাদিকদ্বয় নীলৰঞ্জন শৰ্মা, জয়ন্ত বৰা প্ৰমুখ্যে কেইবাগৰাকী গণ্যমান্য লোক উপস্থিত থাকে।

## যুৱ সাংবাদিক পাপুল গগৈৰ কবিতাৰ শিৰোনামেৰে গ্ৰন্থ প্ৰকাশ

# গুইজানত "Our Burden Of Grief - Baghjan and the Gas Blowout" গ্ৰন্থ উন্মোচন



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৯ ডিচেম্বৰ ঃ** ২০২০ চনৰ ২৭ মে'ত বাঘজান বিজিএন-৫ তৈল কূপত সংঘটিত অইল বিস্ফোৰণ কাণ্ডক মুখ্যতঃ হিচাবে লৈ আমেৰিকাৰ কেলিফৰ্নিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সঞ্জয় বৰবৰা, ড° ডলী কিকন আৰু গৱেষক ছাত্ৰ নৈঋত গগৈয়ে ইংৰাজী ভাষাত লিখি উলিওৱা "Our Burden Of Grief - Baghjan and the Gas Blowout" শীৰ্ষক গ্ৰন্থ তিনিচুকীয়াৰ গুইজানস্থিত ডিব্ৰু-ছৈখোৱা ইক' কেম্পত কালি অনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট পৰিৱেশবিদ বিমল গগৈ আৰু মৃদুপৱন ফুকনে। ২২০ পৃষ্ঠাৰ গ্ৰন্থখনৰ প্ৰকাশক উত্তৰ পূৰ্বাঞ্চল সামাজিক গৱেষণা কেন্দ্ৰ। এই গ্ৰন্থত বাঘজান ঘটনাৰ ফলত বাঘজানবাসীৰ লগতে দাঁতিকাষৰীয়া তথা পাৰ্শ্ববৰ্তী অঞ্চলসমূহৰ বিভিন্ন দিশৰ ক্ষয়-ক্ষতিৰ লগতে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, মাগুৰি বিল, নদী, কৃষিভূমি, সংগ্ৰাম, স্বাস্থ্য আদি বিভিন্ন দিশৰ ওপৰত সুন্দৰভাৱে দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। গ্ৰন্থত অভিশপ্ত বাঘজান কাণ্ডৰ ফটো আৰু বৰ্ণনা তুলি ধৰা হৈছে। পৰিৱেশকৰ্মী নিৰন্ত গোঁহায়ে এই গ্ৰন্থখনে অভিশপ্ত বাঘজানৰ ইতিহাস দাঙি ধৰাৰ লগতে বহু অপ্ৰকাশিত কথা ইয়াত আছে বুলি উল্লেখ কৰে। বিশিষ্ট পৰিৱেশবিদ গগৈ আৰু ফুকনে এই গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰি আৰু কিছু সংযোগ কৰিব পৰা থল আছে বুলি মন্তব্য প্ৰকাশ কৰি এনে মহান পদক্ষেপ গ্ৰহণ কৰাৰ বাবে লেখক, প্ৰকাশক সকলোকে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। পৰিৱেশবিদ গগৈয়ে গ্ৰন্থখনৰ শিৰোনাম অভিশপ্ত বাঘজান ঘটনাৰ সময়ত লিখা কবি, যুৱ সাংবাদিক পাপুল গগৈৰ কবিতাৰ পৰা লোৱা বিষয়টোৱে মনটো আনন্দিত কৰি তুলিলে বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। অনুষ্ঠানত লেখকত্ৰয়ৰ লগতে প্ৰকাশক তথা উত্তৰ পূৰ্বাঞ্চল সামাজিক গৱেষণা কেন্দ্ৰ, গুৱাহাটীৰ সহকাৰী সঞ্চালক ড° সমীৰ তালাটি, তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক ৰূপম কাকতি, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ নৱনিৰ্বাচিত সাধাৰণ সম্পাদক বিপ্লৱ চেতিয়া, জাৰ্নেলিষ্ট ইউনিয়ন অৱ আসাম চমুকৈ, 'জুৱা'ৰ তিনিচুকীয়া জিলা সমিতিৰ সদস্য কৃষ্ণ নেওগ, বাঘজান-দীঘলটৰং গাঁৱৰ গাঁওপ্ৰধান মনোজ হাজৰিকা, লিহিৰি ইক' ক্লাবৰ সম্পাদক সোণজিত মৰাণ, সহঃ সম্পাদক ধীৰাজ কুমাৰ মৰাণ, ঘটনাস্থলীৰ নিচেই কাষতে থকা লাৱণ্য শইকীয়া তথা নতুন ৰঙাগড়াৰ বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

# কামৰূপ জিলাৰ উন্নয়ন সমিতিৰ বৈঠকত সম্পন্ন

**অসম বাৰ্তা, কমলপুৰ, ১৯ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ ডিচেম্বৰ মাহৰ উন্নয়ন সমিতিৰ বৈঠকখন আজি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত পুৱগুৱাহাটী বন সংমণ্ডলৰ গড়ভঙ্গা বনাঞ্চলিক কাৰ্যালয়ৰ নাহৰ পাম বনাঞ্চলত অনুষ্ঠিত হয়। বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ, অমৃত সৰোবৰ, মহাত্মা গান্ধী এনেৰেগা, এ পি ডি চিএল, শিক্ষা, লোক নিৰ্মাণ পথ আৰু গৃহ, লোকনিৰ্মাণ ৰাষ্ট্ৰীয় ঘাই পথ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জল জীৱন মিছন, স্বাস্থ্য, কৃষি কাৰিকৰী, কৃষি বিভাগৰ- পি এম কিষাণ, কৃষকৰ পঞ্জীয়ন, ৰবি শস্যৰ বীমা, সমাজ কল্যাণ, পৌৰ সভা, খাদ্য বিতাৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, ভূমি সংৰক্ষণ, মীন, পশুপালন আৰু পশু চিকিৎসা, হস্ততাঁত আৰু বস্ত্ৰ শিল্প, জলসিঞ্চন, উদ্যোগ আৰু বাণিজ্য, জলসম্পদ, বন, কৰ্মচাৰী নিয়োগ আদি বিভাগৰ অধীনত চলি থকা আঁচনি সমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজিৰ বৈঠকতে বিভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াসকলক তেওঁলোকৰ বিভাগৰ অধীনত চলি থকা বিভিন্ন উন্নয়ন মূলক আঁচনি তথা প্ৰকল্পৰ কাম সমূহ সময়মতে ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট বিভাগ সমূহক নিৰ্দেশ দিয়ে। বৈঠকত আয়ুক্ত গৰাকীয়ে লোকনিৰ্মাণ (গৃহ) বিভাগক ফৰেনচিক মহাবিদ্যালয়ৰ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ খণ্ড উন্নয়ন বিষয়া সকলক নিৰ্দেশ প্ৰদান কৰে। বৈঠকৰ আৰম্ভণিতে আন্তঃবিভাগীয় আৰু যোৱা মাহৰ বৈঠকত প্ৰদান কৰা নিৰ্দেশনা সমূহৰ খতিয়ান গ্ৰহণ কৰে। আজিৰ বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে আদিত্য গগৈ আৰু গীতাশ্ৰী লাচিত, ৰঙিয়া সম-জিলা আয়ুক্ত দেবাশীষ গোস্বামী আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# লাওখোৱা নবীনচন্দ্ৰ বৰদলৈ স্কুলত মধ্যাহ্ন ভোজনত অনিয়মৰ অভিযোগ

**অসম বাৰ্তা, ৰূপহীহাট, ১৯ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ লাওখোৱা শিক্ষাখণ্ডৰ অন্তৰ্গত নবীন চন্দ্ৰ বৰদলৈ প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ্থীসকলক দুপৰীয়া মধ্যাহ্ন ভোজনৰ খাদ্যৰ নামত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ দুপৰীয়া আহাৰত অতি নিম্ন মানৰ খাদ্য যোগান ধৰা বুলি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। খাদ্য গ্ৰহণৰ সময়ত শিক্ষাৰ্থীসকলে পোকে ধৰা চাউলেৰে ভাত বনোৱাৰ কথা গম পাই বাচন-বৰ্তন দলিয়াই দিয়ে। পোক আৰু দুৰ্গোন্ধময় চাউলেৰে ভাত বনাই শিক্ষাৰ্থীক খুওৱা বুলি একাংশ অভিভাৱকে অভিযোগ তুলিছে। বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন দিয়াৰ নামত এইদৰে ব্যাপক অনিয়মৰ সংঘটিত কৰি অহাৰ অভিযোগ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰীয়ে উত্থাপিত কৰে। কণকণ শিক্ষাৰ্থীক গেলা চাউলৰ ভাল যোগান ধৰাৰ অভিযোগ তুলি মজুত থকা সামগ্ৰীক সঠিক পৰীক্ষা কৰি উচিত তদন্ত কৰিবলৈ অভিভাৱকসকলে আহ্বান জনায়।

## বিভিন্ন প্ৰতিযোগিতা, মুকলি সভা

# সমাজৰ সমূহীয়া উৎসৱ উদ্‌যাপন



**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১৯ ডিচেম্বৰ ঃ** আজি লখিমপুৰ জিলাৰ কৰকণি শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত সমাজৰ সমূহীয়া উৎসৱ ২০২৫-২৬ অনুষ্ঠিত হয়। লখিমপুৰ জিলা মিছন সমন্বয়ক কাৰ্যালয়ৰ সৌজন্যত তথা লখিমপুৰ শিক্ষাখণ্ডৰ ভীমপৰা সম্প্ৰসাৰণ-১ মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত ভীমপৰা সম্প্ৰসাৰণ-১ মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্ভুক্ত এচ টি কে জনজাতি মধ্য ইংৰাজী বিদ্যালয়, শংকৰদেৱ কৰকণি মধ্য ইংৰাজী বিদ্যালয়, শংকৰদেৱ প্ৰাথমিক বিদ্যালয়, পুথিমাৰী কৰকণি প্ৰাথমিক বিদ্যালয় আৰু ভুমাচাপৰি প্ৰাথমিক বিদ্যালয়ে অংশগ্ৰহণ কৰে। পুৱাৰ ভাগত শিক্ষক দেৱী প্ৰসাদ উপাধ্যায়ে আঁত ধৰা ক্ৰিড়া প্ৰতিযোগিতাত বিদ্যালয়সমূহৰ মাতৃগোটৰ সদস্যাসকলৰ মাজত টেকেলি ভঙা প্ৰতিযোগিতা, চকী খেল প্ৰতিযোগিতা আৰু ঐনিতম প্ৰতিযোগিতা অনুষ্ঠিত হয়। ঐনিতম প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ভুমাচাপৰি প্ৰাথমিক বিদ্যালয়ৰ মাতৃগোটৰ সদস্যা বীণাপানী কামানে, দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে পুথিমাৰী কৰকণি প্ৰাথমিক বিদ্যালয়ৰ মাতৃগোটৰ সদস্যা ক্ৰমে সত্যৱতী দলে আৰু মমী মিলিয়ে। চকীখেল প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰে পুথিমাৰী কৰকণি প্ৰাথমিক বিদ্যালয়ৰ মাতৃগোটৰ সদস্যা গীতা মিলি, দ্বিতীয় স্থান দখল কৰে শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ৰ ইন্দিৰা শইকীয়া আৰু তৃতীয় স্থান দখল কৰে পুথিমাৰী কৰকণি প্ৰাথমিক বিদ্যালয়ৰ কল্পনা মিলিয়ে। টেকেলি ভঙা প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰে এচ টি কে জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ অভিভাৱিকা ৰুনজুন মিলি, দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ৰ ক্ৰমে অঞ্জনা বৰা আৰু ইন্দিৰা শইকীয়াই। প্ৰতিযোগিতাৰ পিছতে মুকলি আৰু বঁটা বিতৰণি সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে কৰকণি শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ভোগৰাম পাঠকে তথা উদ্দেশ্যে ব্যাখ্যা কৰে ভীমপৰা আৰু ভীমপৰা সম্প্ৰসাৰণ -১ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ধীৰু শইকীয়াই। সভাত লখিমপুৰ শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ইজাজুল হুছেইন, সৰ্বাত্মক শিক্ষাৰ সমল ব্যক্তি পংকজ হাজৰিকা, ঘূণাসুঁতি মণ্ডল সমল কেন্দ্ৰৰ চি আৰ চি চি বুবুল দত্তকে আদি কৰি সমাজৰ সমূহীয়া উৎসৱত অংশগ্ৰহণ কৰা বিদ্যালয়সমূহৰ প্ৰধান শিক্ষক, সহকাৰী শিক্ষকসকল উপস্থিত থাকে। সভাৰ শেষত বঁটা বিতৰণ কৰা হয়।

## "জীৱনত সফল হ'বলৈ হ'লে চাকৰি পাবই লাগিব বুলি কথা নাই" ঃ মন্ত্ৰী ৰূপেশ গোৱালা

# ডুমডুমাত 'উদ্দীপন'ৰ সামৰণি অনুষ্ঠান

### স্নাতক যুৱক-যুৱতীসকললৈ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিনামূলীয়া প্ৰশিক্ষণ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা/ তিনিচুকীয়া, ১৯ ডিচেম্বৰ ঃ** "জীৱনত সফল হ'বলৈ হ'লে চাকৰি পাবই লাগিব বুলি কথা নাই"- এই মন্তব্য কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাৰ। মন্ত্ৰী গোৱালাই লগতে কয় "ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জীৱনৰ লক্ষ্য কেতিয়াও পাহৰিব নালাগে। সময়ৰ সৎব্যৱহাৰ যিয়ে কৰিব জানে, তেওঁৱেই জীৱনত সফল হব পাৰিব। ছাত্ৰ জীৱনৰ সময়খিনি যেতিয়া অবাবত গুছি যাব, তেতিয়া অনুশোচনা কৰিব লাগিব। জীৱনত আমি প্ৰত্যাহ্বানবিলাক গ্ৰহণ কৰি আগুৱাই যাব লাগিব। আমাৰ ল'ৰা-ছোৱালীবিলাকৰ যথেষ্ট দক্ষতা, যোগ্যতা আছে। আমি এজন ভাল মানুহ গঢ় দিয়াৰ লগতে মানৱ সম্পদো গঢ়িব লাগিব। মানৱ সম্পদ গঢ় দিবলৈ হ'লে এনেকুৱা ধৰণৰ প্ৰডাক্টিভ কামবোৰ কৰিব লাগিব। সৰু সৰু কামবিলাকে মানুহৰ জীৱনলৈ পৰিৱৰ্তন আনে। এনে পৰিৱৰ্তনে মানুহ এজনক সম্পূৰ্ণৰূপে সলনি কৰি তুলিব পাৰে।" তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ যুৱ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই ডুমডুমা বিধানসভা সমষ্টিৰ শৈক্ষিক দিশৰ উত্তৰণৰ বাবে হাতত লোৱা 'উদ্দীপন' নামেৰে এলানি বিশেষ কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ত ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত স্নাতক ডিগ্ৰীধাৰী চাকৰি প্ৰত্যাশী যুৱক-যুৱতীসকলৰ বাবে গ্ৰহণ কৰা বিনামূলীয়া প্ৰশিক্ষণৰ আজি সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি এইদৰে কয়। আজি ডুমডুমাৰ হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ 'কৃষ্ণচূড়া' প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত কেবিনেট মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাগ্ৰহণৰ প্ৰতি আকৰ্ষিত কৰিবলৈ হ'লে তেওঁলোকক খেলা-ধূলা, ফুৰা-চকা, আনন্দ উপভোগৰ দৰে মাধ্যমসমূহো গ্ৰহণ কৰাটো প্ৰয়োজনীয় বুলি উল্লেখ কৰে। তেওঁ প্ৰশিক্ষাৰ্থীসকলক নিষ্ঠা আৰু একাগ্ৰতাৰে অনুশীলন চলাই নিজৰ ইপ্সিত লক্ষ্যত উপনীত হ'বলৈ আহ্বান জনাই সকলো প্ৰতিকূলতা নেওচি সফল হ'ব পৰা জনকহে প্ৰকৃতাৰ্থত সফল বুলি ক'ব পাৰি বুলি কয়। বিধায়ক হোৱাৰ পূৰ্বে সমাজৰ বিভিন্ন কামৰ সৈতে জড়িত হৈ সমাজৰ উত্তৰণৰ বাবে চেষ্টা চলাইছিল বুলি কৈ মন্ত্ৰী গোৱালাই শিক্ষিত যুৱক-যুৱতীসকলক তেওঁলোকৰ কামৰ মাজতে কিছু সময় উলিয়াই নিজ নিজ অঞ্চলৰ উন্নয়নৰ বাবে সামৰ্থ অনুসৰি অলপ কাম কৰিবলৈও আহ্বান জনায়। তেওঁ আগন্তুক দিনবোৰতো সমষ্টিটোৰ শৈক্ষিক দিশৰ উত্তৰণৰ বাবে আৰু অধিক কাম কৰি যাব বুলি কয়। উল্লেখ্য যে, এই 'উদ্দীপন' কাৰ্যসূচীৰ জৰিয়তে ADRE, SSC, Railway, Banking আদি প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আগ্ৰহী শিক্ষাৰ্থীসকলে নিজকে প্ৰস্তুত কৰিব পৰাকৈ সুযোগ দিয়া হৈছিল। এই প্ৰশিক্ষণ Prayash Human Resource Development



Society ৰ উদ্যোগত আৰু Majestic Academy, Guwahati ৰ সহযোগত প্ৰদান কৰা হৈছিল। চলিত বৰ্ষৰ ৭ জুনত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা এই ছমহীয়া প্ৰশিক্ষণ যোৱা ৭ ডিচেম্বৰত অন্ত পৰে। ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত দুইশতাধিক ছাত্ৰ-ছাত্ৰীয়ে গ্ৰহণ কৰা এই বিনামূলীয়া প্ৰশিক্ষণৰ আজিৰ সামৰণি অনুষ্ঠানত কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাৰ লগতে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ সাংবাদিক অৰ্জুন বৰুৱা, ডুমডুমা পৌৰসভাৰ সভানেত্ৰী কান্তা ভট্টাচাৰ্য, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, পৰিচালনা সমিতিৰ সভাপতি তথা ৰূপাই হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত, হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ অলিপ খান, প্ৰশিক্ষণ প্ৰদানকাৰী সংস্থা SPM IAS Academyৰ প্ৰতিনিধি অভিষেক চাহু, ডুমডুমাৰ বিশিষ্ট চিকিৎসক, সমাজসেৱক ডাঃ প্ৰণৱ জ্যোতি ডেকা, ডুমডুমা চেম্বাৰ্ছ অৱ কমাৰ্চৰ সভাপতি কিষাণ লাল পাৰিক উপস্থিত থাকে। 'উদ্দীপন'ৰ আহ্বায়কদ্বয় অভিজিৎ খাটনিয়াৰ আৰু দিলীপ প্ৰসাদে আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে যুটীয়া আহ্বায়ক অভিজিৎ খাটনিয়াৰে। অনুষ্ঠানত ড° অমৰজিৎ শইকীয়া, ড° কমলেশ্বৰ কলিতা, SPM ৰ প্ৰতিনিধি অভিষেক চাহু আৰু ডাঃ প্ৰণৱ জ্যোতি ডেকাই বক্তব্য ৰাখে। অনুষ্ঠানত প্ৰশিক্ষণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ হৈ প্ৰীতম পূজাৰী আৰু অঞ্জলি নায়কে বক্তব্য ৰাখি এনে এক সুবিধা দিয়াৰ বাবে বিধায়ক তথা মন্ত্ৰী ৰূপেশ গোৱালাৰ শলাগ লয়। শেষত হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা 'উদ্দীপন'ৰ পৰিচালনা সমিতিৰ অন্যতম সদস্য অলিপ খানে শলাগ জ্ঞাপন কৰে। উক্ত অনুষ্ঠানতে ডুমডুমাত প্ৰথমবাৰৰ বাবে শৈক্ষিক দিশৰ উত্তৰণৰ বাবে এগৰাকী বিধায়কে লোৱা এনে এটা পদক্ষেপৰ বাবে ডুমডুমা চেম্বাৰ্ছ অৱ কমাৰ্চে ৰূপেশ গোৱালাক সম্বৰ্ধনা জনায়। 'উদ্দীপন'ৰ আহ্বায়কদ্বয় অভিজিৎ খাটনিয়াৰ আৰু দিলীপ প্ৰসাদক অনুষ্ঠানটিৰ সৈতে আৰম্ভণিৰে পৰা ওতঃপ্ৰোতভাৱে জড়িত থকাৰ বাবে সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে ডুমডুমা অঞ্চলৰ বহু কেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াৰ 'অসমৰ বাবে 'এ'

উন্নয়নমূলক কাহিনীৰ মৌলিক পৰিৱৰ্তন ঘটিছে। ঐতিহাসিকভাৱে জাতীয় মনোযোগৰ পৰিসীমাত থকা আমাৰ অঞ্চলটোৱে তেতিয়াৰ পৰাই অষ্টলক্ষ্মী আৰু উন্নয়নৰ নতুন ইঞ্জিন, নতুন ভাৰতৰ বৃদ্ধিৰ বহুগুণক হিচাপে ভাৰতৰ বৃদ্ধিৰ দৃষ্টিভংগীৰ মূললৈ আগবাঢ়িছে।

দশক দশক ধৰি ভূগোলক প্ৰায়ে অজুহাত হিচাপে, বৈচিত্ৰ্যক প্ৰত্যাহ্বান হিচাপে আৰু দূৰত্বক সীমাবদ্ধতা হিচাপে উল্লেখ কৰা হৈছিল। তথাপিও গভীৰ বিষয়টো আছিল ৰাজনৈতিক মনোযোগ আৰু উদ্দেশ্যৰ। ঐতিহাসিক আন্দোলনৰ পৰা জন্ম হোৱা আকাংক্ষাসমূহ বছৰ বছৰ ধৰি সমাধান নোহোৱাকৈয়ে থাকিল, আনহাতে অঞ্চলটোৰ অৰ্থনৈতিক আৰু কৌশলগত সম্ভাৱনা বহুলাংশে ব্যৱহাৰ নোহোৱা হৈ গ'ল। এই জড়তা 'পৰিবৰতন'ৰ পৰিৱৰ্তন আৰম্ভ হৈছিল ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীজীৰ শক্তিশালী নেতৃত্বৰ পৰা।

প্ৰধানমন্ত্ৰী মোডী জীৰ নেতৃত্বত অসমে ২০১৬ চনৰ পৰা বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰ গঠনৰ লগে লগে শক্তিশালী প্ৰকাশভংগী লাভ কৰি প্ৰকৃত ডাবল ইঞ্জিন চৰকাৰৰ গতিবেগ সৃষ্টি কৰে। অসমে স্পষ্ট উদ্দেশ্যেৰে চিহ্নিত, ঘোষণাৰ ওপৰত কাৰ্যকৰীকৰণৰ ওপৰত স্পষ্টভাৱে গুৰুত্ব আৰোপ কৰি, ফ্লেগশ্বিপ কেন্দ্ৰীয় পদক্ষেপে যাতে স্থলভাগত দৃশ্যমান ফলাফল প্ৰদান কৰে, সেইটো নিশ্চিত কৰি এক নতুন উন্নয়ন চক্ৰত প্ৰৱেশ কৰিলে। এইমছ গুৱাহাটী, লোকপ্ৰিয়া গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল, স্বাহিদ স্মাৰক, নুমলীগড় বায়'-ইথানল প্লাণ্ট আৰু বটাদ্ৰৱ থান প্ৰকল্পকে ধৰি অসমৰ আধুনিক ট্ৰেজেক্টৰী গঢ় দিয়া কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ ভেটি স্থাপন কৰা হয়। তেওঁলোকৰ ক্ৰমান্বয়ে কমিছনিঙৰ লগে লগে বিজেপি নেতৃত্বাধীন এন ডি এৰ বৃদ্ধিৰ দৃষ্টিভংগী, ইয়াক বাস্তৱায়িত কৰাৰ মিছন, আৰু শেষত কমিচন দিয়াৰ শাসন ব্যৱস্থাই শক্তিশালী প্ৰকাশ পাইছিল।

উত্তৰ-পূৰ্বৰ বাজেট আবণ্টন ২০১৪-১৫ চনত ২, ৩৩২ কোটিৰ পৰা ২০২৪-২৫ চনত ৫, ৯০০ কোটি লৈ বৃদ্ধি পাইছে-২.৫গুণ বৃদ্ধি। ২০১৭ চনৰ পৰা ২০২৩ চনৰ ভিতৰত ১.৩৫ লাখ কোটিৰো অধিক মূল্যৰ বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পই সমগ্ৰ অঞ্চলটোৰ সামাজিক আৰু ভৌতিক আন্তঃগাঁথনি শক্তিশালী কৰিছে। এই স্থায়ী বিনিয়োগে ঐতিহাসিক ভাৰসাম্যহীনতা শুধৰাইছে আৰু ৰাজ্যত বিনিয়োগ কৰিবলৈ ব্যৱসায়িক স্বাৰ্থৰ মাজত আস্থা ঘূৰাই আনিছে।

সংযোগৰ আটাইতকৈ শক্তিশালী অনুঘটক হৈ আহিছে। উত্তৰ-পূবত ৰে'লৰে বিনিয়োগ পাঁচগুণ বৃদ্ধি পাইছে, ক্ৰমবৰ্ধমান আবণ্টন ৬২, ০০০ কোটিতকৈ অধিক হৈছে আৰু ৭৭, ০০০ কোটিতকৈ অধিক মূল্যৰ প্ৰকল্প চলি আছে। বগীবিল ৰে'ল-কম-ৰোড দলঙৰ লগতে ড০ ভূপেন হাজৰিকা সেতুৰ দৰে অভিযান্ত্ৰিক ল্যাণ্ডমাৰ্কে অসমৰ লজিষ্টিক ক্ষেত্ৰখন স্থায়ীভাৱে সলনি কৰাৰ বিপৰীতে ৰাজ্যৰ ৰাজধানীসমূহৰ সৈতে ৰে'ল সংযোগে অঞ্চলটোক ৰাষ্ট্ৰীয় মূলসুঁতিৰ সৈতে একত্ৰিত কৰিছে।

পথৰ আন্তঃগাঁথনিও একেধৰণৰ ঠেলাৰ সাক্ষী হৈছিল, ১১, ০০০ কিলোমিটাৰতকৈ অধিক ঘাইপথ উন্নীতকৰণ বা নিৰ্মাণ কৰা হৈছিল, যাৰ ফলত বজাৰ, স্বাস্থ্যসেৱা আৰু শিক্ষাৰ সুবিধা উন্নত হৈছিল। ইউডিএন আঁচনিৰ সহায়ত বিমান সংযোগ দুগুণ বৃদ্ধি পাইছে।

এই যাত্ৰাৰ এক সংজ্ঞায়িত মাইলৰ খুঁটি হৈছে গুৱাহাটীৰ লোকপ্ৰিয়া গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত প্ৰধানমন্ত্ৰী মোডী জীয়ে নতুন টাৰ্মিনেল ভৱনৰ উদ্বোধন। দশক দশক ধৰি অসমৰ প্ৰধান বিমানবন্দৰটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ হিচাপে গুৱাহাটীৰ ভূমিকা লোৱাৰ পাছতো সংকট ক্ষমতাৰে কাম কৰিছিল। নতুন টাৰ্মিনেলটোৱে সেই অৱহেলাৰ উত্তৰাধিকাৰৰ পৰা নিৰ্ণায়ক বিৰতিৰ সূচনা কৰিছে।

১.৪০ লাখ বৰ্গমিটাৰত বিস্তৃত-পূৰ্বৰ টাৰ্মিনেলৰ প্ৰায় সাতগুণ-নতুন সুবিধাটোৱে বাৰ্ষিক যাত্ৰী পৰিচালনা ক্ষমতা ৩৪ লাখৰ পৰা ১৩ মিলিয়নতকৈ অধিকলৈ বৃদ্ধি কৰে আৰু শীৰ্ষ ঘণ্টাৰ ক্ষমতা ৮০০ যাত্ৰীৰ পৰা প্ৰায় ৩, ৯০০লৈ বৃদ্ধি পাইছে। বিমান পাৰ্কিং বৃদ্ধি কৰি বহল শৰীৰৰ কাৰ্য্যকলাপ অন্তৰ্ভুক্ত কৰা হৈছে, গাড়ী পাৰ্কিঙৰ লগতে নিৰাপত্তা আৰু লটাৰী ব্যৱস্থাও বৃদ্ধি কৰা হৈছে। প্ৰায় ৪, ০০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত এই টাৰ্মিনেলটোৱে গুৱাহাটীক বিশ্ব মানদণ্ডৰ সৈতে মিলাইছে আৰু অঞ্চলটোৰ প্ৰধান পৰিবহণ কেন্দ্ৰ হিচাপে অসমৰ স্থান দৃঢ় কৰি তুলিছে।

অসমৰ ৰূপান্তৰৰ আন এক স্তমভ হিচাপে আত্মপ্ৰকাশ কৰিছে অভ্যন্তৰীণ জলপথ। অঞ্চলটোৰ সভ্যতাৰ কেন্দ্ৰীয় ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী এতিয়া ভাৰতৰ আধুনিক লজিষ্টিক নেটৱৰ্কত একত্ৰিত কৰা হৈছে। ব্ৰহ্মপুত্ৰ (NW-2) আৰু বৰাক (NW-16) পাণ্ডু, ধুবুৰী, যোগীঘোপা আৰু বগীবিলত আশ্বস্ত-গভীৰ ড্ৰেজিং, আধুনিক কাৰ্গো আৰু পৰ্যটন টাৰ্মিনেল, জাহাজ মেৰামতি আৰু নেভিগেচনেল আন্তঃগাঁথনিৰ উন্নয়নৰ সাক্ষী হৈ আছে। এইবোৰে আমাৰ পৰিবহণ মেট্ৰিক্সক সমৃদ্ধ কৰিলে যাৰ ফলত খৰচ কম হ'ল, মাল্টিম'ডাল সংযোগ উন্নত হ'ল আৰু ব্যৱসায়িক আগ্ৰহক বিশ্ব বাণিজ্যৰ সৈতে পুনৰ সংযোগ কৰিলে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী জীৰ দূৰদৰ্শী নেতৃত্বত ঔদ্যোগিক বৃদ্ধিয়ে সংযোগ অনুসৰণ কৰিছে। ২২ হাজাৰ কোটিৰো অধিক বিনিয়োগেৰে নুমলীগড় শোধনাগাৰ ৩ৰ পৰা ৯ এমএমটিপিএলৈ সম্প্ৰসাৰণে শক্তি কেন্দ্ৰ হিচাপে অসমৰ ভূমিকা শক্তিশালী কৰিছে। নুমলীগড়ত ভাৰতৰ প্ৰথমটো বাঁহ ভিত্তিক জৈৱ শোধনাগাৰে সেউজ শক্তিৰ পৰিৱৰ্তনক আগুৱাই নিয়াৰ সমান্তৰালকৈ হাজাৰ হাজাৰ কৃষকক সবল কৰি তুলিছে। প্ৰধানমন্ত্ৰী মোডী জীয়ে নামৰূপ চতুৰ্থ সাৰ উদ্যোগ স্থাপনৰ আধাৰশিলা স্থাপন কৰাৰ লগে লগে ইয়াৰ লক্ষ্য হৈছে অসমৰ লগতে উত্তৰ-পূবৰ কৃষকসকলৰো পাঁচ দশক পুৰণি আকাংক্ষা পূৰণ কৰাৰ লগতে ৰাষ্ট্ৰীয় সাৰ স্বাৱলম্বীতাক শক্তিশালী কৰা। জাগীৰোডত আগন্তুক অৰ্ধপৰিবাহী সমাবেশে অসমৰ উচ্চ প্ৰযুক্তিৰ উৎপাদন আৰু বিশ্বব্যাপী যোগান শৃংখলত প্ৰৱেশৰ সংকেত দিয়ে।

ব্ৰহ্মপুত্ৰৰ কাষে কাষে নদী সংৰক্ষণৰ পদক্ষেপৰ বাবে সমন্বিত ৰাষ্ট্ৰীয় প্ৰচেষ্টা, উত্তৰ-পূৰ্বাঞ্চলৰ বাবে লক্ষ্যভিত্তিক সমৰ্থন, আৰু নগৰ নবীকৰণ অভিযান-প্ৰতিফলিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অঞ্চলটোৰ উন্নয়নত আন্তঃগাঁথনি, পৰিস্থিতিতন্ত্ৰ আৰু ৰাজহুৱা স্থানৰ সংমিশ্ৰণত গুৰুত্ব আৰোপ কৰাৰ জৰিয়তে অসমৰ নদীৰ পাৰৰ উন্নয়ন আগবঢ়াই নিয়া হৈছে। খেত্ৰীস্থিত ইণ্ডো-ইজৰাইল চেণ্টাৰ অৱ এ'লেন্স ফৰ ভেজিটেবলে অসমৰ কৃষকসকলক ড্ৰিপ ইৰিগেচন, সুৰক্ষিত খেতি আৰু মাটিবিহীন খেতিৰ ইজৰাইলী বিশেষজ্ঞতাৰ পৰিচয় দিয়ে। ভাৰত-ইজৰাইল কৃষি প্ৰকল্প (আই আই এ পি)ৰ অধীনত ৰূপায়িত ই কেন্দ্ৰীভূত প্ৰযুক্তি হস্তান্তৰ আৰু উচ্চ মূল্যৰ শস্য প্ৰসাৰৰ জৰিয়তে জলবায়ু-স্মাৰ্ট কৃষিক শক্তিশালী কৰিছিল।

স্বাস্থ্যসেৱা আৰু শিক্ষাতো গাঁথনিগত পৰিৱৰ্তন দেখা গৈছে। এইমছ গুৱাহাটী-উত্তৰ-পূবৰ প্ৰথমটো-এটা আঞ্চলিক স্বাস্থ্যসেৱাৰ এংকৰত পৰিণত হৈছে, যাৰ পৰিপূৰক হৈছে বহল কেন্সাৰ কেয়াৰ নেটৱৰ্কৰ পৰিপূৰক হিচাপে নতুন মেডিকেল কলেজ। দক্ষতা বিকাশ আৰু শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগে মানৱ পুঁজিক শক্তিশালী কৰি তুলিছে। এই স্বাস্থ্যসেৱা নেটৱৰ্কে অসমক বিশ্বমানৰ স্বাস্থ্যসেৱা প্ৰদানৰ এক অনন্য সুযোগ প্ৰদান কৰে, ৰাইজৰ এক আকাংক্ষা অৱশেষত বাস্তৱায়িত হৈছে।

সমানেই তাৎপৰ্যপূৰ্ণ অসমৰ আৱেগিক আৰু ঐতিহাসিক চেতনাৰ প্ৰতি পি এম মোডীৰ সংবেদনশীলতা। মোডী জীয়ে পি এম হোৱাৰ বহু আগতেই আমাৰ মৰমৰ 'গামুছা' পিন্ধা বাবে অসমীয়া সংস্কৃতিৰ আটাইতকৈ ডাঙৰ ব্ৰেণ্ড এম্বেছাদৰ হৈ আহিছে। ইয়াৰ পৰাই তেওঁৰ জনসাধাৰণৰ প্ৰতি, তেওঁলোকৰ সংস্কৃতি আৰু তেওঁলোকৰ পৰিচয়ৰ প্ৰতি অদম্য প্ৰেমৰ পৰিচয় পোৱা যায়। অসম আন্দোলনৰ শ্বহীদসকলক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হৈছে, তেওঁলোকৰ বলিদানক 'স্বাহিদ স্মাৰক ক্ষেত্ৰ'ৰ জৰিয়তে প্ৰতিষ্ঠানিকৰণ কৰা হৈছে, আৰু তেওঁলোকৰ পৰিয়ালক মৰ্যাদাৰে স্বীকৃতি দিয়া হৈছে। ২০১৯ চনত ডাঃ ভূপেন হাজৰিকাৰ বাবে আমাৰ আইকন লাচিত বৰফুকন আৰু ভাৰত ৰত্নৰ বাবে বহুদিনীয়া ৰাষ্ট্ৰীয় স্বীকৃতিয়ে সাংস্কৃতিক গৌৰৱ পুনৰুদ্ধাৰ কৰাৰ লগতে ঐতিহাসিক বাদ পৰাৰ সংশোধন কৰিছে। যিহেতু ঐতিহাসিক চৰাইদেউ মৈদাম ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে, সেয়েহে ই ৰাজ্যখনৰ চহকী সভ্যতা আৰু সাংস্কৃতিক উত্তৰাধিকাৰৰ প্ৰতি বিশ্বব্যাপী স্বীকৃতি কঢ়িয়াই আনে।

আজি অসম পূৰ্বতকৈ অধিক সংযুক্ত, অধিক আত্মবিশ্বাসী আৰু অধিক প্ৰতিযোগিতামূলক থিয় দিছে। আস্থা, নিৰ্ণায়ক শাসন আৰু আন্তঃগাঁথনি পৰিচয়ৰ সৈতে একত্ৰিত কৰা দীৰ্ঘম্যাদী দৃষ্টিভংগীৰ ওপৰত নিৰ্মিত অসম-এডভাণ্টেজ অসমৰ বাবে মোডী জীৰ "এ"। এটা স্পষ্ট দিশেৰে যাত্ৰা অব্যাহত আছে: শক্তিশালী ভাৰতৰ বুকুত শক্তিশালী অসম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অঞ্চলটোৰ জনসাধাৰণৰ আশা আৰু আকাংক্ষাক চেম্পিয়ন কৰি অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বৃদ্ধিৰ কাহিনীৰ বাবে এচ অব্যাহত ৰাখিছে।

*লেখক বন্দৰ, জাহাজ আৰু জলপথ কেন্দ্ৰীয় মন্ত্ৰী*

# অনিৰ্দিষ্টকাললৈ স্থগিত ঘোষণা

ৰাজ্যসভা দুয়োখন সদনতে কাৰ্যসূচী আৰম্ভ হোৱাৰ কিছু সময়ৰ পিছতে 'বন্দে মাতৰম' পৰিৱেশনৰ লগে লগে স্থগিত ঘোষণা কৰা হয়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অধিৱেশনৰ সামৰণিত উল্লেখ কৰে যে সদনৰ উৎপাদনশীলতা ১১১ শতাংশ হৈছে, যি অতি উৎকৃষ্ট ফলাফল বুলি গণ্য কৰা হৈছে। এই অধিৱেশনত বহুকেইটা গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত হৈছে আৰু সদস্যসকলে দেৰিকৈ নিশালৈকে আলোচনাত অংশগ্ৰহণ কৰি সহযোগিতা আগবঢ়াইছে। অধিৱেশনৰ সামৰণিত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই নিজৰ চেম্বাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বিভিন্ন দলৰ নেতা আৰু সাংসদসকলৰ সৈতে এক বৈঠকত মিলিত হয়। এই ঐতিহাসিক বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কংগ্ৰেছৰ সাংসদ প্ৰিয়ংকা গান্ধী বঢ়ৰা আৰু অন্যান্য বিৰোধী দলৰ নেতাসকলো উপস্থিত থাকে। বৈঠকত সদস্যসকলে নতুন সংসদ ভৱনত এটা নিৰ্দিষ্ট হলৰ সুবিধাৰ দাবী উত্থাপন কৰে, যাৰ উত্তৰত এগৰাকী জ্যেষ্ঠ মন্ত্ৰীয়ে পুৰণি সংসদ ভৱনত একেধৰণৰ সুবিধা থকাৰ কথা উল্লেখ কৰে যদিও তাৰ ব্যৱহাৰ কম হোৱা বুলি মন্তব্য কৰে। সদস্যসকলে এই অধিৱেশনক অতি উৎপাদনশীল বুলি অভিহিত কৰি কয় যে ইয়াৰ সময়সীমা বৃদ্ধি কৰিলে ভাল হ'লহেঁতেন, কিয়নো মাজনিশা আইন প্ৰণয়ন কৰাটো আদৰ্শ নহয়। লঘু সুৰত বিৰোধী দলৰ অহৰহ প্ৰতিবাদৰ বাবেই অধিৱেশন চমু কৰা বুলি উল্লেখ কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে ধেমেলীয়া সুৰত মন্তব্য কৰে যে তেওঁ বিৰোধীসকলৰ কণ্ঠৰোধ কৰিব নিবিচাৰে। তেওঁ এন কে প্ৰেমচন্দ্ৰনৰ দৰে সদস্যৰ অৱদানৰ প্ৰশংসা কৰে আৰু প্ৰেমচন্দ্ৰনে কয় যে তেওঁলোক সদায় আলোচনাৰ বাবে সাজু। বৈঠকত প্ৰিয়ংকা গান্ধীৰ সমষ্টি ৱায়ানাদৰ বিষয়েও আলোচনা হয় আৰু প্ৰিয়ংকাই কৰা এটা মন্তব্যত প্ৰধানমন্ত্ৰীক হাঁহি থকা দেখা যায়। এই বৈঠকত সকলোৱে মিলাপ্ৰীতিৰ সৈতে কথা-বতৰা পাতে। অধিৱেশনৰ সময়ত প্ৰিয়ংকা গান্ধীয়ে প্ৰধানমন্ত্ৰী মোদী আৰু কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে সাক্ষাৎ কৰে। বৃহস্পতিবাৰে তেওঁ গাডকাৰীৰ সৈতে সাক্ষাতৰ অনুৰোধ কৰিছিল আৰু কিছু সময়ৰ পিছতে দুয়োগৰাকীৰ মাজত বৈঠক অনুষ্ঠিত হয়। এই সাক্ষাৎকাৰত ৱায়ানাদ সমষ্টিৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰা হয়। অধিৱেশনৰ অন্যতম বিতৰ্কিত বিষয় আছিল 'ভিক্সিত ভাৰত গেৰাণ্টি ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিছন (গ্ৰামীণ)' বা 'ভিবি-জি ৰাম জি' বিধেয়ক। বৃহস্পতিবাৰে পুৱা লোকসভাত আৰু মধ্যৰাতিৰ পিছত ৰাজ্যসভাত এই বিধেয়ক গৃহীত হয়। বিধেয়কখনে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ গেৰাণ্টি আঁচনি (মনৰেগা)ক সলনি কৰিব আৰু গ্ৰাম্য অঞ্চলত ১২৫ দিনৰ নিয়োগৰ গেৰাণ্টি দিয়াৰ কথা ঘোষণা কৰে। কিন্তু বিৰোধী দলসমূহে এই বিধেয়কক লৈ তীব্ৰ প্ৰতিবাদ কৰে। তেওঁলোকে অভিযোগ উত্থাপন কৰে যে এই আঁচনিয়ে দুখীয়া লোকসকলৰ ক্ষতি কৰিব আৰু মহাত্মা গান্ধীক অপমান কৰাৰ সমতুল্য। বিৰোধীসকলে বিধেয়কখন নিৰ্বাচিত সমিতিলৈ প্ৰেৰণ কৰিবলৈ দাবী জনায়। বিতৰ্কৰ সময়ত বিৰোধী সাংসদসকলে হুলস্থূলৰ সৃষ্টি কৰে আৰু বিধেয়ক গৃহীত হোৱাৰ পিছত সংসদ চত্বৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। তৃণমূল কংগ্ৰেছৰ সাংসদসকলে সমগ্ৰ নিশা সংসদৰ মকৰ দ্বাৰত ধৰ্ণাত বহে। বিৰোধী দলসমূহে এই বিধেয়কৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদৰ কাৰ্যসূচী ঘোষণা কৰিছে। এই অধিৱেশনত আন কেইবাটাও গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত হৈছে যদিও 'ভিবি-জি ৰাম জি' বিধেয়কৰ বিতৰ্কই সৰ্বাধিক চৰ্চা লাভ কৰিছে। সংসদৰ পৰৱৰ্তী অধিৱেশন বাজেট অধিৱেশন হিচাপে অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে।

# প্ৰটিয়াছ বাহিনীক ৰোধ কৰি

টি-২০ শৃংখলাৰ অন্তিমখন মেচত ৩০ ৰানত পৰাস্ত কৰে। এই জয়েৰে ভাৰতীয় দলে ৩-১ ব্যৱধানত দখল কৰে টি-২০ শৃংখলা। এই দ্বিপাক্ষিক শৃংখলাৰ চতুৰ্থখন মেচ বাতিল হোৱাৰ পিছত শৃংখলা জয়ৰ বাবে ভাৰতক অন্তিম মেচত জয় অনিবাৰ্য হৈ পৰিছিল। অৱশ্যে উজ্জীৱিত প্ৰদৰ্শন দাঙি ধৰি ভাৰতে আহমেদাবাদত অনুষ্ঠিত মেচখনত জয় লাভেৰে শৃংখলা হস্তগত কৰে। এইদৰে ভাৰতে টেষ্ট শৃংখলাত শোচনীয় পৰাজয়ৰ পিছত সীমিত অভাৰৰ দুয়োটা শৃংখলাত জয়েৰে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে দ্বিপাক্ষিক প্ৰতিদ্বন্দ্বিতাৰ সামৰণি মাৰে। শৃংখলাৰ অন্তিম মেচখনত ভাৰতৰ জয়ত উজলি উঠে কেইবাগৰাকীও তাৰকা। শুভমন গিলৰ অনুপস্থিতিত এই মেচখনত পুনৰ এবাৰ দলত সুযোগ লাভ কৰে সঞ্জু চেমচনে। অভিষেক শৰ্মাৰ সৈতে দলৰ ইনিংছ মুকলি কৰি চেমচনে ঘটায় এক সুন্দৰ আৰম্ভণি। মাত্ৰ ৫.৪ অভাৰত দুয়ো ৬৩ ৰানৰ যুটি বন্ধাৰ পিছত বিদায় লয় অভিষেকে। ফৰ্মত থকা অভিষেকে ২১ বলত ৬টা চাৰি আৰু এটা ছয়েৰে ৩৪ ৰান সংগ্ৰহ কৰে। ইয়াৰ পিছত চেমচনে তিলকৰ সৈতে যুটি বান্ধি দলীয় স্ক'ৰ ৯৭ ৰানলৈ আগুৱাই নিয়ে। ইনিংছক দীঘলীয়া ৰূপ দিব নোৱাৰিলেও চেমচনে সুযোগৰ সদব্যৱহাৰ কৰি ২২টা বলত ৪টা চাৰি আৰু ২টা ছয়েৰে ৩৭ ৰান সংগ্ৰহ কৰে। অৱশ্যে পুনৰ এবাৰ ব্যৰ্থ হৈ মাত্ৰ ৫ ৰান সংগ্ৰহ কৰি বিদায় লয় অধিনায়ক সূৰ্যকুমাৰ যাদৱে। সূৰ্যৰ বিদায়ৰ পিছত প্ৰটিয়াছ বলিং আক্ৰমণৰ সমুখত ত্ৰাস হৈ পৰে তিলক বাৰ্মা আৰু হাৰ্দিক পাণ্ডিয়া। দুয়ো ক্ৰীজত খোপনি পুতি মাৰমুখী বেটিঙেৰে দলৰ স্ক'ৰ ২০০ৰ পাৰ কৰায়। বিশেষকৈ হাৰ্দিক পাণ্ডিয়া হৈ পৰে অধিক আক্ৰমণাত্মক। মাত্ৰ ২৫টা বলত পাণ্ডিয়াই ৫টাকৈ চাৰি আৰু ছয়েৰে ২৫২ ষ্ট্ৰাইক ৰেটেৰে ৬৩ ৰান সংগ্ৰহ কৰে। আনহাতে তিলকে দললৈ সৰ্বাধিক ৭৩ ৰানৰ অৱদান আগবঢ়াই ইনিংছৰ অন্তিম অভাৰত বিদায় লয়। ৪২টা বলত ১০টা চাৰি আৰু এটা ছয়েৰে এই ইনিংছটো সজায় তিলক বাৰ্মাই। শেষলৈ শিৱম ডুবেই ৩টা বলত ১০ ৰান সংগ্ৰহ কৰি দলৰ স্ক'ৰ ২৩১ ৰানলৈ নিয়ে। দক্ষিণ আফ্ৰিকাৰ হৈ কৰ্বিন বস্কে দুটা উইকেট লাভ কৰে। ইফালে এই বৃহৎ স্ক'ৰ অনুসৰণ কৰি দক্ষিণ আফ্ৰিকায়ো সফল আৰম্ভণি ঘটাইছিল। দলটোৰ অপেনাৰদ্বয় ডি ক'ক আৰু হেনৰিকছে মাত্ৰ ৬.৩ অভাৰত ৬৯ ৰান যোগ দিয়ে। অৱশ্যে হেনৰিকছৰ বেটৰ পৰা আহে ইয়াৰ মাত্ৰ ১৩ ৰান। তেওঁক বিদায় দি প্ৰথমটো সফলতা আনে বৰুণ চক্ৰৱৰ্তীয়ে। ইয়াৰ পিছত ক'কে ব্ৰেভিছৰ সৈতে আগুৱাই নিয়ে দলৰ ইনিংছ। পুনৰ এবাৰ আকৰ্ষণীয় বেটিং প্ৰদৰ্শন দাঙি ধৰা অভিজ্ঞ ক'কে মাত্ৰ ৩৫টা বলত ৯টা চাৰি আৰু ৩টা ছয়েৰে দললৈ সৰ্বাধিক ৬৫ ৰান সংগ্ৰহ কৰে। তেওঁক বিদায় দি ভাৰতীয় শিবিৰক সকাহ দিয়ে বুমৰাহে। ইয়ৰ পিছত পাণ্ডিয়াৰ চিকাৰ হয় ব্ৰেভিচ (৩১)। এই দুই বেটাৰৰ বিদায়ৰ পিছত দক্ষিণ আফ্ৰিকাৰ কোনো এগৰাকী বেটাৰেই ক্ৰীজত বিশেষ দৃঢ়তা দেখুৱাব নোৱাৰিলে। নিজৰ স্পীন যাদুৰ প্ৰটিয়াছ শিবিৰৰ চাৰিটাকৈ উইকেট দখল কৰি বৰুণে ভাৰতীয় দলৰ জয়ৰ পথ সহজ কৰি তোলে। অৱশ্যে উইকেটৰ সফলতাৰ সমান্তৰালকৈ তেওঁ যথেষ্ট খৰচীও বিবেচিত হয়। বৰুণৰ বিপৰীতে বুমৰাহে মাত্ৰ ১৭ ৰান খৰচ কৰি দুটা উইকেট দখল কৰে। এটাকৈ উইকেট পায় অৰ্শদীপ আৰু পাণ্ডিয়াই। মেচখনত অলৰাউণ্ড প্ৰদৰ্শনৰ সুবাদত পাণ্ডিয়া মেচৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয়। আনহাতে ৪খন মেচত মুঠ ১০টা উইকেট দখল কৰা বৰুণ চক্ৰৱৰ্তীয়ে শৃংখলাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

# দুদিনীয়া ভ্ৰমণসূচীৰে আজি

অসমৰ গুৱাহাটী পাম। বিয়লি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰা হ'ব। ই অসমৰ আন্তঃগাঁথনিৰ বাবে এক বৃহৎ উত্থান। ক্ষমতা বৃদ্ধিৰ অৰ্থ হ'ল উন্নত 'ইজ অৱ লিভিং' আৰু বাণিজ্যৰ লগতে পৰ্যটনৰ বাবেও এক উত্থান।" এই পোষ্টৰ উত্তৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমবাসীয়ে প্ৰধানমন্ত্ৰীৰ আগমনৰ লগতে ভাৰতৰ প্ৰথম প্ৰকৃতি-থিমযুক্ত বিমানবন্দৰ টাৰ্মিনেল উদ্বোধনৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি আছে। "এয়া সম্ভৱ হৈছে কেৱল আপোনাৰ নেতৃত্ব আৰু অসমক এটা মূল উন্নয়নৰ ইঞ্জিন হিচাপে উন্নীত কৰাৰ প্ৰতি দায়বদ্ধতাৰ বাবে" শৰ্মাই উল্লেখ কৰে। ভ্ৰমণৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰীয়ে বিখ্যাত ভাস্কৰ্য্য শিল্পী ৰাম সুতাৰে নিৰ্মিত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। টাৰ্মিনেল উদ্বোধনৰ পিছত তেওঁ ভৱনটোৰ ভিতৰত প্ৰায় ১৫ মিনিট সময় কটাব আৰু টাৰ্মিনেলৰ বাহিৰত এখন ৰাজহুৱা সভাত ভাষণ দিব। তাৰ পিছত ৰোড শ্ব'ৰ জৰিয়তে বশিষ্ঠ অঞ্চলৰ বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়লৈ যাব, য'ত দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই দাবী কৰে যে ৰাজ্যখনত কোনো প্ৰধানমন্ত্ৰীয়ে বিজেপি কাৰ্যালয় ভ্ৰমণ কৰা এইবাৰেই প্ৰথম আৰু ই দলটোৰ বাবে এক ঐতিহাসিক অনুষ্ঠান। নিশা তেওঁ খানাপাৰাৰ কইনাধোৰাস্থিত ৰাজ্যিক অতিথিশালাত কটাব। দেওবাৰে পুৱা প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ নদীত ক্ৰুজ জাহাজ 'চৰাইদেউ'ত উঠি বিভিন্ন বিদ্যালয়ৰ ২৫ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সৈতে 'পৰীক্ষা পে চৰ্চা' কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তাৰ পিছত তেওঁ ১৯৭৯ৰ পৰা আৰম্ভ হোৱা ছবছৰীয়া অসম আন্দোলনৰ ৮৬০ গৰাকী শ্বহীদৰ স্মৃতিত নৱনিৰ্মিত 'স্বহীদ স্মাৰক ক্ষেত্ৰ' পৰিদৰ্শন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ প্ৰতিমূৰ্তিত মালা পিন্ধাই তেওঁ এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই স্মাৰকটোত শ্বহীদসকলৰ আৱক্ষ মূৰ্তি স্থাপন কৰা হৈছে আৰু ই অসম আন্দোলনৰ ঐতিহাসিকতাক স্মৰণ কৰাই দিয়ে। ইয়াৰ পিছত প্ৰধানমন্ত্ৰী ডিব্ৰুগড় জিলাৰ নামৰূপলৈ ৰাওনা হ'ব, য'ত তেওঁ প্ৰায় ১২ হাজাৰ কোটি টকাৰ এমোনিয়া-ইউৰিয়া সাৰ প্ৰকল্পৰ 'ভূমি পূজন' কৰিব। এই প্ৰকল্পই অসমৰ লগতে অন্যান্য ৰাজ্যৰ সাৰৰ প্ৰয়োজনীয়তা পূৰণত সহায় কৰিব আৰু আমদানি হ্ৰাস কৰি আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰিব বুলি মোদীয়ে উল্লেখ কৰিছে। নামৰূপত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ পিছত তেওঁ নতুন দিল্লীলৈ উভতি যাব। এই দুদিনীয়া কাৰ্যসূচীয়ে অসমৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰিব আৰু ৰাজ্যখনক এক নতুন উচ্চতালৈ লৈ যাব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে অসমবাসীৰ মাজত উৎসাহৰ সঞ্চাৰ কৰিছে।

# শ্বৰীফ ওছমান হাদীৰ মৃত্যু;

বিন হাদীৰ ছিংগাপুৰৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱাৰ খবৰে গোটেই দেশতে শোকৰ ছাঁ পেলাইছে। বিগত ১২ ডিচেম্বৰত ঢাকাৰ পুৰণা পল্টন অঞ্চলত নিৰ্বাচনী প্ৰচাৰৰ সময়ত অজ্ঞাত বন্দুকধাৰীয়ে তেওঁৰ মূৰত গুলীচালনা কৰিছিল। গুৰুতৰভাৱে আহত হোৱা হাদীক প্ৰথমে ঢাকা মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰা হয়, তাৰ পিছত এভাৰকেয়াৰ হাস্পতাললৈ স্থানান্তৰ কৰি ১৫ ডিচেম্বৰত উন্নত চিকিৎসাৰ বাবে বিমানযোগে ছিংগাপুৰলৈ লৈ যোৱা হৈছিল। ছিংগাপুৰৰ সাধাৰণ চিকিৎসালয়ত ছয় দিন ধৰি জীৱনৰ বাবে যুঁজি বৃহস্পতিবাৰে (১৮ ডিচেম্বৰ) নিশা তেওঁৰ মৃত্যু হয়। হাদীৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে ঢাকাত ব্যাপক প্ৰতিবাদ আৰু হুলস্থূলৰ সৃষ্টি হয়। একাংশ লোকে বিখ্যাত বাতৰি কাকত 'প্ৰথম আলো' আৰু 'ডেইলী ষ্টাৰ'ৰ কাৰ্যালয়ত আক্ৰমণ চলাই ভাঙি-চিগি জুই লগাই দিয়ে। ছ'চিয়েল মিডিয়াত প্ৰচাৰিত ভিডিঅ'ত দেখা গৈছে যে বিক্ষোভকাৰীসকলে লাঠি-চোফাৰে কাৰ্যালয়ৰ দুৱাৰ-খিৰিকী ভাঙি ভিতৰৰ আচবাব আৰু নথি-পত্ৰ উলিয়াই ৰাজপথত জুই দিয়ে। এই আক্ৰমণৰ ফলত দুয়োখন কাকতৰ কাৰ্যালয়ত আবদ্ধ হৈ পৰে কৰ্মচাৰীসকল। ইয়াৰ উপৰি চট্টগ্ৰামত ভাৰতীয় সহকাৰী হাই কমিছনাৰৰ কাৰ্যালয়তো প্ৰতিবাদকাৰীয়ে শিলগুটি নিক্ষেপ কৰে। অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে বৃহস্পতিবাৰে নিশা দেশবাসীক সম্বোধন কৰি হাদীৰ মৃত্যুৰ খবৰ ঘোষণা কৰে। তেওঁ কয়, "মই আপোনালোকৰ সন্মুখত অতি দুখজনক খবৰ লৈ আহিছোঁ। জুলাই অভ্যুত্থানৰ নিৰ্ভীক অগ্ৰসেনানী তথা ইনকিলাব মঞ্চৰ মুখপাত্ৰ শ্বৰীফ ওছমান হাদী এতিয়া আমাৰ মাজত নাই।" হাদীক 'পৰাজিত ফেচিষ্ট শক্তিৰ শত্ৰু' বুলি অভিহিত কৰি ইউনুছে তেওঁৰ হত্যাকাৰীক ক্ষিপ্ৰতাৰে গ্ৰেপ্তাৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে তেওঁ আগন্তুক শনিবাৰে (২০ ডিচেম্বৰ) ৰাষ্ট্ৰীয় শোক দিৱস ঘোষণা কৰে। এই দিনা চৰকাৰী, অৰ্ধচৰকাৰী, স্বায়ত্তশাসিত প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, ব্যক্তিগত অট্টালিকা আৰু বিদেশস্থিত বাংলাদেশী দূতাবাসসমূহত ৰাষ্ট্ৰীয় পতাকা আধা হালি থাকিব। শুকুৰবাৰে জুম্মাৰ নামাজৰ পিছত মছজিদসমূহত হাদীৰ আত্মাৰ মাগফিৰাতৰ বাবে বিশেষ প্ৰাৰ্থনা কৰা হ'ব আৰু অন্য ধৰ্মাৱলম্বীসকলৰ উপাসনালয়তো একেধৰণৰ অনুষ্ঠান পালন কৰা হ'ব। ইউনুছে লগতে ঘোষণা কৰে যে চৰকাৰে শ্বহীদ হাদীৰ পত্নী আৰু একমাত্ৰ সন্তানৰ কল্যাণৰ দায়িত্ব গ্ৰহণ কৰিব। তেওঁ দেশবাসীক শান্তি বজাই ৰাখিবলৈ আৰু গুজব বা উস্কানিমূলক কাৰ্যত লিপ্ত নহ'বলৈ আহ্বান জনায়।

# ধৰ্ম অৱমাননাৰ অভিযোগত

নৃশংস ঘটনাই দেশখনক আৰু অশান্ত কৰি তুলিছে- ধৰ্ম অবমাননাৰ অভিযোগত এজন হিন্দু যুৱকক জনতাই পিটি হত্যা কৰি মৃতদেহ গছত বান্ধি জ্বলাই দিয়ে। নিহত যুৱকজনৰ নাম দীপু চন্দ্ৰ দাস। তেওঁ স্থানীয় এটা পোশাক কাৰখানাত কৰ্মৰত আছিল আৰু ভালুকাৰ ডুবলিয়া পাৰা অঞ্চলত ভাড়াৰ ঘৰত বাস কৰিছিল। বিবিচি বাংলাৰ প্ৰতিবেদন অনুসৰি, বৃহস্পতিবাৰে নিশা প্ৰায় ৯ বজাত উত্তেজিত জনতাৰ এটা দলে দীপুক ধৰি নবী মুহম্মদৰ অবমাননা কৰাৰ অভিযোগ তুলি তীব্ৰ প্ৰহাৰ কৰে। প্ৰহাৰত তেওঁৰ মৃত্যু হোৱাৰ পিছত জনতাই মৃতদেহ গছত বান্ধি জুই লগাই দিয়ে। কিছু প্ৰতিবেদনত উল্লেখ আছে যে, মৃতদেহ ঢাকা-ময়মনসিংহ মহাসড়কলৈ লৈ গৈ পুনৰ জ্বলোৱা হৈছিল, যাৰ ফলত যান-জঁটৰ সৃষ্টি হৈছিল। ভালুকা আৰক্ষী থানাৰ কৰ্তব্যৰত বিষয়া ৰিপন মিয়াই সংবাদ মাধ্যমক জনোৱা মতে, খবৰ লাভ কৰাৰ পিছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণত আনে। মৃতদেহ উদ্ধাৰ কৰি ময়মনসিংহ মেডিকেল কলেজ হাস্পতাললৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। এতিয়ালৈকে এই ঘটনাত কোনো গোচৰ ৰুজু হোৱা নাই। আৰক্ষীয়ে নিহতৰ আত্মীয়সকলক বিচাৰি আছে আৰু অভিযোগ দাখিল হ'লে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিছে। এই নৃশংস হত্যাকাণ্ডই বাংলাদেশত সংখ্যালঘু সম্প্ৰদায়ৰ নিৰাপত্তাৰ প্ৰশ্নক আকৌ এবাৰ উত্থাপন কৰিছে। শ্বৰীফ ওছমান হাদিৰ মৃত্যুৰ পিছত দেশজুৰি চলি থকা প্ৰতিবাদ আৰু হিংসাৰ মাজতে এনে ঘটনাই সাম্প্ৰদায়িক উত্তেজনাক আৰু বৃদ্ধি কৰিছে। হাদিৰ মৃত্যুৰ খবৰে ঢাকাকে ধৰি বিভিন্ন চহৰত সংবাদ মাধ্যমৰ কাৰ্যালয়ত আক্ৰমণ আৰু অগ্নিসংযোগৰ ঘটনা সংঘটিত হৈছে। ইফালে, ভাৰতৰ বৈদেশিক পৰিক্ৰমা সম্পৰ্কীয় সংসদীয় স্থায়ী সমিতিয়ে বাংলাদেশৰ পৰিস্থিতিক 'জটিল আৰু ক্ৰমবৰ্ধমান' বুলি অভিহিত কৰি সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত হোৱা আক্ৰমণৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰিছে। প্ৰতিবেদনত উল্লেখ আছে যে, ২০২৪ চনৰ আগষ্টৰ পৰা সংখ্যালঘু, জনজাতীয় সম্প্ৰদায়, সংবাদ মাধ্যম আৰু বুদ্ধিজীৱীসকলৰ ওপৰত হিংসা আৰু ভয় দেখুৱাই সাধাৰণ হৈ পৰিছে। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে এই ঘটনাৰ নিন্দা কৰি জড়িতসকলক কঠোৰ শাস্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছে। কিন্তু সাম্প্ৰদায়িক হিংসাৰ এনে ঘটনাই দেশখনৰ স্থিৰতা আৰু সংখ্যালঘুৰ নিৰাপত্তাৰ প্ৰশ্নক গভীৰ কৰি তুলিছে। আন্তৰ্জাতিক মহলেও এই পৰিস্থিতিৰ ওপৰত চকু ৰখা হৈছে। ঘটনাৰ পৰৱৰ্তী পৰিস্থিতিৰ ওপৰত সকলোৱে দৃষ্টি নিবদ্ধ হৈ আছে।

# ৩৫খন আসনত প্ৰাৰ্থী দিব

অংশগ্ৰহণ কৰে তেওঁ। এই সভাৰ জৰিয়তে দলৰ কৰ্মীসকলক উজ্জীৱিত কৰাৰ লগতে আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে কৌশলগত দিশসমূহ আলোচনা কৰে আজমলে। সভাৰ পিছত সাংবাদিকৰ সৈতে হোৱা এক সাক্ষাৎকাৰত মৌলানা বদৰউদ্দিন আজমলে কংগ্ৰেছ দলক কঠোৰ ভাষাৰে সমালোচনা কৰে। কংগ্ৰেছে এআইইউডিএফক বিজেপিৰ 'বি টিম' বুলি অভিযোগ উত্থাপন কৰাৰ প্ৰত্যুত্তৰত আজমলে কয়, "যদি কংগ্ৰেছে আমাক বিজেপিৰ বি টিম বুলি কয়, তেন্তে মই স্পষ্টভাৱে ঘোষণা কৰোঁ যে কংগ্ৰেছেই বিজেপিৰ এ প্লাছ টিম।" তেওঁ লগতে অভিযোগ কৰে যে কংগ্ৰেছৰ ডাঙৰ ডাঙৰ নেতাসকলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা ধন লয় বুলি। আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰসংগত আজমলে জানিবলৈ দিয়ে যে এআইইউডিএফে প্ৰায় ৩৫খন আসনত প্ৰাৰ্থী দিব। তেওঁ কয় যে দলে কেৱল জিকাৰ সম্ভাৱনা থকা আসনসমূহতহে প্ৰাৰ্থী দিব আৰু ভোট বিভাজনৰ অভিযোগৰ পৰা আঁতৰি থাকিব। "আমি ভোট চুৰি আৰু এনআৰচিৰ বিৰোধিতা কৰোঁ। যত আমাৰ জয়ৰ সম্ভাৱনা আছে, তাতহে প্ৰাৰ্থী দিম, "বুলি তেওঁ মন্তব্য কৰে। দলৰ মূল নিৰ্বাচনী ইচ্ছু হ'ব অসমৰ পৰা বিজেপি চৰকাৰক খেদি পঠিয়াই দিয়া বুলিও তেওঁ সদৰি কৰে। ৰাইজৰ দলৰ নেতা অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈক লক্ষ্য কৰি আজমলে কয়, "যদি এআইইউডিএফ জিৰ' হয়, তেন্তে অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈ কি?" তেওঁ এইবাৰ স্পষ্ট কৰিব বুলি কয় যে কোনটো দল তেওঁলোকৰ আটাইতকৈ ডাঙৰ শত্ৰু- কংগ্ৰেছ নে বিজেপি। বিজেপিক বেয়া পোৱাৰ কাৰণসমূহৰ প্ৰশ্নত আজমলে কয়, "সকলো কাৰণতে।" তেওঁ 'মিএগ্ৰা' শব্দটোক লৈ বিজেপিৰ অৱস্থানকো সমালোচনা কৰে আৰু কয়, "মিএগ্ৰা কিবা ইচ্ছু নেকি?" নিজৰ প্ৰাৰ্থীত্বৰ প্ৰসংগত আজমলে উল্লেখ কৰে যে তেওঁ এইবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে যদিও দলে বিচাৰিলে সিদ্ধান্ত সলনি কৰিব পাৰে। কংগ্ৰেছক প্ৰত্যাহ্বান জনাই তেওঁ কয়, "কংগ্ৰেছে উজনি অসমত ভালদৰে কাম কৰক। যদি ৰাহুল গান্ধীয়ে ঘোষণা কৰে যে কংগ্ৰেছ চৰকাৰ গঠন কৰি সংখ্যালঘুসকলৰ সমস্যা সমাধান কৰিব, তেন্তে মই এআইইউডিএফ দলটো বন্ধ কৰি দিম।" তেওঁ কংগ্ৰেছক গণভিত্তি নথকা দলসমূহৰ সৈতে লিলি হোটেলত 'লিলিমাই' কৰা বুলিও অভিযোগ উত্থাপন কৰে। এই সভা আৰু মন্তব্যসমূহে অসমৰ ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সূত্ৰপাত কৰিছে। এআইইউডিএফৰ এই আক্ৰমণাত্মক ভংগীয়ে আগন্তুক নিৰ্বাচনত বিৰোধী শিবিৰত বিভেদৰ সম্ভাৱনা বৃদ্ধি কৰিছে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত পোষণ কৰিছে। দলৰ কৰ্মীসকলৰ মাজত এই উপস্থিতিয়ে নতুন উদ্যমৰ সঞ্চাৰ কৰিছে যদিও কংগ্ৰেছৰ সৈতে সম্পৰ্কৰ টানাপকীয়া অব্যাহত আছে।

# ধুবুৰীৰ টাকিমাৰীৰ পলাতক যুৱকক

ৰচনা কৰিছে বুলি এটা গোপন সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰটোৰ মতে, জামাতে-ইছলামীকে ধৰি বাংলাদেশৰ কেইবাটাও মৌলবাদী গোটে ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলসমূহক বিশেষভাৱে লক্ষ্য কৰি লৈছে। এই প্ৰেক্ষাপটত অসমৰ ধুবুৰী জিলাৰ লগতে পশ্চিমবংগৰ সীমান্তৱৰ্তী অঞ্চল যেনে কোচবিহাৰ, তুফানগঞ্জ আদিত অস্থিৰতা সৃষ্টি কৰাৰ এটা গভীৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছে বুলি সূত্ৰটোৱে আশংকা প্ৰকাশ কৰিছে। শেহতীয়াকৈ ধুবুৰীৰ টাকিমাৰী গাঁৱৰ এগৰাকী যুৱকৰ সন্ধানত উত্তৰ প্ৰদেশৰ এণ্টি-টেৰ'ৰিজম স্কোৱাড (ATS)ৰ এটা দল ১৮ ডিচেম্বৰত ধুবুৰীত উপস্থিত হোৱাৰ ঘটনাই এই আশংকাক আৰু বৃদ্ধি কৰিছে। পলাতক যুৱকগৰাকীৰ নাম চাদিক আলী (যাক চাদিক শ্বেইখ বুলিও জনা যায়)। তেওঁ টাকিমাৰী গাঁৱৰ বাসিন্দা আৰু ভাৰত-বাংলাদেশ সীমান্তৰ গাতে লাগি থকা এই অঞ্চলত তেওঁৰ পৈতৃক ঘৰ আছে। ২০২২ চনত লক্ষ্ণৌ ATS থানাত ৰুজু হোৱা এটা গোচৰত (কেচ ক্ৰাইম নম্বৰ ০৪/২০২২) চাদিক আলীৰ নাম জড়িত হৈছে, য'ত তেওঁক ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি ক্ষতিকাৰক কাৰ্যকলাপত জড়িত বুলি অভিযোগ উত্থাপন কৰা হৈছে। লক্ষ্ণৌ ATSৰ দলটোৱে স্থানীয় ধুবুৰী আৰক্ষীৰ সহায়ত চাদিক আলীৰ টাকিমাৰীস্থিত বাসগৃহত উপস্থিত হৈ তেওঁৰ পিতৃ মোক্তাল আলীক সোধা-পোচা কৰে। মোক্তাল আলীয়ে জনায় যে, তেওঁৰ পুত্ৰ চাদিক দীৰ্ঘদিন ধৰি ঘৰলৈ অহা নাই। ATSৰ তথ্য অনুসৰি, চাদিক আলীয়ে ধুবুৰীৰ পৰা গৈ উত্তৰ প্ৰদেশৰ দেওবন্দত ধৰ্মীয় শিক্ষা গ্ৰহণ কৰিছিল আৰু তাতে তেওঁৰ মাজত চৰমপন্থী চিন্তাধাৰাৰ বিকাশ ঘটিছিল। ২০২২ চনত উত্তৰ প্ৰদেশ আৰক্ষীয়ে দেশবিৰোধী কাৰ্যকলাপৰ অভিযোগত ১০-১২ গৰাকী যুৱকক গ্ৰেপ্তাৰ কৰিছিল। তেওঁলোকৰ জেৰাত এজনে চাদিক আলীৰ নাম উল্লেখ কৰি তেওঁকো এই নেটৱৰ্কৰ সৈতে জড়িত বুলি দাবী কৰিছিল। চাদিকৰ বিৰুদ্ধে দেওবন্দত পঢ়া সময়ত ইছলামৰ নামত চৰম উচটনিমূলক প্ৰচাৰ চলোৱাৰ লগতে দেশবিৰোধী কাৰ্যত জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। দীৰ্ঘদিন পলাতক হৈ থকা চাদিক আলীক ধৰিবলৈ ATS সক্ৰিয় হৈ উঠিছে। উত্তৰ প্ৰদেশৰ বিশেষ আদালতে তেওঁক ২০২৬ চনৰ ১৩ জানুৱাৰীত ATS বা NIAৰ আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিছে। হাজিৰ নহ'লে তেওঁৰ টাকিমাৰীৰ সম্পত্তি বাজেয়াপ্ত কৰা হ'ব বুলি জাননীত উল্লেখ আছে। ATSৰ দলে ৮২ নং ধাৰাৰ অধীনত চাদিকৰ বাসগৃহত লগতে গাঁৱত জাননী জাৰি কৰিছে। সূত্ৰই আশংকা প্ৰকাশ কৰিছে যে, বাংলাদেশৰ গাতে লাগি থকা টাকিমাৰী গাঁৱখন কট্টৰ মৌলবাদী সংগঠনৰ সদস্যসকলে ভাৰতবিৰোধী কাৰ্যকলাপৰ বাবে 'ছফট টাৰ্গেট' হিচাপে বাছি লৈছে। ইয়াৰ পূৰ্বে অসম আৰক্ষীয়ে একেটা গাঁৱৰে আব্দুছ শুকুৰ আলী নামৰ এগৰাকীক আনছাৰুল্লাহ বাংলা টীম (ABT)ৰ সদস্য হিচাপে গ্ৰেপ্তাৰ কৰিছিল। বাংলাদেশত মৌলবাদী শক্তিৰ উত্থানে উত্তৰ-পূবৰ নিৰাপত্তাৰ ক্ষেত্ৰত নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। নিৰাপত্তা বিশে-ষকসকলে এই পৰিস্থিতিৰ ওপৰত চকু ৰখাৰ লগতে সীমান্তত কড়া নজৰদাৰীৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ঘটনাৰ পৰৱৰ্তী পৰিস্থিতিৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

# ব্ৰহ্মপুত্ৰৰ বুকুত অনুষ্ঠিত

এই শিক্ষাৰ্থীসকলক ইতিমধ্যে বাছি লোৱা হৈছে আৰু তেওঁলোকক প্ৰধানমন্ত্ৰীৰ সৈতে বাৰ্তালাপৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়া হৈছে। শিক্ষা বিভাগে সমগ্ৰ শিক্ষা অসমৰ জৰিয়তে নিজৰ কাৰ্যালয়ত এই প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। কাৰ্যসূচীৰ প্ৰস্তুতিৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে গুৱাহাটীৰ গেটৱে ঘাট টাৰ্মিনেল পৰিদৰ্শন কৰে। তেওঁ স্থানীয় বিষয়াৰ সৈতে আলোচনা কৰি নিৰাপত্তা ব্যৱস্থাৰ পৰা আৰম্ভ কৰি সম্পূৰ্ণ আয়োজনলৈকে প্ৰতিটো দিশ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰে। পৰিদৰ্শনৰ এটা ভিডিঅ' সামাজিক মাধ্যমত পোষ্ট কৰি মুখ্যমন্ত্ৰীয়ে লিখিছে, "দেওবাৰে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰহ্মপুত্ৰৰ বুকুত জাহাজত কটোৱা সময়ে অসমৰ নদী পৰ্যটনক এক বৃহৎ উৎসাহ প্ৰদান কৰিব। কিছু সময় পূৰ্বে গুৱাহাটীৰ গেটৱে ঘাট টাৰ্মিনেলত আয়োজনৰ প্ৰস্তুতি পৰ্যালোচনা কৰিছোঁ।" উল্লেখ্য যে, দেওবাৰে অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে বিশেষ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজিৰ দিনটোত স্পেচিয়েল প্ৰটেকচন গ্ৰুপ (SPG)ৰ এটা দলে স্থান নিৰীক্ষণ কৰিছে। লগতে নদী আৰক্ষীয়ে ব্ৰহ্মপুত্ৰৰ সেই অংশত নিৰাপত্তাৰ দিশটো তন্ন তন্নকৈ তদাৰক কৰি আছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে অসমৰ নদী পৰ্যটনৰ ক্ষেত্ৰত নতুন গতি প্ৰদান কৰিব বুলি বিশে-ষকসকলে মন্তব্য কৰিছে। 'পৰীক্ষা পে চৰ্চা' কাৰ্যসূচীৰ জৰিয়তে শিক্ষাৰ্থীসকলে পৰীক্ষাৰ চাপ হ্ৰাস কৰাৰ বিষয়ে প্ৰধানমন্ত্ৰীৰ পৰা প্ৰত্যক্ষভাৱে পৰামৰ্শ লাভ কৰাৰ সুযোগ পাব। এই অনুষ্ঠানে ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ বাবে এক অনুপ্ৰেৰণাদায়ক মুহূৰ্ত হ'ব বুলি আশা কৰা হৈছে। কাৰ্যসূচীৰ পৰৱৰ্তী পৰিস্থিতিৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## আজিৰে পৰা ৰাজ্যজুৰি

ভাৱে সংযোগ স্থাপন কৰি ৰাইজৰ প্ৰত্যক্ষ অংশগ্ৰহণেৰে দলৰ ইস্তাহাৰ প্ৰস্তুত কৰা। এই অভিযানৰ জৰিয়তে ভাৰতীয় জাতীয় কংগ্ৰেছৰ জ্যেষ্ঠ নেতা, বিধায়ক, সাংসদ আৰু দলীয় কৰ্মকৰ্তাসকলে গ্ৰামাঞ্চলৰ লোকসকলৰ সৈতে সৰ্বাঙ্গীণ সংযোগ স্থাপন কৰিব। কৃষক, শ্ৰমিক, ছাত্ৰ-ছাত্ৰী, ক্ষুদ্ৰ ব্যৱসায়ী, উদ্যোগপতি, মহিলা, বুদ্ধিজীৱী, সামাজিক সংগঠন আৰু সমাজৰ বিভিন্ন নেতাসকলক একত্ৰিত কৰি 'নতুন অসম'ৰ বাবে এক যৌথ ৰূপৰেখা গঢ়ি তোলাটোৱে এই যাত্ৰাৰ প্ৰধান লক্ষ্য। যাত্ৰাটো পাঁচটা পৃথক দলে পৰিচালনা কৰিব। ইয়াৰ বাবে মুঠ পাঁচখন বিশেষ বাছ প্ৰস্তুত কৰা হৈছে। প্ৰতিটো দলক এখনকৈ বাছৰ সৈতে ভৌগোলিকভাৱে উপযোগী পথ নিৰ্ধাৰণ কৰি দায়িত্ব বিতৰণ কৰা হৈছে, যাতে উজনি অসম, মধ্য অসম, নামনি অসম, বৰাক উপত্যকা, বড়োলেণ্ড অঞ্চল আৰু পাহাৰীয়া জিলাসমূহকে ধৰি সমগ্ৰ ৰাজ্যতে সমানে অন্তৰ্ভুক্তি নিশ্চিত হয়। প্ৰতিটো দলে প্ৰতিদিনে এখনকৈ জিলা কভাৰ কৰিব আৰু প্ৰতিখন জিলাত একেদিনে বিস্তৃত কাৰ্যসূচী পালন কৰিব। কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ পৰা এক সমন্বয় দলে এই ক্ষেত্ৰীয় কাৰ্যসূচীসমূহৰ নিৰীক্ষণ আৰু সহায় আগবঢ়াব। 'ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ' অভিযানটোৰ আনুষ্ঠানিক আৰম্ভণি হৈছিল ৬ ডিচেম্বৰত ডিব্ৰুগড়ত। সেই অনুষ্ঠানতে দলৰ ইস্তাহাৰ পৰামৰ্শ প্ৰক্ৰিয়াৰ শুভাৰম্ভ হৈছিল। বিস্তৃত আৰু অন্তৰ্ভুক্তিমূলক অংশগ্ৰহণৰ বাবে APCCয়ে www.natunaxom.com নামৰ এক ডিজিটেল প্লেটফৰ্মো আৰম্ভ কৰিছে। এই ৱেবছাইটৰ জৰিয়তে নাগৰিকসকলে অনলাইনত নিজৰ মতামত, পৰামৰ্শ আৰু আকাংক্ষা দাখিল কৰিব পাৰিব। ৱেবছাইটটো উদ্বোধন কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কয়, "প্ৰথম পৰ্যায়ত আমি অসমৰ উচ্চ শিক্ষা ব্যৱস্থাৰ বিষয়ে পৰামৰ্শ বিচাৰিছোঁ, কাৰণ ই মানৱ সম্পদ বিকাশৰ সৈতে ঘনিষ্ঠভাৱে জড়িত। বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে হোৱা মোৰ কথা-বতৰাত দেখা গৈছে যে গুণগত মান উন্নয়ন, গৱেষণা-উদ্ভাৱন শক্তিশালীকৰণ আৰু ছাত্ৰসকলক আত্মনিৰ্ভৰশীল কৰি তোলাত এতিয়াও বহু কাম বাকী আছে।" একে সময়তে, ৬ ডিচেম্বৰৰ পৰা পৰ্যায়ক্ৰমে জিলাসমূহত 'আকাংক্ষা বাকচ' স্থাপনৰ কাম আৰম্ভ হৈছে। বজাৰ, চাহ বাগিচাৰ লাইন, চাহৰ দোকান, বাছ ষ্টেণ্ড আদি জনসমাগমৰ স্থানত ৪,০০০ৰো অধিক এনে বাকচ স্থাপন কৰাৰ লক্ষ্য ৰখা হৈছে। এই বাকচসমূহৰ জৰিয়তে ৰাইজে নিজৰ আকাংক্ষা আৰু সমস্যা লিখি দাখিল কৰিব পাৰিব। ৰাইজৰ সক্ৰিয় অংশগ্ৰহণৰ আহ্বান জনাই APCC সভাপতি গৌৰৱ গগৈয়ে কয়, "আমি এনে এখন অসমৰ কল্পনা কৰিছোঁ য'ত কেৱল এটা শ্ৰেণীৰ নহয়, সকলোৰে আকাংক্ষা প্ৰতিফলিত হ'ব। ডিজিটেল যুগত সকলোকে শাৰীৰিকভাৱে লগ পোৱা সম্ভৱ নহয়, সেয়েহে এই প্লেটফৰ্মে আমাক সকলোৰে সৈতে সংযোগ স্থাপনৰ সুযোগ দিছে। আমি অসমৰ কৃষক, শ্ৰমিক, ছাত্ৰ-ছাত্ৰী, সৰু ব্যৱসায়ী, উদ্যোগপতি, মহিলা, বুদ্ধিজীৱী আৰু সামাজিক সংগঠনসমূহৰ কথা শুনিব বিচাৰোঁ আৰু তেওঁলোকৰ অভিজ্ঞতাৰ ভিত্তিত 'নতুন অসম'ৰ বাবে এক যৌথ ৰূপৰেখা গঢ়ি তুলিব বিচাৰোঁ।" এই অভিযানে কংগ্ৰেছক ৰাইজৰ মাজত পুনৰ শক্তিশালী কৰি তোলাৰ লগতে আগন্তুক নিৰ্বাচনত এক জনকেন্দ্ৰিক বাৰ্তা প্ৰেৰণ কৰিব বুলি দলীয় নেতাসকলে আশা প্ৰকাশ কৰিছে।

## চৰকাৰে জুবিন দাক প্ৰতাৰণা

লৈ বিধায়ক অখিল গগৈয়ে ৰাজ্য চৰকাৰৰ ওপৰত তীব্ৰ সমালোচনা অব্যাহত ৰাখিছে। বিশেষ তদন্তকাৰী দল (SIT)য়ে চাৰ্জশ্বীট দাখিল কৰাৰ পিছৰে পৰাই অখিল গগৈয়ে এই বিষয়ত সৰব হৈ উঠিছে আৰু চাৰ্জশ্বীটৰ বিভিন্ন বিসংগতিৰ কথা গোপনে প্ৰকাশ কৰাৰ অভিযোগত SITয়ে তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। শুকুৰবাৰে সোণাপুৰৰ জুবিন ক্ষেত্ৰত উপস্থিত হৈ বিধায়কগৰাকীয়ে মহানায়কক চাকি-ধূপ জ্বলাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু পুনৰ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয়, "চৰকাৰে জুবিনদাক প্ৰতাৰণা কৰিছে। জুবিনদাৰ ন্যায়ৰ বাবে মই জে'ললৈ যাবলৈও সাজু আছোঁ আৰু মাত মাতিয়েই যাম।" বিধায়ক অখিল গগৈয়ে অভিযোগ কৰে যে, SITয়ে দাখিল কৰা চাৰ্জশ্বীট অত্যন্ত দুৰ্বল আৰু ইয়াৰ জৰিয়তে প্ৰকৃত দোষীসকলে কেতিয়াও শাস্তি নাপায়। তেওঁ কয়, "মই কেৱল চাৰ্জশ্বীটৰ দুৰ্বলতাসমূহৰ সমালোচনা কৰাৰ বাবেই মোৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাক লৈ ৰাজনীতি কৰিছে।" তেওঁ লগতে উল্লেখ কৰে যে, তদন্তকাৰী বিষয়া বা CIDয়ে আজিলৈকে অভিযুক্তসকলক লৈ ঘটনাস্থলীত 'ঘটনাৰ পুনৰ দৃশ্যায়ন' (crime scene reconstruction) কৰা নাই। বিধায়কগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰি কয়, "সাধাৰণ মটৰচাইকেল চোৰ বা বাল্টি চোৰৰ ক্ষেত্ৰত 'পুনৰ দৃশ্যায়ন'ৰ নামত গুলীচালনা কৰা আৰক্ষীয়ে আমাৰ জাতীয় জীৱনৰ এনে এটা ডাঙৰ ঘটনাৰ ক্ষেত্ৰত কিয় এনে নীৰৱতা অৱলম্বন কৰিছে?" চৰকাৰৰ সমালোচনাৰ মাজতে অখিল গগৈয়ে হাস্যৰসাত্মকভাৱে কয়, "যদি মোক জে'ললৈ পঠোৱা হয়, তেন্তে শ্যামকানু মহন্তক দিয়াৰ দৰে উন্নত মানৰ সা-সুবিধা দিব লাগিব। জে'লত খুব মহ হৈছে, গতিকে মোক এখন ভাল আঁঠুৱা, দুখন ভাল কম্বল আৰু এখন মেট্ৰেছ লাগিব। জে'লৰ ফটা কম্বলত মই শুব নোৱাৰো।" ইপিনে, বিধায়কগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে, SITয়ে যেতিয়াই মাতিব, তেতিয়াই তেওঁ তদন্তত সহযোগিতা কৰিবলৈ সাজু। তেওঁৰ এই মন্তব্যই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তক লৈ চলি থকা ৰাজনৈতিক বিতৰ্কক আৰু তীব্ৰতৰ কৰি তুলিছে। ছিংগাপুৰ আৰক্ষীয়ে এতিয়াও মৃত্যুক দুৰ্ঘটনাজনিত বুলি অভিহিত কৰাৰ মাজতে অসমৰ SITয়ে হত্যাৰ অভিযোগত চাৰ্জশ্বীট দাখিল কৰাটোৱে বিভিন্ন মহলত প্ৰশ্নৰ উদ্ৰেক কৰিছে। ঘটনাৰ পৰৱৰ্তী পৰিস্থিতিৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## প্ৰধানমন্ত্ৰীৰ গুৱাহাটী আগমনক

এক সংবাদমেল অনুষ্ঠিত কৰি জনসাধাৰণৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পথ নিৰ্দেশনা জাৰি কৰিছে। প্ৰধানমন্ত্ৰীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেলৰ উদ্বোধনী কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ অহাৰ প্ৰেক্ষাপটত এই নিৰ্দেশনাসমূহ প্ৰকাশ কৰা হৈছে। সংবাদমেলত কোৱা হয় যে, প্ৰধানমন্ত্ৰীৰ আগমনক লৈ কোনো বিশেষ যান-বাহন নিষেধাজ্ঞা বা ডাইভাৰ্চন জাৰি কৰা হোৱা নাই যদিও কেইবাটাও নিৰ্দিষ্ট পথ এৰাই চলাৰ বাবে জনসাধাৰণক অনুৰোধ জনোৱা হৈছে। বিশেষকৈ পাণবজাৰ, ফাঁচীবজাৰ আদি অঞ্চলত যান-জঁটৰ সম্ভাৱনা বৃদ্ধি পোৱাৰ কথা বিবেচনা কৰি এই পথসমূহ এৰি চলাৰ পৰামৰ্শ দিয়া হৈছে। লগতে ৰিভাৰ ফ্ৰণ্টৰ পথ, লখৰা আৰু বৰগাঁৱ অঞ্চলৰ পথসমূহো সম্ভৱ হলে এৰাই চলিবলৈ আহ্বান জনোৱা হৈছে। মহানগৰীৰ ভিতৰত গধুৰ বাহনৰ চলাচল ইতিমধ্যে নিষিদ্ধ কৰা হৈছে বুলি স্মৰণ কৰাই দিয়া হৈছে। বিমানবন্দৰৰ উদ্বোধনী কাৰ্যসূচীত প্ৰায় ১ লাখ ২০ হাজাৰ লোকৰ সমাগম হোৱাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি বিমান যাত্ৰীসকলক যথেষ্ট সময়ৰ আগতীয়াকৈ বিমানবন্দৰত উপস্থিত হ'বলৈ অনুৰোধ কৰা হৈছে। উদ্বোধনী কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ অহা লোকসকলক কেইবাটাও নিৰ্দেশনা দিয়া হৈছে। পেণ্ডেলত খোৱাপানীৰ সম্পূৰ্ণ ব্যৱস্থা থকা বাবে পানীৰ বটল বা ডাঙৰ বেগ লৈ নাহিবলৈ কোৱা হৈছে। গড়লৰ দিশৰ পৰা অহা বাহনসমূহ দ্বিতীয় ৰটাৰী পইণ্টত ৰখাই দিব লাগিব। আনহাতে পুৰণি টাৰ্মিনেলৰ দিশৰ পৰা অহা বাহনসমূহক SOS Villageত কাৰ্যসূচী আৰম্ভ হোৱাৰ অন্ততঃ দুঘণ্টা পূৰ্বে ৰখাই দিয়াৰ নিৰ্দেশ দিয়া হৈছে। একমাত্ৰ বিশেষ পাছ থকা বাহনহে পুৰণি টাৰ্মিনেলৰ দিশৰ পৰা বিমানবন্দৰলৈ আহিবলৈ অনুমতি পাব। কৰ্তৃপক্ষই জনসাধাৰণক এই নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰি সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনাইছে যাতে কাৰ্যসূচী নিৰ্বিঘ্নে সম্পন্ন হয় আৰু যান-জঁটৰ সমস্যা হ্ৰাস পায়। প্ৰধানমন্ত্ৰীৰ আগমন উপলক্ষে নগৰীত কড়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও জানিব পৰা গৈছে।

## তীব্ৰবেগী ৰাজধানী এক্সপ্ৰেছৰ

জাকক খুন্দা মাৰে, যাৰ ফলত সাতটা বনৰীয়া হাতীৰ মৃত্যু হয় আৰু এটা হাতী পোৱালি গুৰুতৰভাৱে আহত হয়। ঘটনাটো সংঘটিত হয় নিশাৰ আন্ধাৰত, যেতিয়া খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই অহা হস্তীজাকটোৱে ৰেলপথ পাৰ হৈ যাবলৈ চেষ্টা কৰিছিল। তীব্ৰ গতিৰে অহা ৰাজধানী এ'প্ৰেছৰ ইঞ্জিনে জাকটোক খুন্দা মাৰে, যাৰ ফলত সাতটা প্ৰাপ্তবয়স্ক হাতীৰ তাৎক্ষণিক মৃত্যু ঘটে। আহত পোৱালিটোৱে যন্ত্ৰণাত কৰুণ চিঞৰ-বাখৰ কৰি থকাৰ খবৰ পোৱা গৈছে। কিন্তু আচৰিতৰ কথা যে, এই ভয়ংকৰ সংঘৰ্ষৰ পৰা ৰে'লখন কোনো ক্ষতি নোহোৱাকৈ ৰক্ষা পৰে আৰু যাত্ৰীসকলো নিৰাপদে আছে। ঘটনাস্থলীত ততালিকে উপস্থিত হয় বন বিভাগৰ কৰ্মীসকল। তেওঁলোকে আহত হাতী পোৱালিটোক তাৎক্ষণিক চিকিৎসা প্ৰদান কৰিছে আৰু পশু চিকিৎসকৰ এটা দলক মাতি অনা হৈছে। বন বিভাগৰ বিষয়াসকলে জনোৱা মতে, পোৱালিটোৰ অৱস্থা গুৰুতৰ যদিও চিকিৎসাৰ ফলত ৰক্ষা পৰাৰ সম্ভাৱনা আছে। কামপুৰ অঞ্চলত হাতী-মানুহৰ সংঘাত দীৰ্ঘদিন ধৰি বৃদ্ধি পাই অহা দেখা গৈছে। বনাঞ্চলৰ ক্ৰমাগত সংকোচন আৰু খাদ্যৰ অভাৱৰ বাবে বন্যহস্তীসমূহে নিশাৰ ভাগত জনবসতিপূৰ্ণ অঞ্চললৈ নামি আহে। এইবাৰো খাদ্যৰ সন্ধানতেই হস্তীজাকটোৱে বনৰ পৰা ওলাই আহিছিল বুলি অনুমান কৰা হৈছে। উল্লেখ্য যে, কেইবছৰমান পূৰ্বে কামপুৰ জিলাৰে পটিয়াপাম অঞ্চলতো অনুৰূপ এটা দুৰ্ঘটনাত পাঁচটা বনৰীয়া হাতীৰ মৃত্যু হৈছিল ৰেলৰ খুন্দাত। এনে ঘটনাই অসমত বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে। বন বিভাগ আৰু ৰে'ল বিভাগৰ মাজত সমন্বয় বৃদ্ধি কৰি, হাতী চলাচলৰ পথত গতি সীমা নিৰ্ধাৰণ কৰা আৰু সতৰ্কতা ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উঠিছে সচেতন মহলৰ পৰা। এই দুৰ্ঘটনাই পুনৰ এবাৰ প্ৰকৃতি আৰু উন্নয়নৰ মাজত সংঘাতৰ চিত্ৰ উন্মোচন কৰিছে। বন্যপ্ৰাণীসমূহৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ ততালিকে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে সকলোৱে।

## জুবিনৰ মৃত্যুৰ তদন্তত দুই

বিশেষ তদন্তকাৰী দল (SIT)য়ে মৃত্যুক হত্যাকাণ্ড বুলি অভিহিত কৰি চাৰ্জশ্বীট দাখিল কৰাৰ বিপৰীতে ছিংগাপুৰ আৰক্ষীয়ে দ্বিতীয়বাৰলৈ স্পষ্ট কৰিছে যে, তেওঁলোকৰ তদন্তত এতিয়ালৈকে কোনো অপৰাধমূলক ঘটনাৰ আভাস পোৱা নাই। এই বিপৰীতমুখী স্থিতিয়ে অসমৰ জনসাধাৰণক বিভ্ৰান্ত আৰু বিমূঢ় কৰি তুলিছে। ১৮ ডিচেম্বৰৰ সন্ধিয়া ছিংগাপুৰ আৰক্ষী বাহিনীয়ে (SPF) এটা আনুষ্ঠানিক বিবৃতি প্ৰকাশ কৰি জনায় যে, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত এতিয়াও ছিংগাপুৰৰ কৰ'নাৰ্ছ এ" ২০১০ অনুসৰি চলি আছে। বিবৃতিত কোৱা হৈছে, "আমাৰ তদন্তৰ ভিত্তিত এতিয়ালৈকে মিষ্টাৰ গাৰ্গৰ মৃত্যুত কোনো অপৰাধমূলক ঘটনাৰ সন্দেহ নাই।" তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত ফলাফল ষ্টেট কৰ'নাৰ্ছক দাখিল কৰা হ'ব আৰু ২০২৬ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰীত কৰ'নাৰ্ছ ইনকুৱেৰী অনুষ্ঠিত হ'ব। এই প্ৰক্ৰিয়াৰ জৰিয়তে মৃত্যুৰ কাৰণ আৰু পৰিস্থিতি নিৰূপণ কৰা হ'ব আৰু ফলাফল ৰাজহুৱাকৈ প্ৰকাশ কৰা হ'ব। ছিংগাপুৰ আৰক্ষীয়ে অনলাইনত চলি থকা উৰাবাতৰি আৰু অসমৰ SITয়ে হত্যাৰ অভিযোগ উত্থাপন কৰাৰ খবৰৰ প্ৰতি লক্ষ্য ৰাখি এই বিবৃতি প্ৰকাশ কৰিছে। তেওঁলোকে জনসাধাৰণক উৰাবাতৰিৰ বশৱৰ্তী নহ'বলৈ আৰু অপ্ৰমাণিত তথ্য প্ৰচাৰ নকৰিবলৈ আহ্বান জনাইছে। লগতে পেছাদাৰী আৰু সম্পূৰ্ণ তদন্তৰ প্ৰতিশ্ৰুতি দিছে। আনহাতে, অসম আৰক্ষীৰ SITয়ে যোৱা ১২ ডিচেম্বৰত প্ৰায় ২,৫০০ পৃষ্ঠাৰ মূল চাৰ্জশ্বীটৰ লগতে ১২,০০০ পৃষ্ঠাৰ সহায়ক নথি-পত্ৰৰে গুৱাহাটীৰ মুখ্য ন্যায়িক মেজিষ্ট্ৰেটৰ আদালতত চাৰ্জশ্বীট দাখিল কৰিছে। চাৰ্জশ্বীটত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, নৰ্থ ইষ্ট ফেষ্টিভেলৰ মুখ্য আয়োজক শ্যামকানু মহন্ত, বেণ্ড সদস্য শেখৰজ্যোতি গোস্বামী আৰু সহ-গায়িকা অমৃতপ্ৰভা মহন্তক হত্যাৰ অভিযোগত জগৰীয়া কৰা হৈছে। আন তিনিজন অভিযুক্তৰ বিৰুদ্ধে অপৰাধমূলক ষড়যন্ত্ৰ আৰু বিশ্বাসঘাটকতাৰ অভিযোগ উত্থাপন কৰা হৈছে। যোৱা ১৯ ছেপ্টেম্বৰত ছিংগাপুৰৰ ছেইণ্ট জনছ দ্বীপৰ ওচৰত যাট পাৰ্টিৰ সময়ত সাগৰত সাঁতুৰি থকা অৱস্থাত জুবিন গাৰ্গৰ মৃত্যু হৈছিল। তেওঁ নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ ছিংগাপুৰত আছিল। প্ৰাৰম্ভিক তদন্তত ছিংগাপুৰ আৰক্ষীয়ে মৃত্যুক ডুব যোৱাৰ ফলত হোৱা বুলি উল্লেখ কৰিছিল আৰু কোনো অপৰাধৰ আভাস নোপোৱা বুলি জনাইছিল। দুখন দেশৰ আৰক্ষীৰ এই বিপৰীত ফলাফলে অসমৰ ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। এতিয়া ন্যায়ালয়ে চাৰ্জশ্বীটৰ ওপৰত কি সিদ্ধান্ত লয় আৰু ছিংগাপুৰৰ চূড়ান্ত তদন্তই কি প্ৰকাশ কৰে, সেয়া লক্ষণীয় হ'ব। বিচাৰ প্ৰক্ৰিয়া দীঘলীয়া হ'ব পাৰে বুলি বিশ্লেষকসকলে মন্তব্য কৰিছে। ঘটনাৰ পৰৱৰ্তী পৰিস্থিতিৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## মণিপুৰত নিৰাপত্তা বাহিনীৰ

বিদ্ৰোহীসকলে ছেকমাই আৰক্ষী থানাৰ অন্তৰ্গত মহাৰাবি-ফেইডিংগা ষ্টেচনৰ পৰা মাছৰ বৰফৰ বাকচ ভৰ্তি এখন ট্ৰাক হাইজেক কৰিছিল বুলি জানিব পৰা গৈছে। গ্ৰেপ্তাৰ কৰা চাৰিজন বিদ্ৰোহীৰ নাম হৈছে- ইম্ফল পূব জিলাৰ য়াইৰিপক লাইমানাইৰ বৰিশ সাগোলচেমৰ বাসিন্দা কেডাৰ, থৌবাল জিলাৰ য়াইৰিপক বিষ্ণুপুৰ নাহা মায়াই লেইকাইৰ হেৰোজিৎ শৰ্মা, বিষ্ণুপুৰ জিলাৰ সবাল আৱাং লেইকাইৰ আচেম অমৰ মেইটেই আৰু ইম্ফল পূব জিলাৰ য়াইৰিপক তুলিহালৰ মোঃ ছলমান খান। আৰক্ষীৰ অভিযানত হাইজেক কৰা ট্ৰাকখনৰ লগতে তাত থকা বৰফ মাছৰ বাকচসমূহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ উপৰিও বিদ্ৰোহীসকলে মাছৰ বাকচসমূহ স্থানান্তৰ কৰিবলৈ ব্যৱহাৰ কৰা দুখন ডাম্পাৰো জব্দ কৰা হৈছে। এই বাহন দুখনৰ চালক আৰু হেণ্ডিমেনকো গ্ৰেপ্তাৰ কৰা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। ইপিনে, বিষ্ণুপুৰ জিলাৰ টৰবুং বাংলাৰ পুখ্ৰাম্বম মুখেশ সিং, ইম্ফল পূব জিলাৰ য়াইৰিপক নুংগাইপকপি মামাং লেইকাইৰ ৱাইখম বিজেন মেইটেই আৰু একেটা অঞ্চলৰে য়াইৰিপক নুংগেপকপি মামাং লেইকাইৰ লৌক্ৰকপাম শীতলজিৎ সিংকো এই ঘটনাৰ সৈতে জড়িত সন্দেহত গ্ৰেপ্তাৰ কৰা হৈছে। এই গ্ৰেপ্তাৰৰ ফলত মণিপুৰৰ উপত্যকা অঞ্চলত বিদ্ৰোহী গোটসমূহৰ অৰ্থনৈতিক কাৰ্যকলাপৰ ওপৰত নিৰাপত্তা বাহিনীৰ চাপ বৃদ্ধি পোৱাৰ চিন দেখা গৈছে। বিদ্ৰোহীসকলে চোৰাং সৰং কৰি ধন সংগ্ৰহ কৰাৰ এনে ঘটনাই ৰাজ্যখনৰ সাধাৰণ নাগৰিকৰ জীৱনত প্ৰভাৱ পেলোৱাৰ কথা প্ৰকাশ পাইছে। গ্ৰেপ্তাৰ কৰা সকলোকে আইনী কাৰ্যপদ্ধতিৰ জৰিয়তে জেৰা কৰা হৈছে আৰু ঘটনাৰ তদন্ত অব্যাহত আছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

# শদিয়া মহাবিদ্যালয়ৰ বাণিজ্য বিভাগ চৰকাৰীকৰণৰ দাবীত ছাত্ৰ-ছাত্ৰীৰ অৱস্থান ধৰ্মঘট




**অসম বাৰ্তা, ছৈখোৱা, ১৯ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ পূব প্ৰান্তত অৱস্থিত শদিয়া সম জিলাৰ অন্তৰ্গত শদিয়া মহাবিদ্যালয়ৰ বাণিজ্য শাখাটি চৰকাৰী কৰণৰ দাবীত শদিয়া মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ ছাত্ৰ ছাত্ৰীসকলে তিনিদিনীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ১৯৮২ চনতেই স্থাপিত শদিয়া মহাবিদ্যালয়ত আজিলৈকে চৰকাৰীকৰণৰ ব্যৱস্থা কৰা পৰিলক্ষিত ন'হল। সেইহেতুকে কাৰ্যসূচীটিৰ জৰিয়তে বাণিজ্য বিভাগৰ চৰকাৰী কৰণ, বৰ্ধিত মাছুল সংগ্ৰহ নিয়ন্ত্ৰণ, বাণিজ্য বিভাগৰ আন্তঃগাঁথনি উন্নীতকৰণ, নিয়মীয়া শিক্ষকৰ ব্যৱস্থা, আদি বহু কেইটা দাবী লৈ প্ৰতিবাদ সাব্যস্ত কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিবাদত শদিয়া আঞ্চলিক ছাত্ৰ সন্থায়ো পূৰ্ণ সমৰ্থন আগবঢ়ায়।

## নামতি মঞ্জু বৰাৰ মৃত্যু

**অসম বাৰ্তা, নিমাতীঘাট, ১৯ ডিচেম্বৰ ঃ** উত্তৰ যোৰহাটৰ দিচৈনগৰৰ পৰিসংখ্যা বিভাগৰ প্ৰাক্তন বিষয়া হৰেন্দ্ৰ নাথ বৰাৰ পত্নী মঞ্জু বৰাৰ ১৬ ডিচেম্বৰৰ পুৱা নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭০ বছৰ। সৰবৰহী মহিলাগৰাকী দিচৈনগৰ বুঢ়া নামঘৰৰ আই সমাজৰ লগতে দিচৈনগৰ মহিলা সমাজৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। সুৰীয়া কণ্ঠৰ গৰাকী এইগৰাকী মহিলাই নামতী ৰূপে জনপ্ৰিয় আছিল। মৃত্যুৰ সময়ত মঞ্জু বৰাই স্বামীৰ লগতে তিনি পুত্ৰ, বোৱাৰী, নাতি সহ আত্মীয়ক এৰি গৈছে। সহজ-সৰল আৰু লোকপ্ৰিয় মহিলা গৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

### গাঁৱে-গাঁৱে প্ৰচাৰ চলাই আকৃষ্ট কৰিছে ভোটাৰৰ মন

# নৱগঠিত বকো-ছয়গাঁও বিধানসভা সমষ্টিত অসম গণ পৰিষদৰ প্ৰাৰ্থীৰ মাৰাথান প্ৰচাৰ

**অসম বাৰ্তা, বকো, ১৯ ডিচেম্বৰ ঃ** অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰাম, অসম আন্দোলনৰ গুৰি ধৰোঁতা; সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন ছাত্ৰ নেতা কামৰূপ জিলাৰ বকো বনগাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক দেবেন চন্দ্ৰ বড়োই সমাগম নিৰ্বাচনত অসম গণ পৰিষদৰ প্ৰাৰ্থী হ'ব। এই কথা ঘোষণা কৰে সমষ্টিটোৰ বহু সংখ্যক দলীয় কৰ্মীৰ। এই ক্ষেত্ৰত অসম গণ পৰিষদৰ বকো বিধান পৰিষদৰ একাধিক দলীয় কৰ্মীয়ে কয় যে; ৰাজনৈতিক মঞ্চও সমাজ সেৱাৰ এক উপযুক্ত স্থান। ইয়াক সদ ব্যৱহাৰ কৰাটো কঠিন। কিন্তু ইচ্ছা প্ৰকাশ কৰিলে ৰাজনৈতিক চিন্তাধাৰাৰে সমাজৰ কাম কৰিব পাৰি এনে যুক্তিৰে আজি সাংবাদিকৰ আগত মত ব্যক্ত কৰে বকোৰ একাংশ অ গ পৰ কৰ্মীয়ে। কামৰূপ জিলাৰ বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত চৌধুৰীপাৰাৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা বৃহত্তৰ অঞ্চলটোৰ সমাজ সচেতন ব্যক্তি দেবেন চন্দ্ৰ বড়োই শিক্ষকতা কৰা কালত কৰ্ম উদ্যমৰ বাবে ২০১৫ চনত চৰকাৰী স্বীকৃতি প্ৰাপ্ত ৰাষ্ট্ৰীয় শিক্ষক ৰত্ন বঁটা লাভ কৰাৰ উপৰিও ২০২০ চনত অসম চৰকাৰৰ কৃতি শিক্ষকৰ বঁটা লাভ কৰিছিল। সম্প্ৰতি দেবেন চন্দ্ৰ বড়ো অৱসৰী শিক্ষক আৰু সামাজিক দায়বদ্ধতাত কাম-কাজ চলাই অহা সমাজৰ আগৰণুৱা ব্যক্তি। উল্লেখ্য যে অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামৰ অন্যতম যোদ্ধা আৰু সেই সময়ৰ ১৯৮৬ চনৰ পৰা দুটা কাৰ্য্যকালত সদৌ অসম ছাত্ৰ সন্থাৰ ছয়গাঁও আঞ্চলিক সমিতিৰ সভাপতি হিচাপে দায়িত্ব পালন কৰিছিল। ইফালে সুদীৰ্ঘ দিন ধৰি অসম গণ পৰিষদৰ আঞ্চলিক, জিলাৰ উপৰিও কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া হৈ আঞ্চলিকতাবাদী দ'ল অসম গণ পৰিষদৰ সেৱাত ব্ৰতী হৈ আহিছে। ইফালে সমাগত ২০২৬ ইংৰাজী বৰ্ষৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনত কামৰূপ জিলাৰ বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচন খেলি অসম বিধানসভাত আসন দখলৰ চেষ্টা অব্যাহত ৰাখিছে বুলিও জানিব দিয়ে সমষ্টিৰ দলীয় কৰ্মীয়ে। যিহেতু বকো-ছয়গাঁও বিধানসভা সমষ্টিটো এই বেলি নিৰ্বাচনত অনুসুচীত জনজাতিৰ বাবে সংৰক্ষিত সমষ্টি। সেয়ে সমাগত দিনত সমষ্টিটো অসম গণ পৰিষদৰ দখলত ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখি কাম কাজ চলাই আহিছে বুলি জানিব পৰা গৈছে। আনহাতে সমষ্টিৰ সকলো শ্ৰেণীৰ লোক তথা ভোটাৰৰ জনপ্ৰিয় নেতা দেবেন চন্দ্ৰ বড়োক দলে প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিলে সমষ্টিটো অসম গণ পৰিষদৰ দখলত থকাটো নিশ্চিত হৈ পৰিছে বুলি ঘোষণা কৰে দলীয় কৰ্মীয়ে। আনহাতে সমষ্টিৰ বহু সংখ্যক গাঁৱৰ ভোটাৰে জনোৱা অনুসৰি দেবেন চন্দ্ৰ বড়োই ইতিমধ্যে কেবাটাও আঞ্চলিক সমিতি, পঞ্চায়ত সমিতি আৰু ঢুবা সমিতিৰ ভোটাৰৰ মাজত দলীয় প্ৰতীক চিহ্ন আৰু দলৰ লক্ষ্য উদ্দেশ্যৰ ওপৰত আলোকপাত কৰি ভোটাৰৰ মন আকৃষ্ট কৰিবলৈ সক্ষম হৈছে। ইফালে বকোৰ অসম গণ পৰিষদৰ কৰ্মীয়েও বকো-ছয়গাঁও বিধানসভা সমষ্টিত স্থানীয় প্ৰাৰ্থী হিচাপে দেবেন চন্দ্ৰ বড়োক বিচাৰিছে।

## বৰপেটাৰোডৰ ভৱানী বায়নৰ বিয়োগ

**অসম বাৰ্তা, বৰপেটাৰোড, ১৯ ডিচেম্বৰ ঃ** বৰপেটাৰোডৰ চন্দনপুৰ নিবাসী, প্ৰয়াত কুঞ্জলাল বায়ন পত্নী (৭৫) কালি বৰপেটাৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত বিয়োগ হয়। বৰপেটাৰ দলাহাটীত জন্মগ্ৰহণ কৰি পৰৱৰ্তী সময়ত গুৱাহাটী আৰু পিচত বৰপেটাৰোডত স্থায়ীভাৱে বসবাস প্ৰয়াত বায়ন সুস্বাস্থ্যৰ অৱস্থাত চৰকাৰী পেঞ্চনাৰ সন্থাৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। সামাজিকভাৱে মানুহৰ লগত আন্তৰিকতা- নিঃস্বাৰ্থভাৱে চলি অহা বায়নৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ সাংবাদিক দীপাংকৰ বায়ন (ৰণ্টু) ডাঙৰ পুত্ৰ সহ আন গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

## চামগুৰিৰ গেৰুৱাটীত বিজেপিৰ কৰ্মশালা



**অসম বাৰ্তা ৰূপহীহাট, ১৯ ডিচেম্বৰ ঃ** চামগুৰি সমষ্টিৰ গেৰুৱাটী হাইস্কুল খেলপথাৰত আজি বিজেপি দলৰ বিএলএ-২ আৰু বুথ সভাপতি সকলৰ এক কৰ্মশালা অনুষ্ঠিত হয়। উক্ত কৰ্মশালা খনত নগাঁও জিলাৰ বিজেপি দলৰ বিষয়ববীয়া সকলৰ লগতে চামগুৰি সমষ্টিৰ বিজেপি মণ্ডলৰ দুজন সভাপতি উপস্থিত থাকে। উক্ত সভাত বিজেপিৰ যুৱ নেতা নাজিৰ হুছেইন উপস্থিত থাকি ভাষণ প্ৰদান কৰে। উল্লেখ্য যে বিজেপিৰ যুৱ নেতা নাজিৰ হুছেইন চামগুৰি সমষ্টিৰ বিজেপি দলৰ সম্ভাব্য প্ৰাৰ্থী। বিজেপি নেতা নাজিৰ হুছেইনে সমষ্টিৰটো ঘৰে ঘৰে আৰম্ভ কৰিছে ব্যাপক প্ৰচাৰ।

### 'সুশাসন সপ্তাহ'ত ৰাজহুৱা অভিযোগৰ খৰতকীয়া কৰা হ'ব নিষ্পত্তি

# আজিৰ পৰা ২৪ ডিচেম্বৰলৈ গোৱালপাৰা জিলাত "সুশাসন সপ্তাহ"

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৯ ডিচেম্বৰ ঃ** জনসাধাৰণে চৰকাৰ তথা জিলা প্ৰশাসনৰ ওচৰত দাখিল কৰা যিবোৰ ৰাজহুৱা অভিযোগ নিষ্পত্তি নোহোৱাকৈ আছে, সেই অভিযোগবোৰ খৰতকীয়াকৈ নিষ্পত্তি কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিশেষ পদক্ষেপ -"সুপ্ৰশাসন সপ্তাহ" "প্ৰশাসন গাঁও কি ওৰ"(Good Governance Week, Sushasan Saptaah : Prashasan Gaon ki ore)ৰ সময়চোৱাত গোৱালপাৰা জিলা প্ৰশাসনে ৰাইজে দাখিল কৰা অভিযোগবোৰ নিষ্পত্তিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। ১৯ ডিচেম্বৰৰ পৰা ২৫ ডিচেম্বৰলৈ চলিবলগীয়া সুশাসন সপ্তাহৰ সময়চোৱাত জিলাখনৰ বিভিন্ন অঞ্চলত নিষ্পত্তি নোহোৱাকৈ থকা অভিযোগ বিলাক খৰতকীয়াকৈ নিষ্পত্তি কৰাৰ বাবে বিষয়াসকলে সেই স্থানত উপস্থিত হৈ তৃণমূল পৰ্যায়ত ৰাইজৰ লগত সভা বা আলোচনাৰ মাধ্যমত অভিযোগ বিলাক নিষ্পত্তি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ আৰম্ভণি হিচাপে সুশাসন সপ্তাহৰ আজিৰ প্ৰথম দিনটোতে কেইবাটাও ৰাজহ চক্ৰত চক্ৰ বিষয়াসকলৰ লগতে খণ্ড উন্নয়ন বিষয়া আৰু গাঁও পঞ্চায়ত সচিবসকলে গাঁৱলৈ গৈ ৰাইজৰ বিভিন্ন অভিযোগৰ বুজ লয় আৰু দাখিল কৰা বিভিন্ন প্ৰকাৰৰ অভিযোগ নিষ্পত্তি কৰা আৰম্ভ কৰিছে। এই সময়চোৱাত জনসাধাৰণে অনলাইন যোগে ই-ডিষ্ট্ৰিক্টৰ ( E-dist) জৰিয়তে বিচৰা আবেদনৰ ভিত্তিত বিভিন্ন নথি বা প্ৰমাণ পত্ৰও ৰাইজক প্ৰদান কৰা হব। উল্লেখ যোগ্য যে "সুশাসন সপ্তাহ"ৰ সময়চোৱাত নিষ্পত্তি নোহোৱা অভিযোগ বিলাক তৃণমূল পৰ্যায়ত নিষ্পত্তি কৰাৰ বাবে বিষয়াসকলে গাঁৱে গাঁৱে গৈ ৰাজহুৱাকৈ মুকলিভাৱে এই অভিযোগ নিষ্পত্তি প্ৰক্ৰিয়া চলাই আছে। এই নিষ্পত্তি প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকা হোৱাৰ বাবে ফটোসহ তথ্য Good Governance প'ৰ্টেলত আপলোড কৰা হ'ব বুলি জিলা প্ৰশাসনৰ ফালৰ পৰা জনোৱা হৈছে। এই অভিযোগ নিষ্পত্তি প্ৰক্ৰিয়া যাতে খৰতকীয়া হয় আৰু যিমান ৰাজহুৱা অভিযোগ নিষ্পত্তি নোহোৱাকৈ আছে, সেই সকলোবোৰ যাতে নিৰ্দিষ্ট সময়ৰ ভিতৰতে নিষ্পত্তি কৰিবৰ বাবে জিলা প্ৰশাসন তথা সংশ্লিষ্ট বিষয়াসকলে যৎপৰোনাস্তি চেষ্টা কৰিব। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা "সুশাসন সপ্তাহ, প্ৰশাসন গাঁও কি ওৰ" নামৰ এই পদক্ষেপে নিশ্চয়কৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত নিষ্পত্তি নোহোৱাকৈ থকা গোৱালপাৰা জিলাৰ অভিযোগ বিলাকৰ খৰতকীয়া নিষ্পত্তি হোৱাত বিশেষ ভূমিকা পালন কৰিব।

## ব্ৰহ্মপুত্ৰ আঞ্চলিক নাম কীৰ্তন আৰু শংকৰী কলা-কৃষ্টি বিকাশ সমিতিৰ বাৰ্ষিক মহোৎসৱৰ আয়োজন

**অসম বাৰ্তা, দেৰগাঁও, ১৯ ডিচেম্বৰ ঃ** দেৰগাঁৱৰ বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ লগতে সমীপৱৰ্তী আঁহতগুৰিৰ বহুকেইখন গাঁও সামৰি ২০০৫ চনতে গঠন হোৱা ব্ৰহ্মপুত্ৰ আঞ্চলিক নাম-কীৰ্তন আৰু শংকৰী কলা-কৃষ্টি বিকাশ সমিতিৰ একবিংশতিতম বাৰ্ষিক মহোৎসৱ ৩০, ৩১ জানুৱাৰী ২০২৬ আৰু ১ ফেব্ৰুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আঁহতগুৰি শিকলি চাপৰিৰ বিলতীয়া গাঁও নামঘৰত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। এই উপলক্ষে প্ৰথম দিনা পুৱা ঊষা কীৰ্তন, ভাগৱত ভ্ৰমণ, শাস্ত্ৰ প্ৰতিষ্ঠা, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ, নাম-প্ৰসংগ আদি কাৰ্যসূচীৰ পাছত দুপৰীয়া 'সাম্প্ৰতিক সময়ত গুৰু দুজনাৰ দ্বাৰা প্ৰৱৰ্তিত একশৰণ বৈষ্ণৱ ধৰ্মত শৰণ আৰু ভজনৰ প্ৰাসংগিকতা' শীৰ্ষক ধৰ্মালোচনা সভা অনুষ্ঠিত হ'ব। ৰাণা শৰ্মাই উদ্বোধন কৰিব লগা সভাখনৰ সঞ্চালনা কৰিব আঁহতগুৰি বৰসত্ৰৰ অধিকাৰ ৰূপচন্দ্ৰ গোস্বামীয়ে। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উৎপল নাৰায়ণ গোস্বামী আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক কুশল চন্দ্ৰ পূজাৰী নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব লগা ধৰ্মালোচনা সভাখনত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰফুল্ল পূজাৰী, তৰুণ পূজাৰী, কৃতী শিক্ষক পুলেন চন্দ্ৰ বৰা, প্ৰধান শিক্ষক জ্যোতিপ্ৰসাদ বৰা, অধ্যক্ষ দীপক কুমাৰ পেগু, গোবিন চন্দ্ৰ ভূঞা, অধ্যক্ষা বিউটি হাজৰিকা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব। সন্ধ্যা প্ৰসংগৰ পাছতেই বিভিন্ন গাঁৱৰ শিল্পীসকলে ভক্তিমূলক গীত, বৰগীত সত্ৰীয়া নৃত্য আদি সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। দ্বিতীয় দিনা পুৱা খোল প্ৰসংগ, নাম-প্ৰসংগ, দুপৰ প্ৰসংগ আদি কাৰ্যসূচীৰ পাছতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়াৰপৰা আৰম্ভ হ'ব অবিৰত ভাগৱত পাঠ। তৃতীয় দিনা অন্যান্য ধৰ্মীয় কাৰ্যসূচী আৰু সম্বৰ্ধনা অনুষ্ঠানৰ লগতে বিয়লি পৰৱৰ্তী বৰ্ষৰ বাবে নিমন্ত্ৰণী শৰাই গ্ৰহণ আৰু ভকত বিদায় সেৱাৰ অন্তত নিশা বিলতীয়া গাঁৱৰ যুৱকবৃন্দৰ দ্বাৰা প্ৰদৰ্শন কৰা হ'ব মহাপুৰুষীয়া আৰ্হিৰ ভাওনা 'শ্ৰীশ্ৰী ভাগৱত দৰ্শন'। অনুষ্ঠানটোৰ সফলতা কামনাৰে ব্ৰহ্মপুত্ৰ আঞ্চলিক নাম-কীৰ্তন আৰু শংকৰী কলা-কৃষ্টি বিকাশ সমিতিৰ সভাপতি সুৰেন্দ্ৰ নাথ বৰা, কাৰ্যকৰী সভাপতি ফণীধৰ বৰা, প্ৰধান সম্পাদক ঘনকান্ত নেওগকে প্ৰমুখ্যে কৰি আয়োজক সমিতিয়ে সকলো ৰাইজৰ উপস্থিতি তথা সহযোগিতা কামনা কৰিছে।

# পদ্মনাথ গোঁহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত সামাজিক পৰিৱৰ্তনত শিক্ষা, বিজ্ঞানৰ ভূমিকাৰ ওপৰত বক্তৃতা অনুষ্ঠান অনুষ্ঠিত



**ষ্টাফ ৰিপ’ৰ্টাৰ, তিনিচুকীয়া, ১৯ ডিচেম্বৰ ঃ** কাকপথাৰত অৱস্থিত পদ্মনাথ গোঁহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত আৰু শিক্ষা তত্ত্ব বিভাগৰ উদ্যোগত বুধবাৰে মহাবিদ্যালয়খনত “সমাজ পৰিৱৰ্তনৰ বাবে শিক্ষা, বিজ্ঞান আৰু উদ্ভাৱন” শীৰ্ষক এক বক্তৃতা কাৰ্যসূচীৰ অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে দক্ষিণ আফ্ৰিকাৰ প্ৰিট’ৰিয়াৰ এপিআই প্লাছ লেবৰেটৰীৰ প্ৰধান বিজ্ঞানী তথা কেমিকেল প্ৰচেছ টেকন’লজিৰ গৱেষণা আৰু উন্নয়ন মুৰব্বী ড° মুকুট গোহাঁইয়ে। অনুষ্ঠানত বিজ্ঞান আৰু উদ্ভাৱনৰ ক্ষেত্ৰত তেওঁৰ উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে মহাবিদ্যালয় কৰ্তৃপক্ষই তেওঁক সম্বৰ্ধনা জনায়। কাৰ্যসূচী উদ্বোধন কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° থানুৰাম মজিন্দাৰে সমাজ গঢ় দিয়া আৰু পৰিবৰ্তনৰ ক্ষেত্ৰত শিক্ষা আৰু বৈজ্ঞানিক উদ্ভাৱনৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰে। মূল ভাষণ প্ৰদান কৰি ড° গোহাঁইয়ে দক্ষিণ আফ্ৰিকাৰ বিজ্ঞানী হিচাপে তেওঁৰ পেছাদাৰী অভিজ্ঞতাসমূহ বৰ্ণনা কৰে আৰু সমসাময়িক প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাত গৱেষণা, উদ্ভাৱন আৰু বিশ্বব্যাপী প্ৰকাশৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ পিছতে বক্তা ডঃ গোহাঁইৰ সৈতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলে এক মত বিনিময় কৰে। জ্যেষ্ঠ বিজ্ঞানী সংগীতা বৰুৱা গোহাঁইয়েও সভাত ভাষণ দি অনুষ্ঠানটো সমৃদ্ধ কৰে। মহাবিদ্যালয়খনত ‘প্ৰেকটিছৰ অধ্যাপক’ হিচাপে কৰ্মৰত বিশিষ্ট লেখক তথা সমাজ কৰ্মী ফটিক চন্দ্ৰ নেওগেও অনুষ্ঠানত বক্তব্য ৰাখে। শিক্ষা তত্ত্ব বিভাগৰ মুৰব্বী বিতুৰাজ গোহাঁয়ে আঁত ধৰা অনুষ্ঠানটিৰ শেষত আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° ইলা ডেকাই শলাগ জ্ঞাপন কৰে। অংশগ্ৰহণকাৰীসকলে এই কাৰ্যসূচীক শৈক্ষিকভাৱে সমৃদ্ধিশালী আৰু প্ৰেৰণাদায়ক বুলি অভিহিত কৰে।

## নগাঁৱৰ দেওধৰত জ্যোতি শাখা সাহিত্য সভাৰ সাহিত্যানুষ্ঠান

**অসম বাৰ্তা, বঢ়মপুৰ, ১৯ ডিচেম্বৰ ঃ** নগাঁৱৰ দেওধৰ চাৰিআলিৰ জ্যোতি শাখা সাহিত্য সভাৰ এখনি মাহিলী সাহিত্য বৈঠক যোৱা ১৪ ডিচেম্বৰৰ বিয়লি শাখাটোৰ প্ৰাক্তন সভাপতি তথা বৰ্তমান জিলা কাৰ্যনিৰ্বাহক সদস্য উৎপল কুমাৰ বৰাৰ আমন্ত্ৰণমৰ্মে তেওঁৰ ওপৰ পাঠৰীস্থিত বাসগৃহ প্ৰাংগণত প্ৰয়াত পিতৃ বীৰেন্দ্ৰ নাথ বৰাৰ সোঁৱৰণত অনুষ্ঠিত হয়। শিক্ষক দীপক বৰুৱাই সঞ্চালনা কৰা অনুষ্ঠানটো সামগ্ৰিকভাৱে আঁত ধৰে চেনাৰাম কলিতা আৰু উৎপল কুমাৰ বৰাই। বৈঠকত আদৰণী ভাষণ প্ৰদান কৰে উৎপল কুমাৰ বৰাই। জিলা সাহিত্য সভাৰ সভাপতি শৰৎ বৰকটকীয়ে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় যে এনেধৰণৰ অনুষ্ঠানসমূহে ভাষা-সাহিত্যৰ চৰ্চা তথা সেৱা কৰিবলৈ উৎসাহিত আৰু অনুপ্ৰাণিত কৰে। নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকা, জিতেন শৰ্মা, পাৰিজাত শাখা সভাৰ সম্পাদক গুণ শইকীয়া, সাংবাদিক জয়ন্ত বৰা, সমাজসেৱক প্ৰফুল্ল শইকীয়া আদিয়ে বক্তব্য আগবঢ়াই এনে অনুষ্ঠান সমূহৰ প্ৰাসঙ্গিকতাৰ কথা উল্লেখ কৰে। জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰদীপ দাস, পাৰিজাত শাখা সাহিত্য সভাৰ সভাপতি নিতানন্দ বৰা, সাহিত্য সভাৰ অক্লান্ত কৰ্মী চন্দ্ৰ দাস, ৰঙাই দাস, জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য সুৰজিৎ গোস্বামী, ৰজনী কান্ত বৰা, শাখাৰ সভাপতি কমল চন্দ্ৰ শইকীয়া, সহঃ সম্পাদক পাৰ্থপ্ৰতিম বৰা, দিলীপ বৈদ্য প্ৰমুখ্যে যথেষ্ট সংখ্যক লোক উপস্থিত থকা অনুষ্ঠানত স্থানীয় অঞ্চলৰ মহিলা আৰু বাপসৰে প্ৰজয়িতা কাকতিৰ পৰিচালনাৰে এটি দিহানাম, মাচুমা চুলতানাই এটি জিকিৰ পৰিবেশনেৰে সকলোকে সন্মোহিত কৰে। জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য মহেশ নাথে অনুষ্ঠানটোত জ্যোতি প্ৰসাদ আগৰৱালাৰ এটি কবিতা আবৃত্তি কৰে। ইয়াৰোপৰি, অংকিতা বৰা, মুনমুন বৰা, আয়েচা ৰহমান, দপন দিক্ষীত বৰা আদিয়ে এটিকৈ কবিতা পাঠ আৰু নিগাজি বৰা, ৰিচিকা বৰা, কস্তুৰী বৰা, নম্ৰতা কলিতা, দপন দিক্ষীত বৰা, কল্পজোতি বৰাই গীত পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। শেষত জাতীয় সংগীত পৰিবেশনেৰে অনুষ্ঠানৰ অন্ত পৰে।

# মাজুলী হামিংবাৰ্ড স্কুলত আমমঃ ফেষ্টিভেল শুভাৰম্ভ



**অসম বাৰ্তা, উজনী মাজুলী, ১৯ ডিচেম্বৰ ঃ** মাজুলী হামিংবাৰ্ড স্কুলত আজিৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শুভাৰম্ভ হৈছে আমমঃ ফেষ্টিভেল। মাজুলীৰ অন্যতম অগ্ৰণি শিক্ষানুষ্ঠান হামিংবাৰ্ড স্কুলৰ নৱম শ্ৰেণীৰ দ্বাৰা বিদ্যালয়ৰ চৌহদত আয়োজিত হোৱা এই আমমঃ ফেষ্টিভেলৰ কাৰ্যসূচীৰ ফিতা কাটি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য নীলকান্ত দলেই। ইয়াৰ পিছতে হামিংবাৰ্ড স্কুলৰ প্ৰেক্ষাগৃহত আৰম্ভ হয় বিভিন্ন কাৰ্যসূচী। বন্তি প্ৰজ্বলন কৰে ক্ৰমে মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য ক্ৰমে নীলকান্ত দলে, ত্ৰৈলোক্য পামেগাম, পৰিচালনা সমিতিৰ সভাপতি বুধিন পগাগ, সাংবাদিক ৰাজীৱ পাতিৰ, ৰজনীকান্ত বৰদলৈকে ধৰি বহু কেইজন ব্যক্তিয়ে। ইয়াৰ পিছত বিভিন্ন জাতি জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মুকলি সভাত অতিথি হিচাপে উপস্থিত অংশ গ্ৰহণ কৰি ভাষণ প্ৰদান কৰে মাজুলীৰ বিধায়ক ভুৱন গামৰ হৈ প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰা বুধিন পগাগ আৰু পকাজৰা গাঁও পঞ্চায়তৰ সভাপতি ৰাজ কুমাৰ মিলি, নীল কান্ত দলে, ত্ৰৈলোক্য পামেগামে। বিয়লি লৈ বিভিন্ন বিষয়ৰ কৰ্মশালা, সাহিত্য আৰু ইংৰাজী ভাষাত নাট পৰিৱেশন কৰে ছাত্ৰ-ছাত্ৰী সকলে। উল্লেখ যে এই ফেষ্টিভেলত, মাজুলীৰ লগতে ধেমাজী আৰু ঢকুৱানাৰ প্ৰায় ৫২খন বিদ্যালয়ে অংশ গ্ৰহণ কৰিছে।

## কাকৈজানা বেলতলীত অসম গণ পৰিষদৰ সভা

**অসম বাৰ্তা, উত্তৰ শালমাৰা, ১৯ ডিচেম্বৰ ঃ** যোৱা ১৬ ডিচেম্বৰ আবেলি ৩ বজাত বঙাইগাঁও জিলাৰ নৱগঠিত ১৬ নং অভয়াপুৰী বিধানসভা সমষ্টিৰ অসম গণ পৰিষদ দলৰ কাকৈজানা আঞ্চলিক সমিতিৰ বেলতলি শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ প্ৰাংগনত আঞ্চলিক সমিতিৰ সভাপতি গোবিন্দ বৰ্মনৰ সভাপতিত্ব এখন কাৰ্যকৰী সভা অনুষ্ঠিত হয়। সভাত সাংগঠনিক দিশ সম্পৰ্কে বিতং ভাৱে আলোচনা কৰে বঙাইগাঁও জিলা যুৱ পৰিষদৰ সম্পাদক হিৰন ৰায়ে আৰু আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বাবে ১৬নং অভয়াপুৰী সমষ্টিত অসম গণ পৰিষদ দল সম্পূৰ্ণ ৰূপে সাজু বুলি উল্লেখ কৰে। সভাত ছাত্ৰ পৰিষদৰ নেতা তনময় ৰায় আৰু সূৰুজ মনি ৰায় উপস্থিত থাকি বক্তব্য আগবঢ়ায়।

# অসমৰ চাহ বাগিছাৰ আদৰ্শ বিদ্যালয়ৰ বিভিন্ন সমস্যাৰ সমাধানৰ দাবীত ডুমডুমাত চাহ মজদুৰ আদিবাসী কংগ্ৰেছৰ প্ৰতিবাদ

**ষ্টাফ ৰিপ’ৰ্টাৰ, ডুমডুমা, ১৯ ডিচেম্বৰ ঃ** আজি কংগ্ৰেছ দলৰ ভাতৃ সংগঠন চাহ মজদুৰ আদিবাসী কংগ্ৰেছৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু জিলাখনৰ ৬টা ব্লক কমিটিৰ সহযোগত অসমৰ চাহ বাগিছা আদৰ্শ বিদ্যালয়সমূহৰ বিভিন্ন সমস্যাৰ সামাধানৰ দাবীত ৰূপাই চাইডিঙস্থিত ডুমডুমা সমজিলা কাৰ্যালয়ৰ প্ৰাংগণত ১ ঘণ্টীয়া গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰা হ’য়। ৰাজ্যত শাসনাধিষ্ঠিত বিজেপি চৰকাৰে চাহ বাগিছাত প্ৰতিষ্ঠা কৰা আদৰ্শ বিদ্যালয়সমূহত প্ৰতিষ্ঠাকালৰে পৰা কোনোধৰণৰ প্ৰধান শিক্ষক, বিষয় শিক্ষক, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী স্থায়ীভাৱে নিযুক্তি দিয়া নাই। কেৱল অস্থায়ী শিক্ষকৰ দ্বাৰা এনে আদৰ্শ বিদ্যালয়সমূহ পৰিচালনা কৰাৰ ফলত বিগত ৪টা বৰ্ষত প্ৰায়বোৰ আদৰ্শ বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ফলাফল তথা উত্তীৰ্ণ হাৰ শূন্য। আদৰ্শ বিদ্যালয়ৰ যোগেদি চাহ শ্ৰমিকৰ সন্তানক শিক্ষা দিয়াৰ নামত বৰবিহ দি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত ধ্বংস কৰিছে শাসনাধিষ্ঠিত বিজেপি চৰকাৰখনে। কেৱল চাহ শ্ৰমিকৰ মন জয় কৰি ভোটবেংক নিৰ্মাণ কৰাৰ হে চৰকাৰৰ একমাত্ৰ উদ্দেশ্য আছিল। তাৰ প্ৰমাণ বিগত ৪টা বছৰে আদৰ্শ বিদ্যালয়সমূহত স্থায়ীভাৱে শিক্ষক নিযুক্তি নিদিয়াটো - এইদৰে বিজেপি চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ তুলি একপ্ৰকাৰ সৌচ্চাৰ হৈ পৰে চাহ মজদুৰ আদিবাসী কংগ্ৰেছ। কঠোৰ পৰিশ্ৰম কৰা চাহ শ্ৰমিকৰ সন্তানক এনেকৈ শিক্ষাৰ পৰা বঞ্চিত কৰা বুলিও অভিযোগ তুলি বিজেপি চৰকাৰক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে অনতিপলমে চাহ বাগিছাৰ আদৰ্শ বিদ্যালয়সমূহত প্ৰধান শিক্ষক, বিষয় শিক্ষক, নিযুক্তি দিয়াৰ লগতে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তি দিবলৈও চাহ মজদুৰ আদিবাসী কংগ্ৰেছৰ তিনিচুকীয়া জিলা সমিতিয়ে দাবী জনায়। চৰকাৰে শীঘ্ৰেই উক্ত দাবীসমূহ পূৰণৰ লগতে আদৰ্শ বিদ্যালয়ৰ সমস্যাসমূহৰ সমাধানৰ ব্যৱস্থা গ্ৰহণ নকৰিলে চাহ বাগিছাৰ প্ৰতিখন আদৰ্শ বিদ্যালয়ৰ চৌহদত অৱস্থান ধৰ্মঘট কাৰ্য্যসূচী হাতত ল’ব বুলিও হুংকাৰ প্ৰদান কৰে চাহ মজদুৰ আদিবাসী কংগ্ৰেছে। আজিৰ এই কাৰ্য্যসূচীত চাহ মজদুৰ আদিবাসী কংগ্ৰেছৰ ৬টা ব্লক কমিটিৰ সভাপতি, সম্পাদকৰ লগতে ডুমডুমা ব্লক কংগ্ৰেছ কমিটিৰ সভাপতি, সম্পাদক আৰু ডুমডুমা যুৱ কংগ্ৰেছৰ বিষয়ববীয়াসকলো উপস্থিত থাকে। আজিৰ কাৰ্যসূচীত চাহ মজদুৰ আদিবাসী কংগ্ৰেছ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সুৰেশ ভূমিজ, উপ-সভাপতি বিজয় উৰাং, প্ৰশাসনিক সাধাৰণ সম্পাদক কমল মণ্ডল উপস্থিত থাকে।

# ডিমৌত জুবিন গাৰ্গৰ নামত উৎসৰ্গা পুথিভঁৰাল

## ৰণ্টু ৰঞ্জন কলিতাৰ প্ৰচেষ্টাত গৃহত স্থাপন জ্ঞান কক্ষ

**অসম বাৰ্তা বিশেষ, তিনিচুকীয়া, ১৯ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ডিমৌ শুকানপুখুৰী গায়েন গাঁৱৰ যুৱক তথা চুটিগল্প পৃথিৱী অসমৰ সম্পাদক ৰণ্টু ৰঞ্জন কলিতাই হিয়াৰ আমঠু জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিলে এটা পুথিভঁৰাল। “জ্ঞান কক্ষ” নামৰ এই পুথিভঁৰালৰ শুভ উদ্বোধনী অনুষ্ঠান অলপতে অনুষ্ঠিত হৈ যায়। ফিতা কাটি পুথিভঁৰালৰ শুভ উদ্বোধন কৰে বিশিষ্ট নাট্যকাৰ তথা চুটিগল্প পৃথিৱী অসমৰ উপদেষ্টা ডিম্বেশ্বৰ কোঁৱৰে, প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে ডিমৌ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা হামিদা বেগমে। ইয়াৰ পাছতে নিমন্ত্ৰিত অতিথি, স্থানীয় ৰাইজ সকলোৱে প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অনুষ্ঠিত হয় উদ্বোধনী সভা। নিমন্ত্ৰিত অতিথিৰ শুভেচ্ছামূলক বক্তব্য তথা আলাপ অনুষ্ঠানত পুথিভঁৰাল নিৰ্মাতা ৰণ্টুৱে সকলোকে আদৰণি জনোৱাৰ লগতে এই প্ৰয়াসত সহযোগিতা আগবঢ়োৱা সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে চুটিগল্প পৃথিৱী অসমৰ উপ-সভাপতি সংকলন সম্পাদিকা পূৰবী বৰুৱা ফুকন, শিৱসাগৰ সাহিত্য সভাৰ সম্পাদক মনোজ গগৈ, ডিমৌ মহাবিদ্যালয়ৰ অধ্যপিকা জুৰি কটকী, চৰাইদেউৰ শিক্ষয়িত্ৰী তৰুদি বৰা, শুকানপুখুৰী গাঁও পঞ্চায়তৰ সভাপতি পাপু দুৱৰী, চৰাইদেউৰ আৰতি বৰা, নয়ন বিকাশ চাংমাই, ড° জীৱন কলিতা, ব্ৰজেন চেতিয়া, বিবেকা হাজৰিকা, ৰূপজ্যোতি সন্দিকৈ, ডিমৌৰ পৰমা গগৈ, পৰিৱেশকৰ্মী জীৱন বৰা, তিনিচুকীয়াৰ যুৱ সাংবাদিক, লেখক পাপুল গগৈসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। প্ৰয়াত জুবিন গাৰ্গে কোৱা “কিতাপ নথকা জাতিক গামোচাই বচাব নোৱাৰে” শীৰ্ষক বাক্যশাৰী আদৰ্শ হিচাবে লৈ ৰণ্টুৱে এনে পদক্ষেপ লৈছে। যাতে ওচৰ চুবুৰীয়া, জ্যেষ্ঠ-কনিষ্ঠ সকলোৱে পঢ়াৰ সুবিধা কৰিব পাৰে আৰু এখন সুন্দৰ সমাজ গঢ় দিব পাৰে। এই পদক্ষেপক সকলোৱে প্ৰশংসা কৰাৰ লগতে অনাগত দিনত ইয়াৰ প্ৰসাৰৰ বাবে মতামত আগবঢ়ায়। অনুষ্ঠানত ৰণ্টুৰ বৰদেউতাকে ১৯৭৩ চনতে স্থাপন কৰা পুথিভঁৰালৰ কথা সুঁৱৰি কিতাপ পঢ়াৰ হেঁপাহৰ কথা প্ৰকাশ কৰে। পুথিভঁৰাল নিৰ্মাতা ৰণ্টুৱে শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠান সামৰে। ইতিমধ্যে ৰণ্টুৱে জ্ঞান কক্ষৰ বাবে কেইবাশতাধিক কিতাপ সংগ্ৰহ কৰিছে। যদি কোনো সদাশয় ব্যক্তিয়ে এই পুথিভঁৰালটোলৈ ন-পুৰণি কিতাপ দিব বিচাৰে তেন্তে ছজ্মন্ত্মব্‌পুব্‌জ্মপ্ত নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।



# নগাঁৱৰ কৰ্মাছ কলেজত জিএনআৰচি হাস্পতালৰ দুৰ্ঘটনা সজাগতা আৰু প্ৰতিৰোধ কাৰ্যসূচী সম্পন্ন

### উত্তৰ পূৰ্বাঞ্চলৰ ৯৩ হাজাৰৰো অধিক দুৰ্ঘটনাগ্ৰস্ত ৰোগীক চিকিৎসা প্ৰদান জিএআৰছি হাস্পতালৰ

**অসম বাৰ্তা, নগাঁও, ১৯ ডিচেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠান জিএনআৰচি হাস্পতালৰ উদ্যোগত ডিচেম্বৰ মাহটো দুৰ্ঘটনা সজাগতা আৰু প্ৰতিৰোধ মাহ হিচাপে পালন কৰা হৈছে। এই সন্দৰ্ভত আজি নগাঁৱৰ গোপীনাথ দেৱ গোস্বামী কৰ্মাছ কলেজত এখন সংবাদমেলৰ আয়োজন কৰা হয়। আজিৰ এই সংবাদমেলত দুৰ্ঘটনাৰ কাৰণসমূহ, ইয়াক নিৰাময়ৰ বিভিন্ন উপায়ৰ লগতে দুঘটনাগ্ৰস্ত ৰোগীসকলৰ জীৱন কেনেদৰে ৰক্ষা কৰিব পাৰি তাৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। হাস্পতালখনৰ হৈ স্নায়ুশলা বিশেষজ্ঞ ডাঃ ৰাম কুমাৰ গোয়েল, অস্থিৰোগ বিশেষজ্ঞ ডাঃ অংকুৰ হাজৰিকা আৰু এম্বুলেঞ্চ সেৱাৰ মুৰব্বী মঃ ৰছিদুল ইছলামে সংবাদ মেলত উপস্থিত সাংবাদিক সকলক সম্বোধি দুৰ্ঘটনাৰ বিভিন্ন দিশৰ ওপৰত আলোচনা দাঙি ধৰে। ভাৰতবৰ্ষত প্ৰতি বছৰে এক বুজন সংখ্যক লোক বিভিন্ন দুৰ্ঘটনাত মৃত্যু মুখত পৰে বা শাৰীৰিক অক্ষমতাত ভোগে। কেৱল পথ দুৰ্ঘটনাতেই প্ৰতি ১.৯ মিনিটত এজন লোকৰ মৃত্যু হয়। সমগ্ৰ বিশ্বতে হোৱা দুৰ্ঘটনাজনিত মৃত্যুৰ পথ দুৰ্ঘটনা এক প্ৰধান কাৰক। আন এটি উদ্বেগজনক কথা হ’ল যে যুৱ ভাৰতীয় সকলৰ মাজত মৃত্যুৰ এক মুখ্য কাৰণ হৈছে বিভিন্ন দুৰ্ঘটনা। নীতিগত পদক্ষেপ আৰু আন্তঃগাঁথনিৰ উন্নতিৰ সত্ত্বেও ২০১০ ৰ পৰা ২০২১ চনৰ ভিতৰত ভাৰতত পথ দুৰ্ঘটনাৰ ফলত হোৱা মৃত্যুৰ হাৰ প্ৰায় ১৮ শতাংশ বৃদ্ধি পাইছে। যোৱা তিনি দশকত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৯৩, ০০০ ৰো অধিক দুৰ্ঘটনাগ্ৰস্ত ৰোগীক জিএনআৰচি হাস্পতালত চিকিৎসা প্ৰদান কৰা হৈছে। ইয়াৰ ভিতৰত প্ৰায় ৬, ৪০০জন ব্যক্তি নগাঁও জিলাৰ আছিল। এই পৰিসংখ্যাই জিলাখনত দুৰ্ঘটনাজনিত আঘাতৰ বৰ্ধিত গুৰুত্বক প্ৰতিফলিত কৰে। উপস্থিত সাংবাদিক সকলক সম্বোধি ডাঃ ৰাম কুমাৰ গোয়েল আৰু অংকুৰ হাজৰিকাই কয়, “পথ দুৰ্ঘটনাৰ ফলত হোৱা মূৰ আৰু মেৰুদণ্ডৰ আঘাত আমাৰ সমাজৰ আটাইতকৈ নীৰৱ হত্যাকাৰী। প্ৰতি বছৰে ভাৰতৰ ১.৫ লাখতকৈও অধিক আঘাতজনিত মগজুৰ আঘাতৰ এক অংশ দুচকীয়া বাহনৰ দুৰ্ঘটনাৰ বাবে হয়। হেলমেট আৰু চিটবেল্ট পৰিধান কৰি আৰু গাড়ী চলোৱাৰ সময়ত সুৰাপান পৰিহাৰ কৰি বহু দুৰ্ঘটনাৰ পৰা হাত সাৰি থাকিব পাৰি। তদুপৰি দুৰ্ঘটনাগ্ৰস্ত ব্যক্তি এজনক সময়মতে চিকিৎসালয়লৈ নিব পাৰিলে প্ৰাণ ৰক্ষাৰ সম্ভাৱনা বাঢ়ি যায়। আন বিভিন্ন কাৰণতো এজন লোক দুৰ্ঘটনাগ্ৰস্ত হ’ব পাৰে আৰু শুনাত বিশ্বাসযোগ্য নহ’লেও এই কাৰণসমূহতো বহু লোক দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যুক সাৱটি লয় বা অক্ষম হৈ পৰে- বয়সস্থ লোক আৰু শিশুঘৰৰ মজিয়াত পিছলি পৰা, বাথৰুমত পিছলি পৰা, ছিৰিত পৰি যোৱা- অসুৰক্ষিত কৰ্মস্থলী যেনে- নিৰ্মাণৰত ঘৰ বা বিল্ডিং, কাজিয়া-পেছাল, শাৰীৰিক আঘাত, কৃষি-কৰ্মত পোৱা আঘাত ইত্যাদি। দুৰ্ঘটনাৰ ফলত বাহিৰৰ পৰা নেদেখাকৈও বিভিন্ন গুৰুতৰ আভ্যন্তৰীণ আঘাত হ’ব পাৰে। অধিক প্ৰভাৱ পৰা দুৰ্ঘটনাসমূহে বৃক্ক আৰু প্ৰস্ৰাৱৰতন্ত্ৰৰ দৰে অংগসমূহৰ ক্ষতি কৰিব পাৰে। সময়মতে ৰোগ নিৰ্ণয় আৰু চিকিৎসা অবিহনে, এই আঘাতবোৰে জীৱনজোৱা জটিলতাৰ সৃষ্টি কৰিব পাৰে।” এই অনুষ্ঠানতে মঃ ৰছিদুল ইছলামে কাৰ্ডিঅ’পালম ‘নাৰী ৰিছাচিটেশ্যন (চি. পি. আৰ.) প্ৰদৰ্শন কৰে আৰু কেনেদৰে সময়োপযোগী ব্যৱস্থাই জীৱন আৰু মৃত্যুৰ মাজত পাৰ্থক্য আনিব পাৰে সেই বিষয়ে বৰ্ণনা কৰে। সজাগতা, প্ৰস্তুতি আৰু সময়োপযোগী সঁহাৰিয়ে বহু দুৰ্ঘটনা প্ৰতিৰোধ কৰিব পাৰে তথা দুৰ্ঘটনা এটাৰ পৰৱৰ্তী পৰ্যায়ত বহুলোকৰ প্ৰাণ ৰক্ষা কৰিব পাৰে। প্ৰতিটো ৰক্ষা কৰা জীৱনে এটা পৰিয়ালক সুৰক্ষিত কৰে। আজিৰ এই সংবাদমেল তথা দুৰ্ঘটনা সজাগতা আৰু প্ৰতিৰোধ মাহৰ কাৰ্যসূচীৰ জৰিয়তে জিএনআৰচি হাস্পতালে সমগ্ৰ অসমৰ উত্তৰ-পূৰ্বাঞ্চলত দুৰ্ঘটনাজনিত আঘাতৰ বিষয়ে সজাগতা আৰু জৰুৰীকালীন সেৱা শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতি পুনৰ দোঁহাৰে।




# তেজপুৰত এছ এছ বিৰ স্থাপনা দিৱস উদ্‌যাপন সমাৰোহ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৯ ডিচেম্বৰ ঃ** ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনস্থ সশস্ত্ৰ সীমা বল চমুকৈ এছ এছ বি ৰ ২০ডিচেম্বৰত ৬১সংখ্যক প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি সশস্ত্ৰ সীমা বলৰ তেজপুৰ ফ্ৰণ্টিয়াৰ মুখ্যালয়ৰ উদ্যোগত বাহিনীৰ দেবেন্দ্ৰ নগৰৰ ৬৮ নম্বৰ বেটেলিয়ান মুখ্যালয়ৰ চত্ৰপতি শিৱাজী পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত আনুষ্ঠানিক কুছ কাৱাজ অনুষ্ঠিত হয়। ভাৰত ভূটান আৰু ভাৰত নেপাল আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পহৰাৰ দায়িত্বত নিয়োজিত সশস্ত্ৰ সীমা বলে বিগত সময়ত অৰ্জন কৰে। পূৰ্বে ভাৰত চৰকাৰৰ কেবিনেট সচিবালয়ৰ অধীনত থকা Special Service Bureau ক ভাৰত চৰকাৰে One Border one Force ৰ নীতিৰ আধাৰত ২০০১ চনত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ অধীনলৈ নি নতুনকৈ সশস্ত্ৰ সীমা বল হিচাবে নামকৰণ কৰি ভাৰত ভূটান আৰু ভাৰত নেপাল সীমান্তত পহৰাৰ দায়িত্ব ন্যস্ত কৰে। পৰৱৰ্তী পৰ্য্যায়ত ২০০৭ চনৰ ২০ডিচেম্বৰত SSB Act সংসদত অনুমোদন লাভ কৰা দিনটো এছ এছ বি য়ে প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰি আহিছে। এছ এছ বিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি জোৱান সকলৰ আনুষ্ঠানিক কুছ কাৱাজ আৰু বেণ্ড প্ৰদৰ্শন কৰে।




# মেৰাপানীত সীমান্ত সৰুপানী হাইস্কুলৰ দিনযোৱা কাৰ্যসূচীৰে ৰূপালী জয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, মেৰাপানী, ১৯ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ গমাৰিগুৰি উন্নয়ন খণ্ডৰ সৰুপানী পঞ্চায়তৰ অন্তৰ্গত ৰতনপুৰ গাঁৱত ২০০১ চনত প্ৰতিষ্ঠা লাভ কৰা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান “সীমান্ত সৰুপানী উচ্চ মাধ্যমিক বিদ্যালয়”খনিয়ে ২৫টা গৌৰৱময় বৰ্ষ অতিক্ৰম কৰি ২৬ বৰ্ষত উপনীত হোৱাৰ উপলক্ষে আজি দিনযোৱা কাৰ্যসূচীৰে ৰূপালী জয়ন্তী উদ্‌যাপন কৰা হয়। পুৱা ৭ বজাত ৰূপালী জয়ন্তী উদযাপন তোৰণ উন্মোচন, ৭.৩০ বজাত পৰিবেশ নিকাকৰণ, পুৱা ৮ বজাত বৃক্ষৰোপণ, ৮.৩০ বজাত ২৫খন পতাকা উত্তোলন, পুৱা ৯ বজাত স্মৃতি তৰ্পন আৰু বিয়লি ১ বজাত মুকলি সভা অনুষ্ঠিত হয়। ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ৰজত ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত মুকলি সভাত উপস্থিত থাকে দেয়াঙৰ বিশিষ্ট সমাজ কৰ্মী তথা বিজেপি দলৰ গোলাঘাট জিলাৰ উপ-সভাপতি পোনা বৰাৰ, গমাৰি গুৰি আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা ভাৰতীয় জনতা পাৰ্টিৰ গমাৰি মণ্ডলৰ সম্পাদক ৰজনী বৰুৱা, সৰুপানী পঞ্চায়তৰ প্ৰাক্তন সভাপতি লক্ষ্মীৰাম গঞ্জু, গোলাঘাট জিলা সমিতিৰ আখতাৰ সভাপতি-সম্পাদক, শিক্ষক ধীৰেণ কুৰ্মী, সন্তোষ গঞ্জু আদি কৰি বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে গোলাঘাট জিলাৰ অসম-নগা ভূমিৰ সীমান্তৱৰ্তী আৰু দৈয়াং নদীৰ বিস্তৃৰ্ণ ভূমি ভাগত বিশেষকৈ চাহ জনগোষ্ঠীৰ কেইগৰাকীমান শিক্ষানুৰাগী লোকৰ অহৰহ প্ৰচেষ্টা আৰু ত্যাগৰ ফলত ২০০১ চনত ৰতনপুৰ গাঁৱত সীমান্ত সৰুপানী উচ্চ মাধ্যমিক বিদ্যালয় নামেৰে এটি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান জন্ম লাভ কৰে। জন্ম লগ্নৰে পৰা না না অভাৱ অনাটন আৰু সমস্যাৰ মাজেৰে বিদ্যালয়খনে সৰুপানী অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনত বিশেষ অৰিহণা আগবঢ়াই আহিছে যদিও বৰ্তমান চৰকাৰী কৰণ পৰা বঞ্চিত হৈ আছে। বিদ্যালয়ৰ প্ৰধান শিক্ষকে সাংবাদিকক জনোৱা মতে বিদ্যালয়খনৰ বৰ্তমান শিক্ষক-শিক্ষয়িত্ৰী ৭জন আৰু ছাত্ৰ-ছাত্ৰী সংখ্যা মুঠ ১৯১ গৰাকী আৰু বিদ্যালয় খনে বিগত সময়ত ভাল ফলাফল প্ৰদৰ্শন কৰি আহিছে। সেয়েহে আজি ৰূপালী জয়ন্তীৰ দিনটোত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজে বিদ্যালয়খন চৰকাৰী কৰণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।

# কোকৰাঝাৰৰ মিলন হাইস্কুলত শিক্ষাৰ্থীসকলৰ মাজত চাইকেল বিতৰণ

**অসম বাৰ্তা, দোতমা, ১৯ ডিচেম্বৰ ঃ** আজি কোকৰাঝাৰ জিলাৰ অধীন চৌতাৰা মিলন হাইস্কুলত শিক্ষাৰ্থীসকলৰ মাজত চাইকেল বিতৰন কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানখনত বিটিচিৰ সমাজ কল্যাণ বিভাগৰ ইএম প্ৰকাশ বসুমতাৰী, পাৰিষদ কৰ্মেশ্বৰ ৰায় দুয়োজন পাৰিষদে উপস্থিত থাকি চাইকেলসমূহ বিতৰণ কৰে। চাইকেল বিতৰন কৰি বিটিচিৰ পাৰিষদ কৰ্মেশ্বৰ ৰায়ে জানিবলৈ দিয়ে যে অসম চৰকাৰৰ ফালৰ পৰা বিভিন্ন বিদ্যালয় সমূহত বিনামূলীয়াকৈ বাইচাইকেল বিতৰণ কাৰ্যসূচী চলি আছে। সেইমৰ্মে আজি মিলন হাইস্কুলত অনুষ্ঠিত ৫৪ গৰাকী ছাত্ৰ-ছাত্ৰীক বাইচাইকেল বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানখনত গোসাইগাঁও শিক্ষাখণ্ডৰ খণ্ড বিষয়া প্ৰদীপ গয়াৰীৰ লগতে প্ৰধান শিক্ষক শিৱেন্দ্ৰ ৰায় মণ্ডল আৰু শিক্ষাৰ্থীসকলৰ অবিভাৱক-অভিভাবিকাসকলো উপস্থিত থাকে।

## সিদলসতীত পথ দুৰ্ঘটনাত ২ জন আহত

**অসম বাৰ্তা, উত্তৰ শালমাৰা, ১৯ ডিচেম্বৰ ঃ** বঙাইগাওঁ জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত সিদলসতীত কাকৈজানা গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সমীপত ১৭ নং ফৰলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া ১-০০মান বজাত ট্ৰাক আৰু টেক্টৰৰ মাজত মুখামুখি সংঘৰ্ষ হয়। AS 25FC0625 নম্বৰৰ ট্ৰাকখন টুলুঙীয়াৰ পৰা ৰাখলডুবি গৈ থকা অৱস্থাত বিপৰীত দিশৰ পৰা টেক্টৰ এখনৰ লগত মুখামুখি সংঘৰ্ষ হয়। সংঘৰ্ষৰ ফলত টেক্টৰৰ পৰা পৰি সোণাখুলি দহলাপাৰাৰ ডণ্ডি ৰাম ৰায় (৩৫) আৰু উদ্ধৱ ৰায় (৪০) আহত হয়। উক্ত আহত ব্যক্তি দুজনক সিদলসতী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসা কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন